অতুলানন্দ গোস্বামীৰ
নিৰ্বাচিত গল্প সংকলন

পলাতক

STATE CENTRAL LIBRARY
Call No.____
ASSAM.

PALATAK a collection of Assamese short stories, by Atulananda Goswami, published by Smt. Anima Goswami, "Ādhār", Zoo-Narengi Road, Gauhati 781024

প্ৰকাশিকা ঃ শ্ৰীমতী অনিমা গোস্বামী
"আধাৰ"
জু নাৰেঙ্গী ৰোড
গুৱাহাটী ৭৮১০২৪

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ১৯৮৩

প্ৰচ্ছদ ঃ বেণু মিশ্ৰ

মুখ্য পৰিবেশক ঃ নিউ বুক ষ্টল পানবজাৰ, গুৱাহাটী

মূল্য ঃ ১৫.০০ টকা

ছপাওঁতা ঃ প্ৰেছ এণ্ড এলাইড গ্ৰাফিক্স
কলিকতা ৭০০০১২

সূচীপত্ৰ

পলাতক ১ । বুনিয়াদ ১১ । শূন্যৰ বেহা ১৯ ।
ঈশ্বৰক ভাঁৱাই ৰাখিবৰ বাবে ৩২ । নলগা ছোৱালী ৩৯ ।
সংকটৰ প্ৰেম ৪৬ । চিকাৰ ৫৯ । ভাতৰ গোছ ৬৭ । তীৰ্থ ৭৬ ।
মৰিবলৈ ভয় নাই ৮৩ । আবৃত্তি ৯০ । অসহায় ৯২ । ডাক্তৰৰ অসুখ ৯৫ ।
ঘোৰ মহানুভৱতা ১০৪ । চোৰ ১১৪ । বাৎসল্য ১২২ । কলিত কিন্দা ১২৭

লেখকৰ অন্যান্য :

হামদৈ পুলৰ জোন

গল্প

ৰাজপাট

পলাতক

ঘৰৰ ভিতৰতে বহি থাকি, ক'ৰ পৰা আহিছে নজনাকৈয়ে কেতিয়াবা শেৱালী বা কামিনী ফুলৰ গোন্ধ পাইছেনে? মনটো ভৰি নাযায়নে বাৰু? মাজ ৰাতি সাৰ পাই, খোলা খিড়িকীৰে সোমাই অহা ক্ষৰকাল ৰাতিৰ জোনৰ পোহৰ দেখিছেনে কেতিয়াবা? অনাবিল আনন্দই বুকু ওপচাই নোপেলায়নে বাৰু?

মোৰো আজি সেয়ে হৈছিল।

আজি এটা ছাঁ আহিছিল মোৰ ঘৰলৈ। এজনী গাভৰু ছোৱালী হৈ অহা সেই ছাঁটো সোমোৱা বাবেই মোৰ ঘৰটো কিবা এটা অজান সৌৰভেৰে ভৰি পৰিছিল। কিবা এটা অদ্ভুত ভাল লগা পৰিবেশে মুখৰ কৰি পেলাইছিল, কিবা এটা পোহৰে যেন মোৰ মন-হিয়াৰ নিভৃততম্ চুকলৈকে উদ্ভাসিত কৰি পেলাইছিল।

নহ'লে মোৰ ঘৰলৈ শেৱালীৰ গোন্ধ অহাৰ উপায় নাই। জোনৰ পোহৰে চুকি নাপায়হি। এটা কোঠালীৰ ঘৰ। পিছফালে থকা তিনিফুটমান বহল বাৰান্দাৰ সিফালেই সিফালৰ মানুহ ঘৰৰ চুৱনি আৰু সৰু সৰু ল'ৰা ছোৱালীৰ শৌচ কৰা ঠাই। আগফালৰ চিৰিকেইটা বাট বোলাবৰ বাবে থকা ঠেক গলিটোলৈকে সজোৱা। তাৰো তলেদি যোৱা আধা পোত যোৱা খালটোৱেদি সংসাৰৰ আবর্জনা বৈ যায়। অৱশ্যে যদিহে বৈ যোৱাৰ বল পোৱাকৈ পানী থাকে। আৰু বৈ যোৱা পানীধাৰ মহা গৌৰৱেৰে, মহা পয়োজনেৰে গঙ্গাত পৰেগৈ দশাশ্বমেধ ঘাটত। বিশ্ববিশ্রুত কাশীধামৰ, হিন্দু স্বৰ্গৰ দুৱাৰ দলি দশাশ্বমেধ ঘাট।

আগফালে দুবাৰৰ কাষতে, ইটাৰ বেৰত খাজি মই মোৰ নামৰ ফলি এখন আঁৰি থৈছো। সেইখনে সদৰ্পে ঘোষণা কৰিছে মোৰ নামটো। ড বিশ্বনাথ বৰুৱা, এম এ, পি এইচ ডি। কাষতে ঘৰৰ নম্বৰটো উনত্ৰিছৰ ওপৰত সাত।

ঠিকনাৰে সতে এই নামটো মাজে মাজে কাশীৰ পৰা প্ৰকাশ হোৱা দুই-এখন হিন্দী কাগজত ওলায়। কিন্তু তেনে কাগজো যে কোনোবাই বিচাৰ কৰি গোটাই থ'ব, মোৰ ঠিকনাটো সযতনে টুকি থ'ব আৰু ঠিকনা বিচাৰি মোৰ খবৰ ল'বলৈ ছোৱালী এজনী এসময়ত মোৰ ঘৰ ওপাবহি সেইটোহে মোৰ ধাৰণাৰ বাহিৰত আছিল।

আজি পম্পা আহিছিল মোৰ ঘৰলৈ। কাশীলৈ অহা পম্পাৰ এয়াহৰো ওপৰ হৈ'ল। ঠিকনা বিচাৰি উলিয়াওতেহে হেনো ইমান পলম হ'ল। তাকো বিচাৰিব লাগে বন্ধৰ দিন কেইটাতহে।

আগতে চিঠি লিখাত বোলে বাধা আছিল। ভয় আছিল জানোছা মই ঠিকনা এৰি গুছি যাওঁ। অবাক কৰি দিবৰ মানসেৰেই আগতে কোনো ধৰণৰ খা-খবৰ নিদি এনেকৈ মোক বিচাৰি উলিযালেহি পম্পাই। পম্পাৰ বয়স কুৰি বছৰ।

আৰু যোৱা প্ৰায় ডেৰকুৰি বছৰৰ মোৰ নিৰ্বাসনৰ একপ্ৰকাৰ অন্ত হ'ল আজি। এটা অস্বস্তিয়ে মোক ভীষণ অস্থিৰ কৰি তুলিছে। নিজকে ধিক্কাৰ দিবৰ মন গৈছে নিজেই আৰোপ কৰা এই স্বেচ্ছা নিৰ্বাসনৰ বাবে। মনটোক অভিশাপ দিবৰ মন গৈছে সময় থাকোতেই মনটো উদঙাই দিয়াত বিফল হোৱা বাবে।

"মই পম্পা।" দুটা শব্দৰ সেইটো পম্পাৰ প্ৰথম সম্বোধন। কিন্তু সেই দুটা শব্দতে যেন এখন বিশ্বকোষ মেল খাই গ'ল। কেতিয়াও নেদেখা, কেতিয়াও তেনে এজনী ছোৱালী থাকিব পাৰে বুলি নভবাকৈয়ে অনুভৱ কৰিলো যেন নামটো মোৰ বুকুৰ এচুকতে সোমাই আছিল। যেন সেই নামটোত মই উমান নোপোৱাকৈয়ে এসময়ত তেজ মঙহ গোট খাই আজিৰ এই ছোৱালীজনীৰ গঢ়

ল'লেহি। যেন মোৰ মনৰ মাজতে বাচি বাচি তাই ইমানজনী হ'লহি। কিন্তু সিমানেইনে তাইৰ পৰিচয়?

"পম্পা?" মন্নো এটা শব্দেৰেই সুধিলো।

উত্তৰটোত থকা বিমল হাঁহিটোৱে যেন কটকটীয়াকৈ দেখুৱাই দিলে মোৰ মানসিক দৈন্যৰ পৰিণতি, মোৰ পলায়নপৰতাৰ পৰিণাম। পম্পাৰ পৰিচয়ে মোৰ সমগ্ৰ সত্তাক সচকিত কৰি দিলে। মোৰ মনক হেন্দুলি দি আঙুলিয়াই দেখুৱাই দিলে মোৰ যোৱা প্ৰায় ত্ৰিছ বছৰ অজ্ঞাতবাসৰ প্ৰচেষ্টাত থকা অহৈতুকতালৈ।

স্বেচ্ছাই নিৰ্বাসন গ্ৰহণ কৰি কিমান ঘাত-প্ৰতিঘাতৰ মাজেদি, কিমান ধুমুহাৰ মাজেদি আহি আজিৰ এই অৱস্থাত আছোহি সেই সমগ্ৰ ইতিহাস টুকুৰাটুকুৰ কৰি হৈ নিমিষতে মোৰ মনৰ চকুত পৰিল।

কাকো নোকোৱাকৈ, কোনো সম্ভেদ নাৰাখি মই গুচি আহিছিলো এই কাশীলৈ। কাশী হিন্দুৰ পৰম পৱিত্ৰ তীৰ্থস্থান বাবে নহয়। বা এজনীয়া প্ৰচেষ্টাৰে গঢ় লৈ উঠা এখন বিখ্যাত বিশ্ববিদ্যালয় থকা বাবেও নহয়। আহিছিলো বিশ্বৰ এক ক্ষুদ্ৰ সংস্কৰণ, বিৰাট মানৱ জাতিৰ এক বিচিত্ৰ ভগ্নাংশ—মানুহৰ অৰণ্যত হেৰাই যোৱাৰ মনেৰে। এক মহাশূন্য, মহা-অন্ধকাৰ কল্পনা কৰি তাৰ মাজত নিকদ্দেশ হৈ যাবৰ মনেৰে। নোৱাৰিলো। সেই বাসনাও মোৰ অপূৰণ হৈ থাকিল।

অথচ কোনো বাসনা নকৰাকৈ, বিশেষ কোনো যত্ন নকৰাকৈয়ে ডিগ্ৰীকেইটা ইয়াতে বুটলি লৈছিলো। ডিগ্ৰী লৈ মই একো কৰিব খোজা নাছিলো, সেইবোৰ কামত খটুৱাৰ কোনো প্ৰয়োজনীয়তা বোধ কৰা নাছিলো। তেনে ধৰণৰ আকাংক্ষাই কোনো দিনেই মোৰ মনত ঠাই নল'লে।

সেইবোৰ জাহিৰ কৰাৰ ইচ্ছা নাছিল বাবেই বা সেইবোৰে দিব পৰা সামাজিক নিৰাপত্তাৰ বাবে হাবিয়াস নকৰা বাবেই যে মই হেৰাই যাম, কোনেও মোৰ খবৰো নকৰিব সেইদৰে ভাবি আত্মতুষ্টি লাভ কৰাটো মোৰ ভুল হৈছিল। গম পালো আজি।

খোৱাই অনা পায়জামা, পাঞ্জাবী যোৰ জাপ খুলি বহীতে ওলোমাই থোৱা দেখি পম্পাই হাঁহি দিছিল। সুধিছিল মোৰ বাকচ এটাও নাইনে ?

নাই। মোৰ কি আছে বুলি সুধিলে মই উত্তৰ দিব নোবাৰো। একোৰে গৰাকি হোৱাৰ মন মোৰ নাছিল। হাতলৈ পাকে প্ৰকাৰে আহি গোট খোৱা, অথচ পেলাই দিব নোবাৰো কিতাপ পত্ৰবোৰো পুৰণি কিতাপ বেচা দোকান এখনত বেচিবলৈ দি মই কোঠাটো মুকলি কৰি থৈছো। সেইদৰেই যেন মই মুক্ত হৈ থাকিম।

তাকে কৰোঁতে পাৰ হৈ অহা বাধা বিঘিনিবোৰে মোক হতাশ কৰা নাছিল। একান্ত জৈবিকভাৱে জীয়াই থাকিবলৈকো যে কিমান কঠোৰ সাধনা কৰিব লাগে সেই কথা যোৱা ত্ৰিছ বছৰে মই ভালকৈয়ে উপলব্ধি কৰিছিলো। তেনে সাধনা মোৰ বাবে বেছি কঠোৰ হৈছিল মই নিৰ্দ্দিষ্ট সমাজৰ গণ্ডীত সোমাই নপৰিবৰ বাবে কৰা সংকল্পৰ বাবে। অথচ কিহৰ বাবে মোৰ সেই সংকল্প, কিহৰ বাবে সেই কষ্ট স্বীকাৰ কৰিছিলো কাহানিও কাৰো আগত প্ৰকাশ কৰিবলৈ মই উপায় পোৱা নাছিলো।

সেই কথা স্পষ্ট কৰি দিলেহি পম্পাৰ আগমনে।

পম্পাই অবাক হৈ সুধিছিল ইমানবোৰ পডাশুনা কৰি সেই-বোৰৰ সহায়ত মই কোনো চাকৰি বাকৰিৰ বাবে যত্নই নকৰিলো নেকি ?

নাই কৰা। সেইবোৰ বান্ধোনত মই সোমাব খোজা নাছিলো। এতিয়াও নাই খোজা। তাকে কৰিলে জানোছা মই বান্ধ খাই যাওঁ, জানোছা মই ৰীতিনীতিৰে শৃঙ্খলিত এই বিশাল বিশ্বৰ বিচিত্ৰ দৃশ্যপটত এক বিন্দু হৈ বৈ যাওঁ।

তাকে নকৰি মই আন কাম কৰিছিলো। এই দশাশ্বমেধ ঘাটলৈ অহা হাজাৰ শৱযাত্ৰাৰ লগ লৈছিলো। হাজাৰটা মৰাশৰ হাজাৰবিধ দাহন পদ্ধতিৰ সাক্ষী হৈছিলো। কেতিয়াবা দেখি দুখ হৈছিলো

একোটা শৱ বেৰি ধৰি কৰা আত্মীয় স্বজনৰ আকুল বিলাপ। আৰু একেদৰেই একোটা শৱ কোনোমতে গাৰ ছালখন ক'লা পৰাকৈ দাহ কৰি লৰালৰিকৈ গঙ্গালৈ দলি মাৰি দিয়া দেখিও অনুমান কৰিছিলোঁ একেখন দেশৰে মানুহৰ মানসিক বৈচিত্র্য।

তললৈ মুখ কৰি ওপঙি থকা মৰাশ একোটা দেখি বহুত সময়ত অনুমান কৰিবলৈ চেষ্টা কৰিছিলো সেই দেহটোত প্ৰাণ থাকোতে একেবাৰে শেষ মুহূৰ্ত্তত প্ৰাণীটিৰ মনত কি ভাৱ খেলাইছিল চাগে। জীৱটো দেহ এৰি ওলাই যোৱাৰ থিক আগ মুহূৰ্ত্তত প্ৰিয়জনৰ প্ৰতি, আত্মীয় কুটুম্বৰ প্ৰতি, দেশৰ প্ৰতি বা এৰি যোৱা সা-সম্পদৰ প্ৰতি কিমান সচেতন আছিল চাগে তেওঁ। বা থিক শেষ ক্ষণত পেটটো ভোকে খামোচ মাৰি ধৰিছিলনে বাৰু?

ভোকে মোকো যথেষ্ট শিকালে। ভোকৰ তাড়নাত মই কাশীৰ অগণন দেব-দেৱীৰ মন্দিৰৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছিলো। ওঁহো, ভগৱানৰ এশ একুৰি প্ৰতিমূৰ্ত্তিৰ করুণা বিচাৰি নহয়। গৈছিলো, সেইবোৰত ঈশ্বৰ আৰু কাঙাল উভয়কে অনুগ্ৰহ কৰিবলৈ লৈ অহা অসংখ্য তীৰ্থযাত্ৰীৰ প্ৰসাদৰ ভাগ বিচাৰি। তাতো অন্তৰায় আছিল মোৰ চেহেৰাটো আৰু পৰিচ্ছন্ন কাপোৰ যোৰ। কাপোৰ-কানি-কেইটা নিকাকৈ ৰখাৰ অভ্যাস মই তেতিয়াও এৰিব পৰা নাছিলো। কাপোৰ পুৰণি, ফটা ছিটা হলেও চাফা আছিল। আৰু সেইবাবেই শাৰী পাতি থাকি পিছত উখপ খপ্ লগোৱা ল'ৰা-বুঢ়া, ডেকা-গাভৰু কাঙালৰ জাকটোত সোমাব নোৱাৰি পূজাৰীয়ে দিয়া এচামুচ খিচিৰি বা এচিকতা মিঠাইৰ ভাগৰ পৰাও বঞ্চিত হৈছিলো। কেতিয়াবা আকৌ অতি শান্তভাৱে, দুই এক ধৰমশালাত, পেট ভৰাই তেনে প্ৰসাদ খাই দুদিনলৈ নিশ্চিন্তও হৈছিলো।

আৰু একো সময়ত এনেকুৱাও হৈছিল যে একোটা মন্দিৰৰ পৰা এহাত ওখনিৰে ওলাই অহা বিশালকায়া মহিলাৰ কাষ দিওঁ কাষ দিওঁকৈ হাতত লৈ অহা লাড়ু এটালৈ সতৃষ্ণ নয়নে চাই থাকি হাত

মেলিব খোজোতেই তেওঁ মোৰ কাপোৰ সাজলৈ মন কৰি হাতটো কোচাই নিয়ে, আৰু ঠিক পিচ মুহূৰ্ত্ততে মাটিত চাকোলাৰ ভাও ধৰি "অ'ম্মা দেম্মা" কৈ দেও পাৰি থকা সুস্থ নিলাজ ভিখাৰীটোৰ হাততে সেইটো দি দিয়ে। মই চাই থাকো ভিখাৰীটোৱে লাড়ুটোত কামোৰ এটা মাৰি বাকীখিনি তাৰ বিৰাট কাপোৰৰ মোনাটোত ভৰাই থয়। আৰু তাকে কৰোতে হোৱা অকনমান খচখচনিৰ শব্দই মোৰ কাণত তাল মাৰি ধৰে, পেটটো পকাই মোৰ দেহ মনক অৱশ, দুৰ্বল কৰি পেলায়।

তথাপি, সেই অবস্থাক চেলেঞ্জ নকৰাকৈ থকাৰ, নিজকে লুকুৱাই ৰখাৰ প্ৰচেষ্টাত মোৰ এলাহ নাছিল।

কিন্তু সঁচা জানো? মোৰ সেই প্ৰচেষ্টাক বিশ্বাসঘাতকতা কৰি বিফল কৰি দিবলৈ মোৰে অবচেতন মনে অতি সংগোপনে, সমান্তৰালভাবে আন এটা চেষ্টা চলাই থকা নাছিলনে? মোৰ সংকল্পত সুৰুঙা উলিয়াই, মোৰ মনৰ বিপৰীতমুখী চিন্তাৰ পৰিচায়ক হ'ব পৰাকৈ সিয়ে আজিৰ এই পৰিবেশৰ বাবে দায়ী নহয়নে?

নহ'লে মই কিয় হঠাতে, কাশীৰ তীৰ্থযাত্ৰী আৰু শবদাহ প্ৰথাৰ ওপৰত এটা সৰু প্ৰবন্ধ লিখি স্থানীয় ইংৰাজী কাকত এখনলৈ পঠাইছিলো? সেইটোৰ প্ৰকাশৰ পৰা পোৱা অলপীয়া পুজিকে সম্বল কৰি কিয়বা মই এই ঘৰটো লৈ নিজকে সাঙুৰি পেলাবৰ ব্যৱস্থা কৰিলো? আৰু কিয়ই বা কাগজৰ মানুহে আৰু প্ৰবন্ধ বিচাৰি আহিব পৰাকৈ নিজৰ নাম, ডিগ্ৰী ঘোষণা কৰি নামৰ ফলিখন আৰি দিছিলো?

মোৰ প্ৰবন্ধতকৈও, কাশীৰ সৰু কাগজ এখনত ওলোৱা ডিগ্ৰীবে সৈতে মোৰ বকৰা উপাধীটোৱেহে কোনোবা এজন কি দুজন অসমীয়া ভ্ৰমণকাৰীৰ দৃষ্টি আকৰ্ষণ কৰিছিল। আৰু পৰিসংখ্যা বিজ্ঞানৰ অদ্ভুত সম্ভাৱনা সূত্ৰৰ বলতে সেই কথা গম্পাইতৰ ঘৰতো ওলাইছিলগৈ।

'মোৰ পম্পা নামটো হেনো আপুনিয়েই দিবলৈ কৈছিল ?' পম্পাই মোক সুধি অবাক কৰি দিছিল।

সেই নামটো পটি থকা কালত কিয় মোৰ মনত সোমাইছিল মই আজি ক'ব নোবাৰো। বা কিয় সেই নামটো মোৰ বৰ ভাল লাগে, তেনে নাম এটা অতি আপোন কাৰবাক দিব পাবিলে ভাল হয় এনেকুৰা কথাবোৰ কোনটো অসতৰ্ক মুহূৰ্তত কৈ পেলাইছিলো সেইটোও মোৰ ভালকৈ মনত পৰে। অথচ তেনে একোটা সাধাৰণ কথাকো ইমান দকৈ মনত সুমাই থৈ, মোৰ ইচ্ছা বা হাবিয়াস বুলি পূৰণ কৰোতে যি মনোভাৱ প্ৰকাশ পাইছে সেইটো ক তা, সমযত প্ৰকাশিত নহ ল কিয় ?

সময থাকোতে, মায়াতো মোৰ মনটো খুলি দিব পৰা নাছিলো। মোলৈ যচ ইঙ্গিতময আহ্বানৰ সঁহাৰি দিব নোবাৰিছিলো। মনৰ বাসনা ব্যক্ত কৰিব নোবাৰা বাবে, ভীৰু, কাপুৰুষ বুলি পৰা গালিবোৰ অস্বীকাৰ কৰিব নোৱাৰিছিলো।

মোৰ সাহ নহ'ল, কোনেবাক বিমুখ হওঁ বুলি, কেনেবাকৈ প্ৰত্যাখ্যানৰ সম্মুখীন হওঁ বুলি, হিয়া উদঙাই কথা কৈ মনটো নাঙঠ কৰা বুলি ইতিকি কৰে বুলি মই নীৰব হৈ থাকিলো। মনৰ আশা কথাৰে ব্যক্ত কৰিব নোৱাৰি মই পলাই গুছি আহিলো।

আহোঁতে মই বুকুত বান্ধি আনিছিলো সেই নীৰৱ আশ্বাস, চাৱনীৰে কৰা আত্মসমৰ্পণ যাৰ প্ৰকাশ্য ৰূপ দিয়াত বাধা হৈছিল, আজিৰ মূল্যহীন, সামান্য সামাজিক সংস্কাৰ এটা।

মই বুকুৰ মাজত আটোম-তোমকৈ বান্ধি থৈছো খুলিব নোৱাৰাকৈ সাকৰ মাৰি থোৱা এটা সোণৰ সঁফুৰা। তাতে বন্ধ হৈ আছে মোৰ সমগ্ৰ বাসনা। মোৰ হিয়াৰ পূৰণ নোহোৱা, কেতিয়াও হ'ব নোৱাৰা, আশাবোৰ। তাতে বন্ধ হৈ থাকিল মোৰ এক আকুল তৃষ্ণা। সেই তৃষ্ণা তৃপ্ত নোহোৱাকৈয়েই, মোৰ সমগ্ৰ সত্তাই বিচৰা

আশ্ৰয় মোৰ কাষত থকাহেঁতেন মই বিশ্ব জয় কৰাৰ সমান মনোবল পালোহেঁতেন বা সমগ্ৰ বিশ্বকে নেওচা দিব পাৰিলোহেঁতেন। নোৱাৰিলো। নোবাৰি সেই অপাৰগতাৰ গ্লানি মূৰত লৈ পলাই আহিলোঁ।

পম্পা ডুঘণ্টামান ওপৰকাল থাকিল। সেইকণ সময়তে তাই কথাই বতৰাই আচাৰে ব্যৱহাৰে স্পষ্ট কৰি দিছিল যেন মোৰ লগত তাইৰ এয়াই প্ৰথম সাক্ষাত নহয়। যেন আমি অতি পুৰণি চিনাকী, অতি আপোন মানুহ।

চাহ অনাই খাইছিলোহঁক। ওচৰৰে দোকান এখনৰ সৰু ল'ৰা এটাৰ হতুৱাই গৰম গৰম চিঙাৰা অনাইছিলো। পাতৰ সৰু সৰু ঠোঙাত লৈ চিঙাৰা খাওতে তাই অবাক হৈ সুধিছিল, পানী থোৱা মাটিৰ সৰু ডিঙিৰ কলহটো আৰু চিচাৰ গিলাচটোৰ বাহিৰে মোৰ ঘৰত সঁচাকৈ একোৱেই নাই নেকি ?

নাই। ক'লো তাকে। মোৰ সকলো সম্পদ যে এটা স্মৃতিতে সীমাবদ্ধ সেই কথা মই পম্পাক বুজাব নোৱাৰিলো।

পম্পা কাশী হিন্দু বিশ্ববিদ্যালয়ত পঢ়িবলৈ আহিছে। মাকে তাইক কৈ পঠাইছে যেনেতেনে মোক বিচাৰি উলিয়াবলৈ। উলিয়াই মোক স্থানীয় অভিভাবক হ'বলৈ সম্মত কৰাবলৈ। কিন্তু মোক বিচাৰি নোপোৱাকৈয়ে তাই হেনো ফৰমত মোৰ নামটো ভৰায়েই দিলে। তাইৰ বোলে কিবা বিশ্বাস এটা হৈছিল যে মই অমান্তি নহ'ম। আজি মোক বিচাৰি পাই, মোৰ লগত কথা পাতি তাই আৰু আশ্বস্ত হৈছে।

কেনেকৈ পালে তাই সেই বিশ্বাস ? বিশ্বাসো ইমান সংক্ৰামক-নে ? মোৰ ঘৰ, মোৰ চুবুৰি, মোৰ কেউফালৰ পৰিবেশ, এইবোৰ দেখি তাইৰ বিশ্বাসত ফাট নধৰেতো ? ধৰাৰ লক্ষণ দেখা নাই। অন্ততঃ সেই দুঘণ্টাৰ সান্নিধ্যই সেইটো সুচোৱা মোৰ চকুত নপৰিল। বৰং তাই অতি সহজ ব্যৱহাৰেৰে, হাঁহি ঠাট্টাৰে মোক জোকাব পৰা হৈ পৰিছিল। মোক কৈছিল মই মোৰ বগা সাজবোৰ সলাই পেকুৱা

কাপোৰ পিন্ধি, কপালত মস্ত ফোট এটা লৈ বাবাজী হৈয়ো ফুৰিব পাৰো দেখোন।

তাৰ মাজতো তাই মোক আন বহুতো নজনা কথাৰ খবৰ দিছিল। তাইৰ দেউতাক যে তিনি বছৰমানৰ আগতে ঢুকাল মই নাজানো। ডাঙৰটো ককায়েকে যেহেৰ চাকৰী পাইছে সেইটোও মোৰ জনাৰ সুবিধা হোৱা নাছিল। নতুনকৈ হোৱা ছোৱালী কলেজ এখনত, আৰম্ভ হোৱাৰে পৰা মাকে চাকৰী কৰে, এতিয়া প্ৰায় ছবছৰ হ'ল। সেইটো খবৰো কথাই কথাই পম্পাইহে দিলে। মই আগতে নাজানিছিলো, আৰু নাজানিছিলো যে মোমায়েকহঁতৰ লগত পম্পাহঁতৰ সম্পৰ্ক প্ৰায় ছিগি যোৱাৰ দৰে। সেইবোৰ এতিয়া জানিয়েই বা মই কি কৰিম।

তাই এসময়ত যাবলৈ উঠিল। যোৱাৰ আগতে মোক হুকুম দি থৈ গ'ল মই যেন তাইৰ খবৰ লৈ থাকো। তাই আকৌ আহিব। মইহে যেন অসমৰ পৰা হেৰাই যোৱাৰ দৰে আকৌ ইয়াতো হেৰাই নাযাওঁ।

"মামা যাওঁ" বুলি মাত লগাই পম্পা গুছি গ'ল।

পাতল সেউজীয়া ৰঙৰ শাৰী এখন পিন্ধি গৈ থকা পম্পাক পিছফালৰ পৰা অবিকল নিভা যেন লাগি গ'ল। যেন ত্ৰিছ বছৰৰ আগৰ এটা আবেলি মোৰ পঢ়া কোঠাৰ পৰা সেয়া নিভাহে ওলাই গৈছে। মোৰ ওচৰত অলপ সময় পঢ়ি, বহুত সময় কথা পাতি, অলপ সময় তৰ্ক কৰি, বহুত সময় দিহা দি, নিৰ্দ্দেশ দি—মই যেন পিছদিনা পুৱাই চাবোন এটুকুৰা আনি পায়জামাটো ধুই লওঁ, সময় উলিয়াই চুলিবোৰ কটাই অলপ মানুহমুৱা হওঁ, কোঠাটোৰ জঞ্জাল-বোৰ উলিয়াই যুকলি কৰি অলপ পৰিপাটি হওঁ, —সেইদৰে আদেশ দি যেন সেইজনী নিভাহে ওলাই গৈছে। হঠাৎ সকলো পাহৰি উদ্দাম, উত্তাল হৈ চিঞৰি ক'বৰ মন গ'ল—'মই সেইবোৰ সকলো কৰিলো চোৱা, শুনা নিভা'।

নকলো। সেইজনীতো নিভা নহয়। পম্পা নিভাৰ প্ৰতিচ্ছবিহে। নিভাৰ ছাঁ, নিভাৰ প্ৰতীক, নিভাৰ জীয়েক হে। নিভাই পাতি দিয়া অমূলক সম্বন্ধ এটা ধৰি "মামা যাওঁ" বুলি মাত লগাই তাই গুচি গ'ল।

অথচ সময়ত মই মোৰ বাসনাৰ সফুৰাটো খুলি ধৰিব পৰাহেঁতেন, মনটো সবল কৰি, মনৰ কথা মুখলৈ আনিব পৰাহেঁতেন, পম্পাই মোক আজি "দেউতা" বুলিও মাতিব পাৰিলেহেঁতেন।

বুনিয়াদ

পানবজাৰতে বেছি ভাল হ'ব। তালৈকে ইউনিভাৰ্ছিটিৰ ল'ৰা-ছোৱালীবোৰ আছে। ভাল চাহৰ দোকান দুই এখন আছে। গতিকে প্ৰচাৰ হ'ব তাৰ পৰাই। অৱশ্যে প্ৰচাৰৰ ফালৰ পৰা তেনে দুশ্চিন্তা নাই। আৰ্ট আৰু আৰ্টিষ্টৰ মূল্য আমাৰ বজাৰতো মানুহে লাহে লাহে বুজিবলৈ আৰম্ভ কৰিছে।

ফ্ৰণ্টেজ নালাগে। সৰু হলেও হ'ব। সেয়ে ভিতৰলৈ সোমাই যোৱাকৈ দীঘল আৰু ওখ ঘৰ এটা লাগিব। বেৰবোৰ ধুনীয়াকৈ ৰং দি ডিছপ্লে কৰিবৰ কাৰণে সজাই দিব পৰা হ'ব লাগিব। পোহৰ সোমাব পৰাকৈ চালৰ টিনপাত এখন গুচাই প্লাষ্টিক বা গ্লাছ চিট এছটা লগাই দিব লাগিব। বাগানৰ কলঘৰবোৰত লগায় তেনেকৈ। কামৰ বাবে ঠাই তাতে ওলাব আৰু। এটা মাত্ৰ মস্কিল, ইয়াত তেনেকৈ ভাল সঁজুলী পোৱা নাযায়। পেৰীৰ পৰা মগাই অনাবলৈ কো বহুত কিবাকিবি আইনৰ পাক আছে। কলিকতা বা দিল্লীতে কিবা এটা ব্যৱস্থা কৰিব লাগিব। ৰং, ব্ৰাছ, ইজেল, ব'ৰ্ড ইয়াতে পোৱা যায় যদিও বৰ ভাল নালাগে সেইবোৰ ব্যৱহাৰ কৰি।

সেইবোৰ হ'ব যাক। ঘৰ এটা পালে ষ্টুডিঅ' এটা গঢ়ি লৈ লাহে লাহে বাকীবোৰ বস্তু গোটাব পৰা যাব। লাগিলে প্ৰথমতে অলপ অচৰপ কমাৰ্চিয়েল কাম কৰি ল'ব লাগিব। নেম্‌প্লেট, চাইনব'ৰ্ড জাতীয় খাহখুহ কাম অলপ। মিউনিছিপেলিটিৰ লগত খাতিৰ ৰাখিব পাৰিলে চাইকেল আৰু বিক্সাৰ নাম্বাৰ প্লেট এখোপা লিখিও

প্ৰাথমিক ক্ৰাইছিছটো পাৰ হৈ যাব পৰা হ'ব। দৰকাৰ হ'লে গ্ৰাউণ্ড পেইন্টিংখিনি কৰিবৰ বাবে সক লৰা এটাও ৰাখি ল'ব।

"ইস্—," পেটটো চিকুট মাৰি ধৰিছে চন্দনৰ। কিমান ভাবিব আৰু। ষ্টুডিঅ' এটা খুলি কাম আৰম্ভ কৰাৰ কথা ভাবি যোৱা দুদিনে অকণো আজৰি পোৱা নাই সি। অন্তৰত অটল বিশ্বাস আছে, সফল হ'বই চন্দন। ইয়াতে পটিশুনি গৈছে। বহুত বন্ধু-বান্ধব আছে তাৰ ইযাতে। বহুতে জানে চন্দন আর্টিষ্ট। আর্টৰ কথা ওলালে বা মনলৈ আহিলে চন্দনে পৃথিৱীৰ আন কথা পাহৰি যায়। তাকেই সমল কৰি, তাৰ ওপৰতে নির্ভৰ কৰি জীযাই থকাৰ কথা ভাবিছে চন্দনে। জীবিকা তুচ্ছ কথা। জীৱিকাৰ কথা কোনো প্ৰকৃত আর্টিষ্টে আজিলৈকে ভৱা নাই আৰু নাভাবেও। সকলো অমৰ আর্টিষ্টৰ জীবনে সেই কথা সকিয়াই দি থৈছে। সেযা ভান গগৰ কি হৈছিল? ল'ট্ৰেকৰ?

আচল কথা সৃষ্টি। অভিনৱ সৃষ্টি কৰা, অমৰ হৈ যাবা। তাৰ বাবে লাগে বিশ্বাস আৰু নিজৰ ওপৰত আস্থা।

আস্থা আছে চন্দনৰ নিজৰ ওপৰত। এতিযালৈকে দেশী-সঁজুলিৰেই যি কেইখন ছবি আঁকি থৈছে, দেখি কোনেও বেয়া বোলা নাই সেইবোৰ। সেইখিনি ছবিকে, এখন একক প্ৰদর্শনী পাতি দেশক দেখুৱাবৰ ইচ্ছা আছে চন্দনৰ। চন্দনৰ দৃঢ় বিশ্বাস, তেনে প্ৰদর্শনী এখন চাই সমালোচক সকলে স্বীকাৰ কৰিবলৈ বাধ্য হ'ব যে অসমতো আর্টিষ্ট আছে। এবাৰ, এখন মাত্ৰ প্ৰদর্শনী পাতিব পাৰিলে পিছৰখিনি কাম সহজ হৈ যাব।

গুৱাহাটীলৈ অহাৰ পিছত মনলৈ প্ৰথম উত্তম আহিল সেইদিনা, যিদিনা "যাত্ৰিক"ৰ সম্পাদকে চন্দনে আঁকি দিয়া ব্লকৰ ডিজাইনটো ভাল হৈছে বুলি কৈ বিস্না তাৰা বুলি টকা পাঁচটা যাচিলে।

কোনোবা এটা গল্পত 'খণ্ডজ একো-নাই হৈ মালাই মেজৰ ওপৰত থকা ফুলদানীটো চন্দনৰ গালৈ মাৰি পঠিয়ালে।'—এই দৃশ্যটোৰ ছবি

এখন দিব লগা হোবাত চন্দনে সেইখন আঁকি দিছিল। আঁকিবলৈ ভাল লাগিছিল গল্পটোত চন্দনৰ নিজৰ নামটোও থকা বাবে। সম্পাদকে পছন্দ কৰি উৎসাহ দিছিল আৰু ছবি অঁকাব বুলি। পিছে আজিলৈকে বিচৰা নাই। নিশ্চয় চন্দন ক'ত থাকে নাজানে তেখেতে। কিবা এটা কৰিব লাগিব। নিজেই লাগিলে এবাৰ গৈ আকৌ কিবা আঁকি দিব লাগিব নেকি সুধি আহিবগৈ। যাচি গলে কিবা ভাবে নেকি আৰু'। নালাগে থাওক। আন আন কাগজ দুই এখনৰ অফিচলৈকো অৱশ্যে যাব পাৰি "যাত্ৰিক"ৰ সেই সংখ্যাটো হাতত লৈ। কিন্তু ইমানকৈ ঘূৰে কেনেকৈ? চিটি বাছবোৰতো ভালেমান পইচা লাগে আজিকালি।

"ইস্!" হঠাৎ কথাটো মনত পৰি পেটটো চিকুট মাৰি ধৰিলে আকৌ চন্দনৰ। চিটি বাছ কিয়, চাহৰ দোকান এখনত সোমাই দুখন শুকান ৰুটি খাবৰ জোখাৰেও পইচা নাই চন্দনৰ জেপত। আজি দিনটো একো পৰা নাই পেটত। "যাত্ৰিক"ৰ টকা পাঁচটা কাহানিবাই শেষ হ'ল। ধীৰু ইঁতৰ মেছত কেৱল থকাৰ বন্দৱস্তহে এই কেইদিন আছিল। কৈছিল খোৱাৰ বেলেগ ব্যৱস্থা কৰি খোৱা আছে। লাজতে কৈছিল চন্দনে সেইদৰে। নহ'লে দুদিনতে জানোছা বৰ্ষুমলা বুলি ভাবিবলৈ ধৰে সিহঁতে। হলেও অৱশ্যে দুসাজ নে এসাজ ভাত ধীৰুৰ আলহী হিচাপে নোখোৱাকৈ থকা নাই। সেইবুলি খুজি খাবৰ মত যোৱা নাই এতিয়ালৈকে।

এতিয়াও যাব পাৰি সিহঁতৰ মেছলৈ। চাহ খাবৰ সময় হৈছে তাত। গলে নিশ্চয় চাহ একাপে লুচি দুখনে খাবলৈ যাচিব। কিন্তু কি বা ভাবে। যদি ভাবে আন ঠাইত সুবিধা কৰিব নোৱাৰিহে মেছ ওলাইছোহি? নালাগে থক। পাৰুল হঁতৰ ঘৰলৈকে যাব নেকি? তাতো এতিয়ামানে আবেলিৰ চাহৰ যোগাৰ হৈছে চাগৈ। পাৰুলক এখন ছবি আঁকি দিয়াৰ কথা আছিল। কেনেকুৱা ছবি ভাল পাব এবাৰ সুধি অহাৰ চলেৰে গলে চাহ একাপ

নিদিয়াকৈ নাথাকে নিশ্চয়। কিন্তু ছবি কেনেকুৱা লাগে পাকলে কৈয়ে থৈছে। 'এটা ৰাজহাঁহ নীলা আকাশেদি উৰি গৈছে। যাওঁতে তাৰ সঙ্গিনীক মাতি গৈছে।' ছবিত ৰাজহাঁহৰ মাতটো কেনেকৈ উলিওৱা যায় বাৰু? তাকে আঁকি দিয়াৰ কথা আছিল যোৱা দেওবাৰেই। এতিয়া যদি হাতত ছবিখন নোলোৱাকৈ যোৱা হয়, কি ঠিক, পাকল হঁতেও হয়তো ভাবিব পাৰে বোলে চন্দনে চাহটোপাৰ আশাতে আবেলিতে ওলাইছেহি।

আৰু এখন ঠাই আছে যাব পৰা। গ'লে চুজিব লাৰু এটা, চাহ একাপ আৰু আছে যদি অমিতা এচকল পোৱা যাব। কিন্তু যাব জানো চন্দন? কাৰো চকুত নপৰে কথাটো। গ'লেও কোনেও একো ভাবিবৰ থল নাই। তেও বুলি যাবৰ মন নাযায় দেখোন। হেমেনৰ আইতাকে বৰ লেতেৰা কথাবোৰ পাতি ভাল পায়। গলেই চন্দনলৈ ছোৱালী বিচৰা কথা উলিযাই দিব। কেনেকুৱা ছোৱালী চন্দনৰ কাৰণে ভাল, কি কাৰণে ভাল আৰু যত বিযা স ক্রান্ত কথা থাকিব পাৰে লেঠাৰি নিছিঙাকৈ কৈ যাব। অথচ চিনাকি হোৱা এযা এমাহমানেই হোৱা নাই কিজানি।

"অনুযোগ" আলোচনীৰ সম্পাদকে দিবনে বাৰু টকা পাঁচটামান এডভান্স? ব্লকৰ ডিজাইন ল'ব বুলি কৈছিল নহয় "যাত্রিক"ৰ সম্পাদকৰ আগত। তাকো আকৌ বিচাৰি গলেহে হ ব।

'কি হে আর্টিষ্ট?' ওলালহি আপদ এটা, ঠাট্টাত থকা সৰকা কৰিব এতিয়া মাধৱে। 'বোলো কিনো ভাবি বহি আছা নিজান বনত?' বুলি পিঠিত বাঘচকা এটা মাৰি কাষতে বহিল মাধৱ। পৰীক্ষা শেষ হৈ গৈছে। বহুত আজৰি তাৰ। চন্দনৰ সমনীয়া। সৰুৰে বন্ধু। পিছে মাধৱে চন্দনক বন্ধু যেনকৈ ব্যৱহাৰ নকৰে। চন্দন হেনো চিনিক। ঠাট্টা মস্কৰাৰে ব্যতিব্যস্ত কৰি তোলে যেতিয়াই ভেটাভেটি হয়। কোনো কথাকে চিৰিয়াচলি নাপাতে সি চন্দনৰ লগত। সুধিলে—

'এটা কথা নহয়, আটিষ্ট।

"কি— ?"

'ৰং চং লাগি লেতেৰা হ'লে বাক বুজা যে কামতহে চন্দনৰ কাপোৰকানিবোৰ ইমান ক'লা হৈছে কিন্তু তোৰ কাপোৰ সাজ যে ষ্টেছনৰ মুটীযাবোৰতকৈও একাঠি চৰা।'

এ—ধোবা নাই আক, কি-নো ইমান মলিয়ন হৈছে ?'

'অ, তই দেখোন একেবাৰে ফিলছফাৰ হৈ গলি ?'

'ক'ৰ ফিলছফাৰটো হলো অ'। কিবা বাজে কথাবোৰ কৈ আছ তই।'

'বাজে কথা নকওঁ বাক ব'ল জিলিকাৰ তাত চাহকে খাই আঁহোগৈ একাপ।

চন্দনৰ বুকুত কিবা এট বজা যেন লাগি গ'ল। ক'ৰ নেকি 'ব ল যাও বুলি ? কিন্তু কালেই জানোছা মাধৱে ভাবে সি সেইদৰে ক বলৈহে চন্দনে বাট চাই আছিল ? তাতকৈ নালাগে থক। মুখেৰে ক'লে—'নাযাওঁ অ মই। মোৰ গাটো সিমান ভাল নহয়।

'গা বেযা হ'বলৈ তোৰ আক' হ'ল কি ?

'নাই মানে, এনায়ে এই বেয়া লাগি আছে আক। বাক কছোন তোৰ পৰীক্ষা কেনে হ'ল ?'

'আহিল বৰ বিদ্যাবলধটো, মোৰ পৰীক্ষাৰ খবৰ ল'বলৈ।'

'হওক বাক। কছোন সঁচাকৈয়ে পৰীক্ষাটো তোৰ কেনে হ'ল। প্ৰিভিয়াছ বোলে তোৰ ভালেই হৈছিল।'

'এইবাৰো ভালেই হৈছে বাক। ব'ল যাওঁ।'

'ফাৰ্ষ্ট ক্লাছ পাবি ?'

'কেনেকৈ কওঁ অ' এতিয়াই।' বুলি মাধৱ থিয় হ'ল। কিবা এটা ভাবি অকণমান ডভক থাই ব'ল। ক'লে—"বাক, ব—।" বুলি কৈ সি জেপৰ পৰা আধলি এটা উলিয়াই সোঁহাতৰ বেকাকৈ

ধৰা তৰ্জনীৰ ওপৰত তুলি ল'লে। ক'লে—"ক'ছোন হেড্ নে টেইল।"

সেই আঠ অনাৰে চাহ খুবাব খুজিছিল হ'বলা মাধৱে। কিটো হ'লহেতেন তাৰে। অকল এটা হ'লে বাক বেলেগ কথা। খুজিব নেকি তাকে ধাৰলৈ মাধবৰ পৰা? নিদিযাকৈ নাথাকে নিশ্চয়। কিন্তু, কি—বা ভাবে।

"ক, ক ।"

"হেড ।"

'ধেৎ, ফাষ্ট ক্লাছ নাপালো, তোৰ বাবেই।' বুলি কৈ সি আধলিটো জেপত ভৰাবলৈ লৈছিল। চন্দনে মাত লগালে—'তিনি বাৰ সোধ, কেই বাৰ হয চাওঁ।' আধলিটো চকুৰ আগত ৰাখিবলৈহে যেন চন্দনে কথাটো ক'লে।

"বাৰু, ক— ।"

"হেড "

'বা', ফাষ্ট ক্লাছ এইবাৰ। আকৌ এধাৰ কৰি ।'

চন্দনৰ মনৰ পৰা পৰীক্ষাৰ ৰিজাল্ট আঁতৰি গ'ল। সেই আধলিটোৰে কি কি কিনিব পৰা যায় তাৰ এখন লিষ্টি কৰি পেলালে সি মনে মনে। সন্তীযা চুৰট এপেকেট খাব পাৰি—আনৰ জুইছলা অলাই। তাৰ দৰকাৰ নাই। একাপ চাহ, গজা এটা আৰু তামোল এখন । ওঁহো, বৰ চৌখিন হয় সেয়া। দুখন টিকিবা আৰু এগিলাছ পানী খালেই বৰং কামত আহে।

"ক আকৌ—।"

"আঠ অনা"—ক'ৰ নোৱাৰাকৈয়ে চন্দনৰ মুখৰ পৰা ওলাই গ'ল।

"তোৰ মুৰটো।" বুলি ওপৰলৈ পাতি থকা হাত দুখনৰ এখনৰ কিলাকুটিৰে হেঁচোকা মাৰি দিলে মাধৱে। আধলিটো হাতত

লাগিও পৰি গ'ল মাটিলৈ। বাটত বেঞ্চখনত ঠেকা খাই অলপ-আঁতৰত উকৰি পৰিলগৈ ধাঁহনিৰ মাজত। সেইফালে মাধৱে চাব পৰা নাছিল। সি চাই আছিল এঁকবাৰ দৰে কথা কোৱা চন্দনৰ মুখলৈহে। হাতত নপৰা আধলিটো এইবাবহে, কেনিনো পৰিল চালে।

পাৰ্কৰ মালীটো হেনো ছুটিত গৈছে। যোৱা এসপ্তাহ মান নকটা ধাঁহবোৰ অলপ দীঘল হৈছে। আধলিটো বিচাৰি পোৱা নগ'ল। বৃন্দাবন পাতৰ শাৰীৰ কাষে কাষে দিয়া ইটাৰ গাতে লাগি থকা ধাঁহবোৰ বেছ দীঘল হৈছে। তাৰ মাজত সোমোৱা আধলিটো বিচৰা টান হ'ল। গধূলিও হৈ আহিছে। ছয়ো বিচাৰিও নাপালে। মাজতে চন্দনে গোন্ধোৰা বন এজোপাৰ আগ এটা ছিঙি শুঙি চালে। আচৰিত হৈ মাধৱে সুধিলে—'পাত শুঙিলে হেৰোৱা পইচা পায় নেকি অ' ?'

'নহয়, মানে এই জোপা গোন্ধোৰা বন হয়নে নহয় চালো।'

'তোৰ ক'ববাত অলপ বিকাৰো হৈছে হ'বলা। ব'ল যাওঁগৈ। সেই আঠ অনা মালীটোৱেই পাওক আক।'

'ৰহোন, চাওঁ আক অলপ বিচাৰি।'

'থ, থ হেৰ'। পইচা আঠ অনাৰ বাবে সেইদৰে বিচাৰ কৰিব লাগিলে মানুহে হাঁহিব। ব'ল, ব'ল, যাওঁগৈ।'

অগত্যা চন্দন মাধৱৰ লগত পাৰ্কৰ পৰা ওলাই গ'ল। মাধৱে চাহৰ দোকান এখনৰ কালেই পোনাইছিল। তেতিয়াহে চন্দনৰ মনত পৰিল "যাত্ৰিক"ৰ অফিচলৈ এবাৰ নগলেই নহয়। কথাটো ভাঙি ক'লে মাধৱক। মাধৱে জোৰ নকৰিলে আক।

বিদায় লৈ দুয়ো দুফালে খোজ ল'লে। মাধৱে পানবজাৰৰ আড্ডাৰ ফালে আগবাঢ়ি বন্ধু বিচাৰি গ'ল চন্দনে লাহে লাহে উজনী বাট ধৰিলে।

বাটৰ, দোকানৰ, পাৰ্কৰ লাইটবোৰ জ্বলিল ইতিমধ্যে। গধূলি হোৱা যেন পাই চন্দনৰ পেটটোৱে আকৌ মাত এটা দিলে। অৱশ হৈ চন্দনৰ বহি দিবৰ মন গ'ল। মনৰ ভিতৰতে এখন তুমুল যুদ্ধ লাগিল। নিজৰ পেটটোৰ প্ৰতি অদ্ভুত ঘিণ এটা লাগি গ'ল। গোটেই পৃথিবীয়ে সন্মান কৰা, শিল্প জগতৰ মুধা-ফুটা নামবোৰৰ বিশ্ববৰেণ্য কামবোৰ, সেইবোৰৰ বুৰঞ্জী, গঁগা, গগ, চেছান, মাইকেলএঞ্জেলো'ৰ পৰা পিকাছো লৈকে অমৰ শিল্পীসকলৰ কীৰ্ত্তিৰ কথা ভাবি যেতিয়া চন্দনে আত্মতৃপ্তি বিচাৰে, সেই সময়তে এই নিলাজ পেটটোৱে প্ৰতিবাদ কৰি উঠে। এনে যে বিড়ম্বনা।

মালীটোৱে ছুটি লোৱা বাবেই হ'বলা পাৰ্কৰ গেটখনতো তেল এটোপ পৰা নাই। লাহেকৈ খোলোতেও কেৰেককৈ মাত এটা ওলাল। চন্দনৰ কাণ তাল মাৰি যোৱা যেন লাগিল। অথচ তেতিয়াও পাৰ্কত বহি থকা দুই এজন লোকে গমকে পোৱা যেন নালাগিল।

লাহে লাহে চন্দন আগেয়ে বহি থকা বেঞ্চখনৰ কাষ পালেগৈ। এখন্তেক বহি ল'লে। ঘামিছে তাৰ কপালখন। চাপৰি জুপি চাই দেখিলে আগ ছিঙা গোন্ধোৱা বনজোপাও আছে।

এইবাৰ উঠি, সেই বনজোপাৰ কাষতে হাত দি, থাঁহৰ মাজৰ পৰা আধলিটো উলিয়াই আনিলে। দুই হাতেৰে মোহাৰি দাঙি চালে এবাৰ।

হ'ব। ষ্টেছনৰ ওচৰৰ বিহাৰী দোকান এখনত সো জোনটোৰ সমান শুকান কটি এখন দিব আঠ অনাত। লগতে জলা জোল অলপ। কি পাচলিৰ কোনেও ধৰিব নোৱাৰে।

শূন্যৰ বেহা

পুৱা উঠি আহি এইখিনিত বহিলেই চকুত পৰা উমানন্দৰ কাষৰ পানীৰ মাজত থকা পকী খুটাটো নিচেই ওচৰতে থকা যেন লাগে। যেন বালেৰে মাৰি পঠিয়ালে শিল এটা তাত লগাব পৰা হ'ব। আচলতে নহয়। খুটাটো বাৰাণ্ডাৰ পৰা বহুত, ব হু ত দূৰ। ওচৰতে যেন লগাটো ভ্ৰম। দৃষ্টি ভ্ৰম।

গধূলি বহিবলৈ ল'লে দেখা যায় কেউফালে সকলৰ লাইটে গোটেই গুৱাহাটী মহানগৰী দীপান্বীতা যেন কৰি থৈছে। আৰু লগে লগে চকুত পৰে, বাৰাণ্ডাৰ তলতে, পাহাৰৰ চালত গজা চাপৰ হাবিৰ মাজত হাজাৰ হাজাৰ জোনাকীৰ পৃথিৱী পোহৰাবৰ আকুল হেঁপাহ। তাৰ মাজতে এটা উঠি আহি বাৰাণ্ডাৰ ওচৰ পায়হি। সদায়, পিছে সদায় একেটা জোনাকী'য়েই আহে জানো। নাহে। হাজাৰ জোনাকীৰ একোটা কেনেবাকৈ ওপৰলৈ উৰি আহে। সদায় দেখা বাবে একেটাই যেন লাগে। সেইটোও এটা ভ্ৰম। নিশ্চয় বুদ্ধি ভ্ৰম।

হ'লেও, ওপৰলৈ উৰি অহা জোনাকীটোলৈ মন কৰিলে দেখা যায় যেন সিও কাৰবাৰ মনৰ এশ এবুৰি চিন্তাৰ জাঁত হেৰোৱা, একা-বেকা দিশৰ নির্দেশ দিবলৈহে ইফালে সিফালে ঘূৰি ফুৰিছে। লক্ষ্যহীন, অনিশ্চিতভাৱে।

'চিন্তা-চিন্তা দ্বয়োর্মধ্যে চিন্তা নাম গৰীয়সী।' হৈছেনে ? নহ'লেও কথা নাই। অৰ্থটো সহজ। বেছি সহজ হৈহে কথাটো স্পষ্টভাৱে

উপলব্ধি কৰিব পৰা যাবে। চিতাৰ জুইতকৈ চিন্তাৰ জুই বেছি ভয়াবহ। অধিক যন্ত্ৰণাদায়ক। হ'বই।

চিতাত তোলোতে, ওপৰত গধুৰ কাঠ দিব লাগিছিল। তাকে নকৰা যাবে মাজ ভাগত ভৰি কোচাই মানি উঠি বহিব খোজা যেন লাগিছিল। যেন জুয়ে পোৰা যন্ত্ৰণা সহ্য কৰিব নোৱাৰি বিৰোধ কৰি নামিহে আহিব। আচলতে নহয়। তেনে অবস্থাত বোলে সিৰবোৰ কোছ খাই সেই অৱস্থা কৰে।

নহ'লে ক'তা, জুইৰ যন্ত্ৰণাৰ কোনো অভিব্যক্তি দেখা নগ'ল মানিৰ মুখত। কোনো শাস্তি পোবা বা বিভিন্ন শব্দ কৰি গাৰ ছাল-মাংস পুৰি যাওঁতেও মানিয়ে প্ৰতিবাদ কৰাৰ কোনো লক্ষণেই দেখা নগ'ল। নিৰ্বিকাৰ, নিশ্চল, নীৰবে নিজকে সপি দিছে চিতাৰ জুইত।

অথচ ইমানবোৰ আঁচনি, অত পৰিকল্পনাৰ সকলো বিফলতাৰ বোজা বিনোদৰ কান্ধত পেলাই থৈ গুছি যাওঁতে এটা পলকো নালাগিল। কেইযোৰ কাপোৰ নিব, মেখেলা-চাদৰকে নিবনে অকল? নে শাৰীও নিব দুখন মান? ফ্লাস্কটো লাগিব জানো? বিছনা নালাগে থক—আদি সমস্যাৰ সমাধান বিচাৰি যোৱা প্ৰায় এসপ্তাহ কিমান যে আলোচনা-বিলোচনা। চুটকেচটো বিছনাৰ কাষৰ মূঢ়া এটাত এতিযাও খোলা। কেইপদ মান বস্তুৰে সতে দুই কি তিনি যোৰ কাপোৰ ভৰোৱা হৈছিলেই।

সেইবোৰৰ কি হ'ব এতিয়া? কি-টো হ'ব আক।

তাকে কৈছিল মানিয়ে। পিছকালৰ ওলমা বাৰাণ্ডাত একেলগে বহি কথা পাতি থাকোতে মানিয়ে প্ৰায়ে আক্ষেপ কৰি কৈছিল "কি টো হ'ব আক।"

বিনোদৰ তাতে আপত্তি। কিয় কি হোৱা নাই। কেনেকুৱা অৱস্থাৰ পৰা আহি বিনোদ আজিৰ অৱস্থা পাইছেহি মানিয়ে জানো দেখা নাই। সক সুৱা কামৰ পৰা ধৰি ধৰি এতিয়া বিনোদে লাখ টকীয়া ঠিকা কৰিব পৰা হৈছেহি। লাভৰ অংশ প্ৰায় গোটেইখিনি

খটাই থাৰ ঘূলীৰ পাহাৰৰ ওপৰত এইটো সৰু অথচ আটোমটোকাৰী ঘৰ সজাই থাকিবলৈ লৈছেহি। ব্ৰহ্মপুত্ৰ খন পিছফালে পৰে। সেই বাবে সেইফালে আগবাঢ়ি যোৱাকৈ সৰু বাৰাণ্ডা এখন সজোৱা হৈছে। পাহাৰৰ চালত ঘৰটো হোৱা বাবে বাৰাণ্ডাখন ওলমা যেন দেখি। তাতে পুৱা আবেলি বহিবলৈ বৰ ভাল লাগে। বেতৰ চোফাচেট এটা পাৰি থোৱা আছে।

ঘৰটোৰ পশ্চিমফালেও সৰু বাৰাণ্ডা এখন আছে। পিছে তাত বহিবলৈ অসুবিধা। একে ঠেক, তাৰ উপৰি গোটেই পিছবেলাটো ৰ'দ পৰে। মানিয়ে বাঁহৰ কাঠিৰ পৰ্দা এখন তৰি দিয়াৰ কথা উলিয়াইছিল। বিনোদে হাঁহি মাৰি আপত্তি দেখুৱাইছিল—পৰ্দা তৰিলে চাবলৈ কিটো থাকিব আৰু।

নোহোৱা নহয়। সেইটো ফালৰ পৰা চালেই চকুত পৰাকৈ নামনিত নতুনকৈ পতা মণ্টেছৰী স্কুল এখন আছে। সন্মুখত এখন আহল বহল চোতাল। সেউজীয়া ঘাঁহেৰে দলিচা যেন কৰি থোৱা আছে। আবেলি হ'লে তাতে হাজাৰবিধ ফুল ফুলে।

হাজাৰ মানে ঠিক হাজাৰ নহয়। মুকলি ঘাঁহনি দবাত ওচৰ পাজৰৰ কণ কণ লৰা-ছোৱালীবোৰে আবেলি খেলেহি। ৰং চঙীয়া সাজবোৰ মানি হঁতৰ বাৰাণ্ডাৰ পৰা ৰমকজমককৈ ফুলি উঠা ফুল যেন দেখি।

সেইটো দৃশ্যকে চাওঁ বুলি চাব নোৱাৰি। বাৰাণ্ডাত বৰ ৰ'দ। বাৰাণ্ডাৰ ৰ'দ যাওঁতে যাওঁতে স্কুলৰ চোতালখন আকৌ শূন্য, মুকলি, ঘাঁহনি হৈ পৰে।

আজি এমাহ কি ডেৰমাহেই হ'ল। এদিন দুপৰীয়া কোপাই জোপাই মানুহ এগৰাকী মানি হঁতৰ ঘৰলৈ আহিছিল। বহা কোঠাতে বন কৰা ল'ৰাটো মাটিতে পৰি টোপনীয়াই আছিল। উঠি, মানুহ গৰাকীক বহিবলৈ দি ফেনখন চলাই দিলে। ভিতৰৰ পৰা মানি ওলাই আহি এখন্তেক ৰ'ল। মানুহ গৰাকীক চিনি পোৱা নাই।

মানুহ গৰাকী একেবাৰে গাভৰুও নহয়, বিশেষ বয়সীয়াও নহয়। মানিতকৈ কিন্তু ডাঙৰ। কান্ধৰ পৰা ওলোমোৱা মোনা এটাত কিবা বহী-কাগজ-পত্ৰ কিছুমান আছে। তাৰপৰাই বহী এখন উলিয়াই মেজতে থৈ হাঁহি মাৰি মানিক ক'লে—'বেযা নাপাব দেই, বৰ অসময়ত আপোনাক আমনি দিলোহি। মোক বাৰু আগতে পানী এগিলাছ খুৱাবনে?' মানিয়ে ল'ৰাটোক পানী এগিলাছ আনিবলৈ ক'লে। মনে মনে ভাবিলে মানুহ গৰাকীৰ উদ্দেশ্য কি হ'ব পাৰে বাৰু! পিছে গোসোধাকৈয়ে গম পালে। মানে মানুহ গৰাকীয়ে নিজেই কৈ গ'ল—'আমাৰ কামটোৱেই এনেকুৱা বুইছেনে। সময়-অসময় বিচাৰ কৰিবৰ উপায় নাই। নহ'লেনো এই ভৰ দুপৰীয়া ইমানখন বাট পাহাৰ বগাই আহিব লাগেনে। আপোনালোকৰ ঘৰটোও কিন্তু বেছ ওখত। এইফালে মই নতুন মানুহ। অথচ মোকে দিলে ইযাত। ইফালে কমেও পোন্ধৰ ঘৰ মানুহ চুবই লাগিব ।'

মানি অবাক হৈ বহি ল'লে। মানুহ গৰাকীৰ পৰিচযটো জানি কব নোবাৰাকৈয়ে এবাৰ মিচিককৈ হাঁহি দিলে। লগে লগে অবশ্যে আকৌ সহজ হৈ গ'ল। কথা সুধিবই নালাগে, তেখেতে নিজেই কৈ গৈছে। মাজতে পানী গিলাছ খাই ল'লে। চাদৰৰ আগটোৰে কপালৰ ঘামখিনি মচি ল'লে।

তেখেত পৰিয়াল পৰিকল্পনাৰ কামত ঘূৰে। প্ৰচাৰ বিভাগৰ। 'জনাবুজা মানুহৰ ঘৰত বুইছেনে লেকচাৰবোৰ নামাৰো আৰু। নামধামবোৰ টুকি লৈ গুছি যাওঁ। কেনেবাকৈ কোনোবা এঘৰ বাদ পৰা বুলি ধৰা পৰিলে চাকৰীটো ৰখাই টান হ'ব। আপোনালোকৰো নাম ঠিকনাকে লওঁ দেই।'

মানিয়ে মূৰ দুপিয়াই সম্মতি জনালে। মানুহ গৰাকীয়ে ছপোৱা বহীখনৰ ফৰম এটা উলিয়াই প্ৰথমতে নিজৰ ফালৰ পৰা জনাবলগীয়া কথা কেইটামান জনাই ল'লে। অঞ্চল, ঘৰৰ নম্বৰ,

সময় আদিবোৰ। পিছত সুধি গ'ল আৰু মানিয়ে টপৰাই কৈ গ'ল—

নাম—শ্ৰীবিনোদ বৰকটকী

বয়স—একচল্লিছ বছৰ

জীবিকা—ঠিকা আৰু ব্যবসায়

স্ত্ৰী—শ্ৰীমতী মিনতী বৰকটকী

বয়স—বত্ৰিছ বছৰ

ল'ৰা-ছোৱালী—

এইবাৰ কিন্তু লগে লগে উত্তৰ নাহিল। মানুহ গৰাকীয়ে তলমূৰকৈ কথাবোৰ লিখি গৈছিল। এইবাৰ মূৰ দাঙি চাব লগা হ'ল। দেখি অবাক হ'ল। মানিৰ মুখখন শেতা পৰি গৈছে। কপালত অকণি অকণি টোপালৰ ঘাম ওলাইছে আৰু আগৰ দৰে পোন হৈ নাথাকি লাহেকৈ চকীখনত আউজি দিছে। ঠিক সেই মুহূৰ্ত্ততে মানুহ গৰাকীয়ে মূৰ দাঙি চোৱাটো চকুৱে চকুৱে পৰাত লাহেকৈ কৈ থলে—"নাই -"

সেইটোৱেই বিড়ম্বনা, সেইটোৱেই অসুখ, সেইটোৱে মানিৰ আৰু বিনোদৰ চিন্তাৰ কেন্দ্ৰ। বিয়াৰ আজি দহ বছৰ উকলি গ'ল। প্ৰথম পাঁচ কি ছবছৰ ভালেৰেই গ'ল। মাজে মাজে চিন্তা হোৱা নাছিল এনে নহয়। সেয়ে গভীৰ হৈ গ'ল যোৱা প্ৰায় তিনিবছৰ মানৰ পৰা। কথাটো ওলালেই মানিৰ বুকুখন চপ চপাবলৈ ধৰে। মুখখন শেতা হৈ যায়। গাল কপাল ঘামিবলৈ ধৰে আৰু ঠিয় হৈ থাকিলে বহি দিয়ে বা বহি থাকিলেও চকীতে হওক, বিছনাতে হওক, অৱশ হৈ গাটো এৰি দিয়ে।

ডাক্তৰক দেখুৱাইছিল। কেনো তেনে চকুত পৰা অসুখ নাই। অসুখটো মেলাংকলীয়া ধৰণৰ। মন লাগে। তাকে দিয়ক। মনটো ভৰাই ৰাখক। ইকালে সিকালে ফুৰক। ঠাট্টা, মস্কৰা, হাঁহি ধেমালিৰে সময় পাৰ কৰি দিবলৈ চেষ্টা কৰক।

চেষ্টা নকৰাকৈ থকা নাই বিনোদে। লগা-ভগা, অঙহি-বঙহী বিনোদৰ নাই বুলিলেই হয়। সেই বাবে অকলশৰীয়া প্ৰচেষ্টাৰে যিমানদূৰ সম্ভৱ মানিক ইঁহঁতৰ বাই ৰাখিবলৈ যত্ন কৰিছে। নিজৰ কামৰ হেঁচা চম্ভালিও পিছফালৰ ওলোমা বাৰাণ্ডাত পৰা পক্ষত যিমান বেছি সময় পাৰে মানিৰে স'তে বহি লাগ-বান্ধ নোহোৱা কথা পাতি সময় কটাই দিছে। আজৰি উলিয়াই ফুৰিছে। আনকি দিনত কাম কৰি থকাৰ মাজৰ পৰাও সুবিধা উলিয়াই ক'ৰবাৰ পৰা ফোন কৰি খবৰ লয় আৰু মাজে মাজে গৰুৰে গছত উঠি আম পাৰি খোৱা খবৰটো কালিৰ কাগজত পঢ়িলেনে সুধি ধেমালিও কৰে। ফল ধৰা নাই। কেতিয়াবা বেছ গহীন হৈ মানিয়ে কৈ দিয়ে "কি-টো হ'ব আৰু।"

ডাক্তৰ দৰৱ, মঠ-মন্দিৰ, সাধু-সন্ন্যাসী, তাবিজ-কৱচ, পূজা-পাতল একো বাদ দিয়া নাই বিনোদে। যেয়ে যিহকে কৈছে বা মানিয়ে যিহকে ভাবিছে তাকে কৰিছে। সাধ্যই আঁতে মানে কৰিছে। কাম হোৱা নাই। তেতিয়াও মানিয়ে কয়—"কি-টো হ'ব আৰু।"

আজি এবছৰ মানৰ আগতে কথা আঁচনি এটা কামত খটুওৱাৰ কথা আছিল এই কেইদিনত। কোনোবা এজন দক্ষিণ ভাৰতৰ পণ্ডিতে মত দিছিল পুৰীৰ জগন্নাথ মন্দিৰত এখন ধ্বজা দিয়াব লাগে আৰু ভোগৰ বাবে এটা দান দিব লাগে। এ হেজাৰৰ ওপৰ টকাৰ। তাকে মাজত শূন্য নাৰাখিব, ধৰক এ হেজাৰ এশ এথাৰ টকা বা ছু হেজাৰ ছুশ বাইচ, তেনেকৈ।

মানিয়ে মনেৰে মানি ল'লে কথাটো। ঠিক কৰিলে পাঁচ হাজাৰ পাঁচ শ পচপন্ন টকা দিব। বিনোদ আনন্দেৰে সম্মত হ'ল। কিবা এটা হয় যদি জগন্নাথৰ অপাৰ কৰুণা। আৰু হ'বই। নহ'লে মানি ইমান উৎফুল্ল হৈ নপৰে। কথাটো ঠিক কৰিয়ে মানি যেন সুস্থ হৈ প'ল। মুখলৈ হাঁহিৰ লগতে তেজ আহিল। নিজে

লাগি ছুই এটা কামত হাত দিলে। বিনোদৰো মনে সাময়িক শান্তি পালে।

সিদ্ধান্তটো হ'লহে হয়। লগতে মানিয়ে ছুটামান চৰ্ত্ত লগাই দিলে। সেই টকাৰ পৰিমাণটো একেবাৰতে হোৱা আৰ্জনৰ অংশ হ'লে ভাল। তোমালোকৰ ঠিকাৰ কামত চেৰ ফাকি। তেনে ফাকি-ফুকা থকা কামৰ লাভ হ'লে নহ'ব। সজ ভাবে, কষ্ট কৰি অৰ্জা টকাৰ পৰা হোৱা লাভেৰেহে এই ইচ্ছা পূৰণ কৰিব লাগিব। আবেগৰ কথা, তাত কোনো যুক্তি নাখাটে।

বিনোদে কৈছিল ধাৰ কৰিও সেইখিনি টকা যোগাৰ কৰিব পাৰি। ধাৰ পাব। পিছত লাগিলে মানিয়ে কোৱা মতে খাটি ধাৰ শুজিব। নহ'ব, তেনেকৈ হ'লে কষ্ট ক'ত কৰা হ'ল ?

বাট চাব লগা হ'ল। পুৰীৰ মন্দিৰ সঞ্চালকৰ লগত যোগাযোগ কৰি বিনোদে জানিব লগাখিনি জানি থ'লে। আৰু অলপতে টকাখিনি হাতলৈ অহাৰ সুযোগ আহিল এটা। গুৱাহাটীৰ যুদ্ধৰ সময়ৰ প্ৰস্তুতিৰে বহুত কাম হৈ আছে। তাৰে এটা কামৰ বাবে, পচাসৰৈ হাজাৰ টকাৰ ঠিকা এটা বিনোদে পাইছে। হিচাব কৰি চালে বিনোদে। মানিয়ে বিচৰা মতে কৰিলেও নাই বুলি আঠ ন হাজাৰ বাহি হ'ব। সুন্দৰকৈ আটিব। বাবাওতা বহি আলোচনা কৰি দুয়ো ঠিক কৰিলে ফাইনেল পেমেণ্ট হ'লেই গুছি যাব।

সেই মতেই যা-যোগাৰ কৰা হ'ল। অসমীয়া পাটৰ পতাকা এখনো সীয়া হ'ল। ঘৰতে, মানিয়ে নিজে আথে-বেঠে চিলাই কৰিলে। থকা মেলাৰ বিষয়ে যোগাযোগ কৰা হ'ল। বেলৰ ৰিজাৰ্ভেছনো—অৰণ্যে হাতত সময় ৰাখি।

সকলোতে মানিৰ অসীম উদ্যম। বিনোদে বাহিৰে বাহিৰে মাথো ছুই এটা কথাৰ খবৰ ৰাখিছে। নহ'লে ঠিকাৰ কামত হেলা কৰিব পৰা নাই। কৰ্তৃপক্ষতকৈ সেই বিষয়ত মানিয়েহে ভাবক

বেছি। বিনোদে মানিৰ ইচ্ছাক আওহেলা বা অসম্মান কৰা নাই। প্ৰায় পূজা কৰাৰ মনেৰে এইটো ঠিকাৰ কাম চাইছে। মহৰীৰ পৰা বন্নুবালৈকে কাৰো মনত অকণো অসন্তোষ নিদিযাকৈ, দৰকাৰ হ'লে লগাতকৈ দুপইচা সৰহকৈ খৰছ কৰি কাম কৰি গৈছে। গতিকে চালেও কোনেও খুঁট ধৰিব পৰা নাই। আৰু চাইছেনো কেনে? চাবৰ সময ক'ত?

ফলত ফাইনেল বিল কৰিবৰ সমযত দেখা গ'ল লাভৰ পৰিমাণ কমি ছয সাতৰ পৰ্য্যায়লৈ নামিল। হওক, কথা নাই। আগ কৰা ধনৰ পৰিমাণ থাকি যাব। সেযে আনন্দৰ কথা।

পিছে আনন্দ থবলৈ ঠাযে নাটিলে। মাটিলৈ পৰিল, ফাইনেল বিলখন দাখিল কৰিবলৈ গৈ মুখ্য বিষযাজনক লগ ধৰোতে। পেমেণ্ট কৰোতে পলম হোৱা নাই। নহযও। তথাপি একাউণ্টেণ্টজনে বোলে বিষয়াই বিনোদক লগ পাব খোজে।

টপা মানুহজন। শকত, বগা, চকুৰে হাঁহে। তেখেতেই ক'লে—'আপোনাৰ পৰা দহ হাজাৰ ৰাখিম।'

বিনোদে প্ৰথমতে ধৰিব পৰা নাছিল। তেখেতেই ক'লে—'মোক দিযা এইখন তিনি নম্বৰ বহী চাওক, প্ৰায শেষেই হ'ল। পাঁচ লাখ টকা তুলি দিব লাগে মোৰ এই কাৰ্য্যালয়ৰ পৰা। দিছেও, আপোনাৰ লগৰ সকলেই দিছে।'

বিনোদে জানে এটা বিশেষ উপলক্ষ্য আছে। তালৈ দান বৰঙণি আদায় কৰিবলৈ এই সকল বিষযাকো ভাৰ দিয়া হৈছে। অৱশ্যে পৰোক্ষভাবে। ৰছিদত চহী কৰি থোৱা আছে আনে। কেৱল টকাৰ পৰিমাণবোৰ লিখি দিলেই হয়। নামত দান, দিওঁতাৰ ইচ্ছামতে আগবঢ়োৱা ধন। পিছে এইবোৰ ক্ষেত্ৰত বিলৰ পৰা কাটি থোৱা হয়।

দহ হাজাৰ। দহ হাজাৰ টকা দিলে বিনোদ ধ্বংস হৈ নাযায়। কিন্তু এইখন বিলৰ পৰা। মানিৰ উছৰ্গা, মানিৰ আবেগ,

মানি-বিনোদৰ মনৰ একান্ত পুঞ্জীভূত আশা, দুযোৰে উমৈহতীয়া সপোন এইখন বিলতে যে সোমাই আছে!

বিনোদে জানে এই সময়ত কোনো কাকুতি কামত নাহে। কিন্তু এইখন বিলত লাভো যে দহ হাজাৰ নহয়। কলে কথাটো বিষয়া জনক।

'থৈ দিয়ক হে। আনবোৰৰ কেনেকৈ লাভ হৈছে? কেলেই আপোনাৰ সমান ঠিকা পোৱা অৰ্জুন সাহুৱে দেখোন যাচি দিছে পোন্ধৰ হাজাৰ টকা।'

'বিশ্বাস কৰক চাৰ। মোৰ দহ হাজাৰ নাথাকে এইবাৰ। মই খুব যত্নে'ৰে, খুব ভালকৈ কাম কৰিছো লাগিলে আপুনি মোৰ হিচাববোৰ চাওক—।'

'কোনে কৈছিল আপোনাৰ "ভালকৈ" কাম কৰিবলৈ?'

হয়োতো। এইটোও এটা অদ্ভুত যুক্তি। লজিক। ভালকৈ কাম কৰিলে আপোনাৰ লাভ নাথাকে। সৰহকৈ লাভ নহ'লে বৰঙণি সৰহ নহয়। বৰঙণি সৰহ নহ'লে তিনি নম্বৰ বহীৰ পাত নভৰে। আৰু সেইখন পূৰা নহ'লে আপুনি "ইমিডিয়েট নেক্সট" ঠিকাবোৰ কেনেকৈ পাব। চিন্তাৰ কথা।

তেওঁ বুলি, এইখন বিল পূৰাই পোৱাটো বিনোদৰ বাবে একান্ত আৱশ্যক। বিনোদৰ, মানিৰ মানসিক শান্তিৰ বাবে। মানিৰ মুখৰ হাঁহিটো মাৰ নোযোৱাকৈ ৰাখিবৰ বাবে। আৰু কোনে জানে এই আঁচনিটো কাৰ্যকৰী কৰিলে জানোচা মানিৰ বুকুখনো ভৰে। জানোছা মানি মাক হৈ যায়।

বিনোদে বুজে দহ হাজাৰ টকা কাটি থলে বেঙ্কৰ টকাৰে লোকচান পূৰাব পৰা হ'ব। কিন্তু পুনীলৈ যোৱা নহ'ব। সেইটো চৰ্ত্ত বিনোদে মনেৰে মানি থৈছে। সেইটো ভঙাৰ মনোবল বিনোদৰ নাই। মাজতে মাত্ৰ এটা বাধা থিয় হ'ল হি।

হ'ব। ইয়াৰ পিছৰ কামৰ পৰাই আকৌ পাঁচ হাজাৰ পাঁচশ পচপন্ন টকা ৰাহি কৰিব পৰা হ'ব মানিৰ চৰ্ত্ত অক্ষুণ্ণ ৰাখিও। কিন্তু এইবাৰৰ সকলো আয়োজন স্থগিত ৰাখিব লগা হ'ল। তাকে এতিয়া মানিক কয় কেনেকৈ। সেই মুহূৰ্ত্তত সেইটোৱেই বিনোদৰ আটাইতকৈ ডাঙৰ চিন্তা।

বৰ্ত্তমান আঁচনি স্থগিতকৰণৰ প্ৰস্তাবটো গ্ৰহণযোগ্য কৰি উত্থাপন কৰিব পাৰিলেই কিন্তু উপায় ওলাব, অলপতে পাবলগা আন এটা ঠিকাৰ ফাইনেল পেমেণ্ট মাৰ্চৰ একত্ৰিশ তাৰিখৰ আগতে পাব। গতিকে বিছুৰ আগে আগে গলেও হয়। বা, আন উপায়ে জোৰা মাৰি বৰঙণিখিনি দিও লেঠাটো মাৰি দিয়া যায়।

নোবাৰি। এইটো মহৰীক দৰ্মহা দিয়া, বনুৱাক মজুৰি দিয়া, ইটা-বালি-চিমেণ্টৰ দাম দিয়াৰ দৰে কথা নহয়। ইফালৰ টকা সিফালে খটুৱাই, বেঙ্কৰ পৰা দৰকাৰ পৰিলে, ওপৰঞ্চিকৈ উলিয়াই হ'লেও দিব পৰা কথা সেইবোৰ। এতিয়াৰ আঁচনিত বিনোদ চুক্তিবদ্ধ। সেই চুক্তি সংস্কাৰ, বিশ্বাস আৰু আবেগে সীমাবদ্ধ কৰি থৈছে। গোটেই কথাটোকে এটা গণ্ডীৰ ভিতৰলৈ আনি থোৱা আছে।

তাকে কৰি, এইবাৰৰ ঠিকা সন্দৰ্ভত সকলোবোৰ লেঠা বিনোদে আগতীয়াকৈ মাৰি থৈছে। মনে মনে ঠিক কৰা আছে, ফাইনেল পেমেণ্টৰ চেকখন ভঙাই হাতলৈ অহা গোটেইখিনি টকা মানিৰ হাতত দি দিবহি। তাৰ পৰা মানিয়ে নিজে লেখি আগ কৰা টকাখিনি বেলেগে টোপোলা বান্ধি থ'ব। পত্তাকাৰ বাবে অনা পাটৰ কাপোৰেৰে থুনীয়াকৈ সক মোনা এটাও চিলাই কৰি থোৱা আছে তাৰ বাবে।

কিন্তু কৰ্ত্তৃপক্ষই, কৰ্ত্তৃপক্ষৰ মুখ্য বিষয়াই চেক চুখন কৰাৰ হেনো। এখনত বিনোদে বিশেষ উপলক্ষটোৰ নামত এনডৰ্ছ' কৰি দিব লাগিব। আমখন নিজৰ। নিজৰখনৰ টকা নিচেই তাকৰ।

হয়। তাৰ লগত আন ঠাইৰ টকা গোটাই বিনোদে মানিৰ হাতত সহজতে লগা টকাখিনি গোটাই দিব পাৰে। বিনোদে তাকে নকৰে। কৰিলে মানিক ফাকি দিয়া হ'ব। আঁচনিটো দুয়োৰে একান্ত আপোন। বিনোদ মানিৰ মনৰ সান্নিধ্য অতি নিবীড়। অতি ওচৰ। সক সুৰা ফাকিৰে তাত ফাঁক উলিয়াব নোৱাৰে বিনোদে। সেইটো কৰিবলৈ সাহ নাই, গুত নাবায়।

বিনোদে এইটোও বুজা নহয় যে টকা টকাই। য'ৰ পৰাই নাহক টকাৰ মূল্য একেই। বিনোদেতো নিজে, কষ্ট কৰি অৰ্জা টকাকে খৰছ কৰিব খোজে। দেশ বিদেশত কত লোকে আওপাকে অৰ্জা টকাৰেও দানপুণ্য কৰিছে, সেইটো কোনে নাজানে? তথাপি উপায় নাই। বিশ্বাস মনোবলৰ একমাত্ৰ উৎস। বিশ্বাসত কেৰোণ লগাব নোৱাৰি। বিশেষকৈ নোৱাৰি সেই বিশ্বাস, সেই আবেগ মানিৰ স'তে যুটীয়াভাৱে হোৱা বাবে।

বিনোদৰ উপায় নাছিল।

যথেষ্ট দীঘলকৈয়ে পতনি মেলিছিল বিনোদে। পতনিয়ে পিছে একো ঢাকিব নোৱাৰিলে। তিনি-চাৰি মাহৰ পিছতে এই প্ৰস্তুতিৰেই পুৰীলৈ যাব পৰাৰ নিশ্চয়তাৰ কথাও ক'লে। মানিয়ে মাথো ক'লে—"এতিয়াই, ইমানকৈ সাজু হৈও নহ'ল যেতিয়া কি-টো হ'ব আৰু।"

কথাষাৰ সহজভাবেই কৈছিল মানিয়ে। বিনোদে মানিৰ মুখলৈ চাব নোৱাৰি ব্ৰহ্মপুত্ৰলৈ চাই আছিল। হঠাৎ হাতত এটা হাপ পাই ঘূৰি চাই দেখে মানি ঢলি পৰিছে। মুখখন শেঁতা। কপালত ঘাম ওলাইছে। "কি, কি হ'ল মানি?" বুলি মানিৰ মূৰটো তুলি ধৰিলে। মানিৰ মুখত মাত নাই।

বিনোদেই আকৌ ধৰি মেলি তুলি শোৱা কোঠালৈ লৈ গ'ল মানিক, আনকাল ইমান অৱশ নহয়। আজি কথাটো বেলেগ বেলেগ যেন লাগিছে। লৰাটোক ডাক্তৰলৈ ফোন কৰিবলৈ কৈ বিনোদে

ফেনখন খুলি দিলে। লবালবিকৈ পানী এগিলাছ আনি মানিৰ চকুৰে মুখে ছটিয়াই দিলে। সেই বাবেই নেকি, মানিয়ে চকু দুটা মেলি দিলে। লাহেকৈ ক'লে—'মোক জোৰেৰে সাবটি ধৰাছোন এবাৰ।' বিনোদে মানিৰ মুখৰ কথা শেষ হোবাৰ আগতে মানিক সাবটি ধৰিলে। আলফুলকৈ কপালখন মছি দিলে। দুয়ো গালে দুটা চুমা খাই ক'লে—'ইমান ভাবেনে মানি? দুদিন মান ৰবা ছোন, তোমাৰ ইচ্ছাক কোনেও নেওচিব নোবাৰে।' আৰু কিবা ক'ব খুজিছিল। মানিয়ে বাধা দিলে। বুকুৰ তলত হাতখনেৰে হেঁচা দি ধৰি অফুট মাতেৰে আকৌ ক'লে—'মোৰ বুকুখন ভৰি গৈছে। তুমি কোৱাৰ দৰেই।' বিনোদে একো নক'লে। মানিযে কৈ গ'ল— 'এইবাৰ বুকু উপচি যাব। এইবাৰ অসহ্য বিষ ।'

আৰু নোলাল কথা। চকু দুটা মুদি মুখখন একতীযা কৰি শুই দিলে।

বিনোদে ধৰিব পৰা নাছিল মানিযে যে হাৰ্ট ফে'ল কৰিলে ডাক্তৰ আহিহে কলেহি। বিনোদ থৰ হৈ গ'ল। নিস্পলক দৃষ্টিৰে চাই থাকিল মানিৰ প্ৰশান্ত মুখখনলৈ।

আচৰিত হৈ ডাক্তৰে যেতিযা সুধিলে কিনো হৈছিল বুলি, বিনোদে কৈ গ'ল। অকণো আঁৰ নকৰাকৈ, মানিৰ মুখৰ পৰা চকু নাতৰোৱাকৈ, চকুলৈ এটোপো পানী আহিবলৈ নিদিযাকৈ কৈ গ'ল। হাতত টকা থাকিও চুক্তিৰ বাবে হোবা অসহায়তাৰ কথাও কৈ দিলে। এতিয়াহে যেন মুকলিভাৱে বিনোদৰ মনৰ গোটেইখিনি কথা ওলাবলৈ সময় পালে।

ডাক্তৰৰ বয়স হৈছে। বিনোদৰ ঘৰলৈ বহুত বাৰ আহিবলগা হৈছে। মানিৰ বাবেই। সেই বাবে দুয়োকে কিছু বুজে। মৰমো কৰে। বহুত সময় বৈ থাকি—ক'লে—'কেইখ হীলছ বিনোদ, কেইখ কিলছ অলছ'।'

নিঃসঙ্গতাই নিষ্ঠুৰভাৱে নিপীড়ন কৰিছিল মানিক। যোৱা তিনি বছৰবো অধিককাল হেপি থুন্দি মানিক নিস্তেজ, অৱশ কৰি পেলাইছিল। শাৰীৰিক অসুখ নোহোৱাকৈয়ে মানি দুৰ্বল হৈ পৰিছিল। চিন্তাৰ জুয়ে পুৰি আদখিনি কৰি পেলাইছিল।

সেই কুৰা জুই বিনোদৰ গাত লগাই সোৱা চোঁৱা, কিমান নিশ্চিন্তভাৱে, নিৰ্বিকাৰভাৱে, গভীৰ চৌপদীত থকাৰ দৰে চকু মুদি চিতাৰ জুইত নিজকে সঁপি দিলে মানিয়ে।

তিনি নম্বৰ বহীৰ পাত পুৰাবলৈ উদ্‌গ্ৰীৱ হৈ থকা মুখ্য বিষয়া জনে ফাইনেল পেমেণ্ট নিবলৈ বিনোদ বৰকটকী নহা বাবে খবৰ কৰি, অঘটনৰ কথা জানিব পাৰিলে। তেখেতে নিজেই সেই বাবে তদাৰক কৰি চেক লিখাই একাউণ্টেণ্ট জনক বিনোদৰ ঘৰলৈকে পঠাই দিলে। এখন চেক, বৰগুণি কাটি ৰাখিবলৈ তেখেতবো কিবা বেজাৰ লাগিল বোলে।

চেকখন হাতত লৈ আহি বিনোদ পিছফালৰ বাৰাণ্ডাত বহিলহি। সৰু টেবুলখনত ছাইদানীটোৰে চেকখন হেচি থ'লে। চেকখনৰ পৰিমাণ মানিয়ে আগ কৰা পৰিমাণতকৈ বহুত ওপৰৰ। তাতো অৱশ্যে দশমিকৰ দুয়ো ফালে, বোলগ বেলেগ ঠাইত দুটা শূন্য আছে। সেইকেইটা পুৰাবৰ কোনো প্ৰয়োজন নাই।

কেলেই, বৰগুণিখিনি নকটাৰ সিদ্ধান্তটো সেই টপা, শকত, চকুৰে ইহা বিষয়াজনে দুদিনৰ আগতে কৰিব নোৱাৰিলোহঁতেন জানো।

উমানন্দৰ কাষৰ পকী খুটাটোত চকু পৰিল বিনোদৰ। দিব নেকি চেকখন দলি মাৰি। নাই নাবায় কাগজখন ইমান দূৰ। দলি এটা? নাই সিও নাযায়। কিমান দূৰ হ'ব বাক খুটাটো? দুশ ফুট? চাৰিশ ফুট? নহয় তাতকৈও বেছি। চাৰিশ ফুটৰ হয়তো আক চাৰিশ গুণ হ'ব। কিমান হ'ব দুয়োটা সংখ্যা পূৰণ কৰিলে?

বেহ কোনে পূৰণ কৰি মৰে। তাতো এগালমান শূন্য হ'ব!

ঈশ্বৰক জীয়াই ৰাখিবৰ বাবে

আমাৰ এই কাহিনীৰ স্থান, কাল আৰু পাত্ৰ সন্দৰ্ভত পাঠক-পাঠিকাক সঁকিযাই থোৱা ভাল যে আজি সেইবোৰৰ লগত পৃথিবীৰ কোনো সমাজ খাপ নাখায। বুৰঞ্জীয়ে ক'ৰবাত কেনেবাকৈ এনে সম্ভাৱনাৰ কথা আঙুলিয়াই দেখুৱালেও আমি পতিয়ন যাবলৈ সঙ্কোচ কৰিম। পিছে আমাৰ ইচ্ছা অনিচ্ছাৰ ওপৰত কাহিনীৰ কথা ভাগে নিৰ্ভৰ নকৰে।

এই কাণ্ড কেতিয়া সংঘটিত হৈছিল সুধিলে উত্তৰ দিয়া টান। এশ বছৰ, পাঁচশ বছৰ বা এহেজাৰ বছৰ আগতে হ'ব পাৰে। কিন্তু সেই কালত সামন্ত শাসন প্ৰবৰ্ত্তিত আছিল। ৰজা মহাৰজাৰ শাসন সুচাৰুৰূপে চলোৱাত সহায় কৰিছিল এচাম বৰুৱা-হাজৰিকা আদি বিষয়াই আৰু তেওঁলোকে ৰায়ত বা সাধাৰণ প্ৰজাক নিত্য ব্যৱহাৰ্য আচবাব বা হালৰ গৰু, ঘোঁৰা আদিৰ সমানেই ভাল পাইছিল। ধৰ্মৰ প্ৰভাৱ আছিল অটুত আৰু তাকে চৰ্চা কৰিছিল কাম কৰিব নলগা আৰু পেট ভৰাই খাবলৈ পাই থকা শ্ৰেণীৰ লোকে। আনবিলাকে আজৰি নাপাইছিল বাবে প্ৰাৰ্থনা বা উপাসনা কৰাৰ কথা ভাবিব নোৱাৰিছিল। আৰু সেই বাবেই আচল ঈশ্বৰ নো কোন চিনিকে নাপাইছিল।

ধৰ্মগুৰুসকলে উপলব্ধি কৰিছিল সেইটো পৰম করুণাময় ঈশ্বৰৰ এটা অভিশাপ। এই অভিশাপ মোচনৰ উপায় ভাবি বহুত ৰাতি টোপনী নোহোৱাকৈ কটাব লগা হৈছিল দেশৰ প্ৰধান পুৰোহিত জনৰ।

চিন্তা কৰিবলৈ অফুৰন্ত সময় থকা সকললৈ এই চিন্তা শত্ৰুৰ ৰূপলৈ সংক্ৰমিত হৈ পৰিল। দিনটোৰ কায়িক পৰিশ্ৰমৰ বাবেই এই সাধাৰণ ৰায়তবোৰে যদি ঈশ্বৰলৈ পিঠি দিয়ে, পেট ভৰাই খাবলৈ নোপোৱাৰ দুখতে যদি সিহঁতে প্ৰাৰ্থনা কৰিবলৈ ইচ্ছা নকৰে, ঈশ্বৰৰ কোপানলে দেশ ছাৰখাৰ কৰি নেপেলাবনে। ইয়াৰ অধম এই মানুহৰ গছৰ পশুবোৰ।। এই উপলব্ধি বিয়পি পৰিল কাম-চোৱা ৰকবাইঁতৰ মনলৈ। তাৰে প্ৰতিফলন দেখা গ'ল তেওঁলোকৰ সোকা চলোৱা বেগত।

প্ৰধান পুৰোহিতে আনে শুনাকৈ ভাবিলে এটি মন্দিৰ সাজি পৰমেশ্বৰৰ নামত উছৰ্গা কৰাৰ কথা। দেশৰ ৰজাই তাকে ইচ্ছাৰূপে আদেশ কৰিলে। আদেশ কাৰ্যকৰী কৰাত মন-প্ৰাণ ঢালি দিলে সামন্ত বিষয়াসকলে। একো সুবুদ্ধিৰ মাথো কৰ্মৰত ৰায়ত প্ৰজাই। স্থিৰ হ'ল, মন্দিৰৰ বাবে প্ৰয়োজন হোৱা শ্ৰম নিৰ্বোধ আৰু ঈশ্বৰ-বিমুখ ৰায়তে বিনামূলীয়াকৈ দিব লাগিব। মজুৰী পোৱা কৰ্মচাৰীসকলে দৰমহাৰ একাল ৰৰগুণি দিব। বিষয়াসকলে দিহা পৰামৰ্শ দিব। সোকাৰ যোগান ধৰা হ'ব ৰজা ঘৰৰ পৰাই।

নক্সা প্ৰস্তুত হ'ল। ঠাই বছা হ'ল। ইটা, বালি, চুৰকি গোট খালে। ডাঙৰ ডাঙৰ কাঠৰ কুণ্ডা বগৰাই বা কঢ়িয়াই অনা হ'ল। তাকে কৰোঁতে দেহা পেলোৱা বন্ধুৱাকেইটাৰ শকেইটা আন বন্ধুৱাই টানি লৈ গৈ আকৌ হাবিৰ মাজত পেলাই থৈ আহিলগৈ। সেইদৰেই মন্দিৰৰ ঠাইকণ চিকুনাই, পৰিষ্কাৰ কৰি পবিত্ৰ কৰা হ'ল।

পুৰোহিতে মন্দিৰৰ ভিত্তি স্থাপনৰ দিন ঠিক কৰি কি কি কৰিব লাগিব বিজ্ঞংকৈ বুজাই দিলে আৰু সেইমতেই সকলো বন্দোবস্ত কৰি পেলোৱা হ'ল।

এনে সুন্দৰ, পবিত্ৰ দিনটো উৎসৱৰ পৰিবেশেৰে মুখৰিত কৰি তুলিবলৈ ৰজাঘৰীয়া নিৰ্দেশ ৰাইজসকলক জনাই দিয়া হ'ল। তাতে আকৌ, চুবুৰীয়ে চুবুৰীয়ে সেই নিৰ্দেশ দি ফুৰা মানুহকে একনাগাৰী

গাভক তিৰোতাক কোবা হৈছিল তেওঁ যেন উছৱলৈ যাওঁতে পেৰাত থকা ভাল সাজ পিন্ধি যায়। তেওঁৰ চাৰিবছৰীয়া ল'ৰাটোক যেন সেই দিনা গা ধুৱাই নিয়া হয়। আন বহুতকে তেনেকৈ বেলেগ বেলেগ নিৰ্দ্দেশ শুনোৱা হৈছিল।

ধূপৰ ধোঁৱাই গোটেই অঞ্চলটো সুবাসিত কৰি পেলালে। প্ৰধান পুৰোহিতে দিয়া দিহা মতে প্ৰথম খুটাটো থিয়কৈ পোতা ঠাইকণ প্ৰস্তুত কৰা হ'ল। ডাঙৰ ডাঙৰ শিলৰ টুকুৰাকেইটা ধুনীয়াকৈ সজাই থোৱা আছে। খুটাটো শাল কাঠৰ, ধুনীয়াকৈ চঁচা। ছহাত মানত খাঁজ কাটি কিবা নক্সা অঁকা আছে। সেইটো তুলিবলৈ এমুৰে কেবাডালো শকত ৰছি বন্ধা আছে। সেইবোৰত ধৰি টানিবলৈ বণুৱা এজাক ভাগে ভাগে থিয় হৈ আছে।

খুটাৰ বাবে খান্দি থোৱা গাঁতটোৰ কাষতে এটা ভেটি বান্ধি থোৱা হৈছে। কেঁচা ভেটি। দেখিলেই বুজা যায় সেইটো কেবল আজিৰ উছৱৰ বাবেই বন্ধোৱা। মছি কাছি চিকুনাই থোৱা আছে। তাৰ ঠিক মাজতে এটা ধুনীয়া কাঠৰ বাকচ। বাকচটো দূৰৰ পৰাই ধৰিব পাৰি, ভাল কাঠৰ। ওপৰত বন কৰা। ঢাকনীখন কব্জা লগোৱা আৰু ছুপতীয়া। জোখত দীঘে বহলে সমান, এমুঠিনমান হ'ব। ওখই ডেৰহাত মান। সাঁকৰ খোলা আছে।

খোলা বাকচটোৰ কাষতে থিয় হৈ আছে এটা দ'ত যেন মানুহ। বণুৱাও নহয়, বিষয়াও নহয়। মাজৰ চামৰ। তেওঁ চাই আছে এডোখৰ প্ৰশস্ত ঠাইৰ পৰা গোটেইবোৰ পৰ্যবেক্ষণ কৰি থকা প্ৰধান পুৰোহিত আৰু তেওঁৰ ঘনিষ্ঠ সহকৰ্মীজনলৈ।

এই সহকৰ্মীজনৰ হাতত এডাল চেপেটা লাঠি। তাতে ছবিৰ আখৰেৰে কিছুমান প্ৰাৰ্থনাৰ মন্ত্ৰ লিখা আছিল। সেই লাঠি ডাল মাটিত টুকুৰীয়াই তেওঁ সময় আৰু কামৰ দিহা দিছিল।

তেনে এটা ইংগিত পায়েই বাকচৰ ওচৰত থকা সেই কিবাটি মানুহটো খীতকৰে নৈ থকা মানুহবোৰৰ কাষে আগবাঢ়ি গ'ল।

গোটেইবোৰ মানুহৰ চকু পৰিল মানুহটোৰ গতিপথত। সেইকালে উৎসুক দৃষ্টিৰে থিয় হৈ আছিল, চাৰিবছৰীয়া, ফুট-ফুটীয়া ধুনীয়া ল'ৰাটোৰ পিঠিত হাত দি সেই গাভৰু তিৰোতা গৰাকী। মানুহটো পোনে পোনে তেওঁৰ কাষলৈ গ'ল। ল'ৰাটোৰ পিঠিত দি থকা হাতটো একৰাই আনখন হাতেৰে ল'ৰাটোৰ এটা বাউসীত ধৰি টানি লৈ গ'ল।

প্ৰথমতে কোনেও একো তৰ্কিবই নোৱাৰিলে। গাভৰু মানুহ-জনীয়েও একো ধৰিব নোৱাৰিলে বহুত সময়।

মানুহটোৱে ল'ৰাটো লৈ গৈ সেই ভেটিটোত আকৌ থিয় হ'লগৈ। এহাতেৰে ল'ৰাটো ধৰি চালে পুৰোহিত আৰু তেওঁৰ কাষৰ মানুহজনলৈ। দুয়ো বিৰবিৰকৈ কিবা মন্ত্ৰ মাতি আছে।

এবাৰ এটা ইংগিত পাই মানুহটোৱে ল'ৰাটো দুহাতেৰে দাঙি খোলা বাকচটোত থিয় কৰি দিলে।

মন্ত্ৰমুগ্ধ মানুহবোৰে তেতিয়াও একো ধৰিব পৰা নাছিল। ল'ৰাটোৰ মাকৰ চকুত অপাৰ বিস্ময়। এখোজ আগ বাঢ়ি যাব খুজি যাব পৰা নাই। কোনোবা অদৃশ্য শক্তিয়েহে যেন বাধা দি থৈছে। গোটেই খোৱা সহস্ৰ দৰ্শকৰ চকু সেই মুহূৰ্তত স্থিৰ হৈ পৰিছে পুৰোহিতৰ চিকমিকাই থকা টকলা তালু আৰু মুখ মণ্ডলত।

পুৰোহিতৰ মুখত এটা অবৰ্ণনীয় অভিব্যক্তি। হাঁহো হাঁহো কৈ থকা মুখখনত এটা সুন্দৰ সমাহিত ভাৱ। হাতত থকা ডাঙৰ ডাঙৰ কাঠৰ মণিৰ জপৰ মালাডাল অবিৰতভাৱে চলি আছে। দূৰৰ পৰাই বুজিব পাৰি তেওঁ পৰম ভক্তিৰে পৰমেশ্বৰৰ নাম জপি আছে আৰু তাৰ মাজতে একান্ত প্ৰয়োজন হ'লে কাষৰ মানুহজনক প্ৰায় অদৃশ্য ইংগিতেৰে পিছ মুহূৰ্তৰ কামৰ নিৰ্দেশ দিছে।

খোলা বাকচটোত থিয় হৈ থকা ধুনীয়া ল'ৰাটোৰ মুখত এটা জয় মধুৰ হাঁহি। সিও ধৰিব পৰা নাই তাকলৈ এই পৰিস্থিতিত

কি ধেমালি কৰা হ'ব। ওচৰৰ দ'ভটোৰ গাত কলা আলখাল্লা এটা থকাহেতেন ঠিক সেই মুহূৰ্ত্তত এজন যাছুকৰ যেন লাগিলহেতেন। যেন চমক লগোৱাকৈ ঐন্দ্ৰজালিক বিদ্যা দেখুৱাই তেওঁ ল'ৰাটোক বাকচটোৰ ভিতৰতে অদৃশ্য কৰি পেলাব আৰু অগণন দৰ্শকৰ হৰ্ষধ্বনি আৰু হাতচাপৰিৰ মাজত, হাতৰ যাছু-দণ্ডেৰে আকৌ তাক তুলি ধৰিব। আৰু যেন তেনে এক আমোদজনক খেলাৰে এয়া এক প্ৰস্তুতি।

পিছে নহয। পুৰোহিতৰ কাষত থিয হৈ থকা মানুহজনে হাতৰ চেপেটা লাখুটি ডালেৰে ঠকঠককৈ কিবা ইঙ্গিত এটা দিলে। বাকচৰ কাষৰ বিৰাট মানুহটোৱে চাপৰি ল'ৰাটোৰ ছুই বাউসীত ধৰি হেঁচা মাৰি তাক বাকচটোত বহুৱাই দিবলৈ বল দিলে।

লগে লগে উপস্থিত সমূহ জনতাৰ চেতনা হ'ল। লগে লগে ল'ৰাটোৰ মাকে "পোনা কণ।" বুলি চিঞৰ এটা মাৰি আগ বাঢ়িবলৈ খোজ দাঙিলে। লগে লগে সম্মুখত পহৰা দি থকা ছুজন পৰীযাই তেওক আগচি ধৰিলে।

ল'ৰাটোৰ গঢ পুৰঠ। বাকচত সহজে নোসোমায়। সহজে বহিব পৰাকৈ আহলবহলকৈ সজোৱাও হোৱা নাই সেইটো। বাকচৰ জোখটো বিশেষভাৱে নিৰ্দ্দিষ্ট। গতিকে তাৰেই কাম চলিব লাগিব।

আৰু সেই বাবেই কাষতে থকা মানুহটোৱে বল প্ৰয়োগ কৰিব লগা হ'ল। ঠেক বাকচটোত হেঁচা মাৰি সুমাবলৈ লোৱা বাবে ল'ৰাটোৱে ছুখ পাইছিল। ভাতকৈও বিস্ময়ে তাক হতবাক কৰি পেলাইছিল। সেই কাৰণে "মা।" বুলি মৰা তাৰ চিঞৰটো মানুহৰ কাণত পৰোতে লগাতকৈ সৰহ সময় লাগিছিল।

লগাতকৈ এটি পলকো সময় যেন অবাৱত নাযায় সেই বিষয়ে আটাইতকৈ সতৰ্ক আছিল সহকাৰী পুৰোহিত জন। তেওঁৰ লাখুটি ডালৰ নিৰ্দ্দেশ খৰ হৈ গৈছিল। মন্দিৰ প্ৰতিষ্ঠাৰ এই

প্ৰাথমিক পৰ্বৰ সকলো পবিত্ৰ অনুষ্ঠানৰ তেঁৱেই নিৰ্দ্দেশক আৰু পোনপটীয়া সঞ্চালক। তেওঁৰ নিৰ্দ্দেশনাত ব্যাঘাত জন্মিলে বা ক্ৰমবিৱৰ্তি ঘটিলে গোটেই আঁচনিয়েই বিফল হৈ যাব পাৰে। এই পৰম পবিত্ৰ ধৰ্মীয় অনুষ্ঠান অপবিত্ৰ হৈ যাব পাৰে।

বাকচটোৰ সাঁফৰখন মাৰিবৰ আগ মুহূৰ্ত্তত ল'ৰাটোৰ হাত এখন ওলাই পৰিছিল। সেইখন জোকৰি সি ৰাবকাৰা শেষ চেষ্টা কৰি চাইছিল মাকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ। উপস্থিত হাজাৰ লোকৰ মাজত অভয় বিচাৰি, সহায় বিচাৰি মাতিবলৈ তাৰ বাবে মাকৰ বাহিৰে আন কোনো নাছিল। তাৰ হাত বাউলি মাকৰ চকুত পৰিছিল। তেঁবো গাৰ সকলো শক্তি প্ৰয়োগ কৰি পৰীয়া দুটাক ঠেলি আগ বাঢ়িবলৈ চেষ্টা কৰিছিল।

নিৰ্দ্দেশক পুৰোহিতে মাত্ৰ জানিছিল। বাকচৰ ভিতৰত থকা ল'ৰাটোৰ উশাহ বন্ধ হোৱাৰ আগতে প্ৰথম খুটাটো নিৰ্দিষ্ট ঠাইত থিয় হ'ব লাগিব। সেয়ে তেওঁৰ হাতৰ লাখুটিৰ নাচোন আগতকৈও খৰ হ'ল।

ল'ৰাটোৰ সতে বাকচটো অতি আলাসেৰে দাঙি লৈ গ'ল মানুহটোৱে। সাঁফৰখন এইবাৰ মৰা হ'ল। বাকচটো বহাকৈ খুটাৰ গাঁত খান্দি থোৱা আছিল। তাতে বহুৱাই দিয়া হ'ল। চেপেটা লাখুটিৰ নিৰ্দ্দেশমতে কাষত থকা মানুহবোৰে শিলৰ চপৰাকেইটা গাঁতলৈ ঠেলি দিলে। লগে লগে দীঘল বৰী কেই ডালত ধৰি থকা মানুহবোৰে নিৰ্দ্দিষ্ট দিশত টান মাৰিলে।

ল'ৰাটোৰ গাভৰু মাক মূছকচ গৈছিল। মূছকচ যোৱাৰ আগ মুহূৰ্ত্তত আকৌ এবাৰ চিঞৰ মাৰিছিল "মোৰ পোনাটোক কি কৰে?" বুলি। চকুৰে, হাতেৰে আকুতি জনাইছিল সমবেত সমূহ জনতাক, তেওঁৰ ল'ৰাটোক বাকচ খুলি উলিয়াই দিবলৈ। পৰীয়া দুটাই দুকালৰ পৰা ধৰি মানুহজনী এবাৰ থিয় কৰাব খুজিছিল। মুখ থেকেচা খাই পৰি গ'ল, নোৱাৰিলে।

দুটা মানুহে গৰা মাৰিব নোৱাৰা বিৰাট শাল গছৰ খুটাটো থিয হ'ল। তাৰ ভৰত তলৰ শিলকেইটা অলপ বহি গ'ল। তাৰো তলত থকা বাকচটো আৰু অলপ। ভিতৰত মোটোকা খাই প্ৰায় অচেতন হোৱা, চাৰিবছৰীয়া ল'ৰাটোৰে একেলগে উশাহ লোৱা আৰু মাকক মতা দুয়োটা কাম কৰিব খুজি দুযোটাতে বিফল হৈ অলৰ হৈ গ'ল। জীৱন্ত বুদ্ধ সদৃশ, প্ৰধান পুৰোহিতৰ প্ৰশান্ত সমাহিত মুখমণ্ডল এক অনাবিল তৃপ্তিৰে উদ্ভাসিত হৈ পৰিল। মুখৰ মন্ত্ৰ কাষৰ বহুতৰে কাণত পৰিল। তেওঁ যেন অবিৰাম উচ্চাৰণ কৰি আছে "ওম মণি পদ্মে হুঁ"।

কি অৰ্থ বাৰু এই মন্ত্ৰবোৰৰ? যেযে নহওক লাগে, পবিত্ৰ মন্ত্ৰৰ নিশ্চয একেটাই অৰ্থ হ'ব। মানে, হে পৰম করুণাময ঈশ্বৰ। এই নিৰ্বোধ, পাপী জনগণৰ কল্যাণৰ বাবেই তোমাক আমি সোঁৱৰো। এওঁলোকৰ ঐহিক উপকাৰ সাধিবৰ বাবেই তোমাক আমি উপাসা কৰিম আৰু তোমাক উপাসা কৰিব পৰাকৈ, তোমাক আমাৰ মাজতে পাব পৰাকৈ, এযা তোমাৰ বাবে আমি এটি পবিত্ৰ মন্দিৰ স্থাপনৰ কামৰ শুভাৰম্ভ কৰিলো।

নলগা ছোৱালী

বোলে মানুহজনীয়ে কেবল খুজি মাগিহে খায় আৰু ঘৰখন চলায়, সেইটোও নহয়। আৰু বোলে, বৈ কাটি এসোপা কাপোৰকে বেচে সেইটোও একেবাৰে সঁচা নহয়। মানুহজনীয়ে কেবাঘৰো মানুহক ইটো সিটো কাম কৰি দি সহায় কৰে। কামবোৰ ভাল। আঁৰ নাথাকে মানুহে ভাল পায়। সেইটোৰ ভিতৰত, মানুহজনী সদায় সময় থাকিব নোৱাৰে। তাতে চাৰি পাঁচ কিলোমিটাৰ বাট খোজ কঢ়াৰ সময়কণো ধৰিব লাগে। সদায় সময় ঘৰখন এৰি থাকিব নোৱাৰে তেওঁ।

ঘৰত তাঁত এজুটি লগাই থোৱা থাকেই। গামোছা, চাদৰ বা মেখেলা। পিছে সেইখন ববলৈকে যে তেওঁ ঘৰত নাথাকিলে নহয়, সেইটোও নহয়।

ঘৰখনত মূল মানুহজন একাঙ্গী, বিছনাত। ল'ৰা এটা সি টাউনৰ গেৰেজ এটাত সোমাই আছে। থাকেও তাতে। ঘৰৰ পৰা বহুত দূৰ, সেই বাবে নহয়। ঘৰখনত থাকি সি বৰ অশান্তি পায়।

বাপেকৰ আলপৈচান ধৰিবলৈ ছোৱালী ছজনী আছে। ডাঙৰজনীয়ে পাৰেই। সৰুজনীও বাৰ বছৰ উকলি গৈ এতিয়া হাত ধৰিব পৰা হৈ আছে।

সমস্যা মাজৰ জনীক লৈ।

ছোৱালী কেউজনী ডাঙৰ। বাপেকটো বিছনাত। সেই কাৰণেই মানুহজনী সদায় সময় ঘৰ এৰি থাকিব নোৱাৰে। কিন্তু

ঘৰতে বহি থাকিলেও নহয়। এফালে আজুৰিলে ইফালে উদং হ'ব লগা বিলৈ হয়।

যি দুই চাৰি ঘৰ চিনাকী হোৱা মানুহৰ ঘৰত কাম কৰে তেওঁলোকৰ ঘৰৰ পৰাই পুৰণি ছোলা এটা, চাদৰ এখন খুজি আনে। কোনোবাই আক পুতৌ কৰি কেতিযাবা এনেযেও টকা দুটা যাচে। এইবোৰ বৰ ডাঙৰ সহায়। আৰু তেনে দুই এপদ বস্তু খুজিবলৈকো সেইদৰে লাজ নালাগে।

লাজ লগা অৱস্থা হৈছে সদায় সোনকালে ঘৰলৈ ঘুৰিব খুজি দিব লগা কৈফিয়ৎ দিওঁতে।

মাজতে সময় উলিযাই এজন ডাক্তৰৰো কাষ চাপিছিল। গোটেইবোৰ বিৱৰি কৈ ডাক্তৰক কাবৌ কৈ সুধিছিল কি উপায় কৰা যায়। ডাক্তৰে কোনো বিধান দিব নোৱাৰাত, একে আকুতিৰে মানুহজনীয়ে কিবা বিহ একণকে দিবলৈ খাটিছিল। ডাক্তৰে বুজাই দিলে সেই কথা সম্ভৱ নহয়।

ইমান টনা আজোৰা কৰি ঘৰখন চলোঁতেও মানুহজনীৰ সিমান দুখ নহলহেতেন। কিন্তু মাজু ছোৱালী জনীযে গোটেই ঘৰখনৰে শান্তি হৰিলে। মাকৰ চকুৰ টোপনী নাইকিযা কৰিলে।

তাইকে মাৰি পেলাবলৈ মাকে অকণমান বিহ বিচাৰি আছে। এনে বিহ, যাতে একে পালিতে কামটো হয়। ছোৱালীজনী যেন থিতাতে মৰে।

দেখাই শুনাই এই মাজুজনী ছোৱালীয়েই ভাল তিনিও জনীৰে ভিতৰত। বেমাৰ আজাৰ নাই। বাঢ়িছেও ভালকৈ। তায়ে ঘৰখনৰ গলগ্ৰহ। তাই গোটেই ঘৰখনৰে শত্ৰু হৈ পৰিছে এতিয়া। তাইক লৈ মানুহৰ আগত মুখ উলিয়াবলৈ টান হৈ পৰিছে। ঘৰলৈ কোনোবা এটা আহিলে গোটেইবোৰ উৎকণ্ঠাত অস্থিৰ হৈ থাকিব লাগে।

ছোৱালীজনীৰ বুদ্ধি নাই। একোকে নুবুজে। কথা নাই, বতৰা নাই, হঠাতে দৌৰ মাৰি নঙলা পাৰ হৈ হয়তো লৰ মাৰিলে

বাটে বাটে। আৰু যাওঁতে যদি গাৰ কাপোৰো খহি পৰে, ছোৱালীজনীৰ খবৰেই নাথাকে। সিমানেই নহয়। কেতিয়াবা একো একোটা কাম কৰে, দেখি বা আগত থাকি, গোটেই ঘৰখনৰ মানুহ লাজত জঁই পৰি যায়। একোবাৰ কামকে দহ বাৰ বছৰ মানৰ আগতে কৰাহেঁতেন কাৰো হয়তো চকুতে নপৰিলেহেঁতেন।

ককায়েকৰ লগৰ ল'ৰা এজন এদিন ঘৰলৈ আহিছিল। একেটা গেৰেজতে কাম কৰে। কথাই বতৰাই ভাল লাগিছিল আৰু সেই বাবেই সম্ভৱ হলে ডাঙৰজনী ভনীয়েকক চাই যাওকহি। এনে উদ্দেশ্যেৰেই তাক মাতি অনা হৈছিল। সেই দিনাই প্ৰথম।

গৰম। বাহিৰৰ চোতালতে মূঢ়া একোটা পাৰি বহিছে দুয়ো বন্ধু। মাকে বিছনী এখন আনি দিলেহি আলহীৰ হাতত আৰু দুটা কথাৰে পুতেকক ইঙ্গিত দি থৈ গ'ল বন্ধুজনক বাপেকক এবাৰ দেখুৱাই আনিবলৈ। যাব। সময় আছে। চাহ একাপ দিয়কছোন বাৰু আগতে।

তামোলৰ বটাটো দি গৈছিল মাকে। দুই বন্ধুৱে লাগ বান্ধ নোহোৱা দুই এটা কথা পাতি আছিল। ঠিক সেই সময়তে হ'ল কাণ্ডটো। ক'ৰ পৰা কেনেকৈ আহিল কোনেও তলকিবই নোৱাৰিলে। মাজু ছোৱালীজনীয়ে দৌৰি আহি, দুই বন্ধুৰ মাজত থকা বটাটোৰ পৰা থাপ মাৰি তামোল এখন লৈ মুখত ভৰাই হিঁ হিঁ কৈ হাঁহি হাঁহি চোতালৰ এমূৰে আকৌ লৰ মাৰিলে। এক মুহূৰ্তলৈ ককায়েক চৰণ পৰা মানুহৰ দৰে হ'ল। লগে লগে "বৌটি!" বুলি বিকট চিঞৰ এটা মাৰি জাপ মাৰি গৈ ভনীয়েকৰ চুলি কোছাত ধৰি ভিতৰলৈ চোচৰাই লৈ গ'ল। আলহী বন্ধু হতবাক।

গাতক ছোৱালীজনী সম্পূৰ্ণ উলঙ্গ। গৰম লাগিলে তাই কেতিয়া গোটেইবোৰ কাপোৰ সোলোকাই থয় ঠিক নাথাকে। সময় বুজি

সজাগ হৈ মাকহঁতে তাইক ভিতৰতে সুমাই থৈ প্ৰায় পহৰা দি থাকে। সেই দিনা ডেকা আলহীজনৰ অহা উদ্দেশ্যৰ লগত গঢ লোৱা উত্তেজনাই কথাটো প্ৰায় পাহৰাই পেলালে সকলোকে। সেই বাবেই এনে অঘটনটো ঘটিল।

আলহীয়ে ভাবি ললে, ছোৱালীজনী পাগল। অলপ পিছতে ভিতৰত ককাযেকে তাইৰ পিঠিত দিয়া ভুকুকেইটাৰ শব্দ বাহিৰতো বাণত পৰিছিলহি। ভিতৰত আন দুজনী ছোৱালী জঠৰ হোৱাৰ দৰে হ'ল। মাকে এবাৰ কপালত চপৰিযাই চকু দুটা মছি লৈ বাহিৰলৈ ওলাই আহিল।

'একো নধৰিবা, বোপা। সেইটো মোৰ কাল। মৰিও নাথাকে। আমাক খুলি খুলি খাবলৈকে জীযাই আছে, আৰু।' বুলি সশব্দে আক্ষেপ কৰি শুনালে।

তেনেকৈয়ে গধুৰ হৈ পৰা পৰিবেশৰ মাজতে আলহী গুছি গ'ল। চাহটাহ খাযেই গ'ল। তেঁবো চেষ্টা কৰি চাইছিল অবস্থাটো পাতল কৰিবলৈ। গৃহস্থ বন্ধুৰ মুখত এবাৰ নে দুবাৰ হাঁহিও উলিযাইছিল পাতল কথা দুটা কি এটাৰে।

পিছে নহয়। ভিতৰি ভিতৰি উতলি আছিল সি। বন্ধুজন যোৱাৰ পিছতে ৰুদ্ৰমূৰ্ত্তি ধৰি ভিতৰ সোমাই গ'ল। বেৰৰ কামিতে দেউতাকৰ হাত দাখন খুছি থোৱা আছিল। সেইখন আজোৰ মাৰি দাঙি লৈ সি চোচা ললে ভনীযেকক দুছেও কৰিবলৈ।

মাকে আগছি ধৰিলে। পুতেকৰ খংটোলৈ তেওঁ নিজেও ভয় খালে। হলেও চকুৰ আগতে ঘটিব পৰা বীভৎস কাণ্ডটোৰ কথা ভাবি শিয়ৰি উঠিল। "কি কৰ, হেৰ" বুলি দুইহাত দাঙি পুতেকক কাবৌ কৰিলে নিবৃত্ত হ'বলৈ। ভয়তে আন দুজনী ভনীয়েকেও "ঐ, অ'ই ককাইদেউ।" বুলি চিঞৰি কান্দি দিলে। সিকালে বিছনাত পৰি থকা বাপেকেও কিবা এটা অঘটন হোৱাৰ বুজ পাই কেঁকাই কেকাই মাত লগালে—"কি হৈছে অ', হয়নে তাত ?"

কেউঙ্কালৰ বাধাই অকণমান থমক খুৱালে পৰিস্থিতিটো। ছেগ চাই পুতেকৰ হাতৰ দাখন কাঢ়ি লৈ মাকে পিছফালে দলিয়াই দিলে। পিছত বিচাৰি বুটলি আনিলেও হ'ব।

মদগজ মত্তা মানুহটো বহি পৰিল মাটিত। দুই আঠুৰ মাজত মুখখন থৈ হুকহুককৈ কান্দি দিলে। মাকো বহিল কাষতে। পুতেকৰ পিঠিতে হাত এখন থৈ, বৈ বৈ ক'লে—'সেইটো কাম কোনোবা আন মানুহে কৰি দিয়াহেতেন আমি গোটেই ঘৰখনেই ৰক্ষা পৰিলো হেতেন। তাকে কৰি তই এফালে তৰিব পাৰিবি। পিছে তই নিজে যে ৰৱঘৰত সোমাবলৈ লাগিব, সেইটো ভাবি চা ছোন। এ নেযে ঠাউনী নাই। তযো আঁতৰি গলে, মোৰ কি বিৰৈ হ'ব, নেদেখা জানেহে জানে।

কথাটো উলাই কৰিব নোৱাৰি। সেই বুলি এই আপদটোৰ উৎপাতবোৰো সহি থাকিব নোৱাৰি। সেযে, সেই দিনাৰে পৰা সি গেৰেজতে থাকিবলৈ ললে।

কিন্তু সমস্যাৰ সমাধান সেইদৰে নহল। ডাক্তৰ বৰিৰাজ সলাই লগাবলৈ সমল নাই। বেজ লগোৱা হৈছিল দুই কি তিনি বাৰ। একো নহ'ল। অথচ বেমাৰটোনো কি কাৰেও আঙ্গি লাকৰ কব নোৱাৰিলে।

"বুধিটোহে নাই, বুইছে বাইদেউ বুলি এদিন কামত আহি আক্ষেপ কৰিছিলহি মানুহজনীয়ে। নহ'লে ধৰিবই নোৱাৰি ভাইৰ যে কিবা এটা হৈছে। সেইটোৱেই বিপদ আটাইতকৈ। মাক খুলি খুলি খাইছে এটা চিন্তাই। ছোৱালীজনী ডাঙৰ হ'ল, বাইদেউ। গাঁৱৰ ল'ৰাবোৰক, কাক বিশ্বাস কৰিব। কেতিয়া যে কেনেকৈ সৰ্বনাশ হয়, তাকে ভাবি ৰাতি টোপনি নোহোৱা হ'ল।'

উশাহ সলাব লগা হৈছিল মানুহজনীৰ। "বাইদেৱে" সান্ত্বনাৰ সুৰত কৈছিল—'কপালত লিখা আছিল চাগৈ

'কপাল বাইদেউ, আমাৰখন হে বিচাৰি পালেগৈনে বিধাতাই? তাকে ভাবি সিদিনা গৰখীয়া দ'লত চাকি এগছ দি আহিলো বোলো

গোসানীয়ে বলি লৈয়েই থাকে, আমাৰ জনীকো যেন বলি বুলি লৈ থয়।'

'গৰখীয়া দ'লত গোসানীৰ পূজা হয় জানো, হেৰা।'

'গোঁসাই থাকিব পাৰিলে গোসানীও থাকিব, বাইদেউ। খালি আমাৰ সেবা ভাগ ল'ব লাগে। নহ লে বোলে, যতে ততে ঘূৰি ফুৰে, সাপ-সুপে খুটি মৰাহেতেনো।

'ছি নাপায তেনেকৈ ক'ব। হাজাৰ হওক, তোমাব পেটৰ পোৱালী।'

'পেটৰ পোৱালী যে এনে কালশত্ৰু হ'ব, বাইদেউ, কোনে জানিছিল। আপুনি দেখা নাই বাবেহে কৈছে। মাহে, মাহে নোৱাৰা হ'বৰ দিন কেইটা গোটেই ঘৰখনকে কেনেকৈ তাই বলীযা কৰে আপুনি যদি এবাৰমান দেখিলেহেতেন।'

মানুহজনী সচাকৈযে চিন্তাতে খীনাই গৈছিল। কামত মন দিব নোবাৰা হৈ পৰিছিল। আৰু মাজতে প্ৰায তিনিমাহ মান আহিবলৈকে এৰি দিলে।

অবস্থাটো ভাবিলে দুখ লগা। পিছে দুখ লাগিলেই গুচাব পৰাহেতেন কথা বেলেগ আছিল। আৰু এফালৰ পৰা চালে দেখা যায যি বিলাকৰ এনে দুখ গুচাবৰ ক্ষমতা আছে বা থাকে, সেইবোৰলৈ তেনে দুখ নাহেই।

বহুত দিনৰ মূৰত এদিন পুৱাই ওলাইছিলহি মানুহজনী। মুখলৈ চাব নোবাৰি। মুৰ ফণীওৱা নাই। চুলিবোৰ জপৰা হৈ আছে। চকু দুটা দেখিলেই বুজিব পাৰি চাৰি কি পাঁচ ৰাতি যেন টোপনী নাই।

মুখৰ মাতো ওলোৱা নাছিল বহুত পৰলৈ। কথাটোনো কি সোধোতে প্ৰথম মাতবাৰ লগালে এইদৰে—"নোৱাৰিলো বাইদেউ"। বুলি কৈয়ে চাদৰৰ আগটোৰে চকু দুটা মছিলে এবাৰ।

নোবাৰিলে কি সুধিবৰ প্ৰয়োজন নহ'ল। এটা মুহূৰ্তৰ পিছৰ পৰাই নিজেই কৈ গ'ল।

বাইদেৱে লগ লগাই দিয়া নতুন মানুহ ঘৰত কাম কৰিছিল কেৱা দিনো। সেই মানুহ গৰাকী দেখাই শুনাইহে হেনো যি ভাল। ঘৰখনত বৰ অশান্তি। এটা মাত্র কেচুৰা। তাকে লৈ বচিয়াকৈ থাকিব পাৰে যদিও গিৰিহতঁৰ লগত মিল নাই। দিনটো ইট্টা নহয় সিটো কথাত একো খুন্দা খুঁজ লাগে। দুখৰ মাতবোৰ ভাল মানুহৰ দৰে নহয়। বন কৰা মানুহৰ সেইবোৰলৈ চকু কাণ গাল কথা বেযা। পিছে নগৈও উপায় নাই। তাকে কৰোতে জানিব পাৰিলে যে মানুহজনীযে সদায় কিবা টোপনী যোবা বড়ি খাইহে শুবলৈ যায আৰু গিৰীযেকে তাকে লৈ মাজে মাজে গোটেইখিনি বড়ি একেলগে খাই লেঠা মৰাৰ কথা কৈ থাকে।

'কেই দিন মান বুজ লৈ বাইদেউ, মযো বুজিলো সেইটো বড়ি মোকো লাগে সৰহকৈ কেইটামান। চান্দি চান্দি চাবিবাৰ মানত, সেইখন ঘৰৰ পৰাই মই তেনেকুৱা বড়ি দহটামান গোটালো। ভাবিলো এইবাৰ মোৰ কাম সিজিব। কাকো নকলো বাইদেউ, কথাটো ঘৰত। ভাবিলো নিজেই এদিন লুজন খুওবাব চলাত আপদটোক গোটেই গাল বড়ি খুৱাই দিম।'

সেইখিনিলৈকে কৈ মানুহজনী ৰ'ল। আকৌ চকু দুটা মচি ললে এবাৰ।

'চালোও বাইদেউ দুবাৰ মান চেষ্টা কৰি। হাতৰ মুঠিতে বড়িকেইটা লৈ ভাইক খুৱাবলৈ ললেই, ভাইৰ মুখখন খন্তেকলৈ বৰ ধুনীয়া হৈ পৰে দেখোন। চকু দুটা কিবা অবুজ হৈ থাকে। পুৱঠ মুখখন, মোৰ কথা চকুৰ বাবেই নেকি, বৰ লনী হৈ পৰে। মোৰ হাতখন কোঙ খাই যায়। নোৱাৰিলো, কেৱা বাৰো চায়ো, একো কৰিব নোৱাৰিলো। নিজৰ লগতে খুঁজি খুঁজি থোৱা এনাইমান মোৰ টোপনী নাই।' আকৌ ৰ'ল মানুহজনী এবাৰ। চাদৰখনৰ আগটোৰে চকু দুটা চাকি, হৈচা মাৰি ধৰা মুখখনেৰে ক'লে—'কিন্তু ভাই নমৰিলে যে নহয় বাইদেউ।' বুলি কৈয়ে হুক্ হুকৃকৈ কান্দিবলৈ ধৰিলে এইবাৰ।

নংক্ৰমৰ প্ৰেম

আমি তাক কঠালগুটি নাম দি লৈছিলো। আমাৰ মাজতে। মানে মই নূৰ, কণ্ঠী আৰু সদাই। আমিবোৰ নিযমিযা গঢৰ লৰা আছিলোঁ। কঠালগুটি আমাৰে বুকুৰ তলত পৰে। থকা মেলাৰ ধৰণবোৰ বৰ জধলা আছিল। হলেও কথাই বতৰাই বৰ ভাল পাইছিলোহঁক। সি কণ্ঠীহঁতৰ কোঠাত। মই আৰু নূৰ একেলগে।

বিষযবোৰ আমাৰ বেলেগ আছিল। আমি দুটাই অৰ্থনীতিত নাম লগাইছিলো। কণ্ঠীৰ চুলি দীঘল—সি সাহিত্যৰ ছাত্ৰ—তাকো অসমীযাৰ। নংক্ৰম অংকৰ। এভাৰটন নংক্ৰম। ছুটি চাপৰ, গহীন গম্ভীৰ খাচিযা ল'ৰা। অংকৰ ছাত্ৰ হিচাপে এম-এৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত নাম লগাই আমাৰ সতে একেটা হোষ্টেলতে থাকিবলৈ লৈছিল। হোষ্টেলৰ আনবোৰ ল'ৰাৰ লগত তাৰ হলিগলি নহৈছিল। দুজনমানে তাক নিচেই চাপৰ কাৰণে সুবিধা বুজি জোকাইছিল।

এই নংক্ৰমৰ সংস্পৰ্শলৈ অহা বাবেই মই বিশ্ববিদ্যালয়ৰ ছাত্ৰ হিচাপে কৰা নানা উদ্ভন্দালিৰ মাজতে এটা লেখত ল'ব লগা কামো কৰিছিলো। মই এতিয়াও ভাবোঁ তাৰ আই-এ-এচ হোৱাত মোৰ বৰঙণি, জনালোকে, উলাই কৰিব নোৱাৰে। মই নিজে মাজ-ভাগতে পঢ়া সাং কৰি চাকৰীত সোমালোঁ। বাকী কেউটাই নিজৰ নিজৰ দেওনা পাৰ হৈ গ'ল। নংক্ৰম এচাপ উজাই গ'ল।

মোৰ লগত তাৰ শেষ দেখা বোধকৰো বৰ্দ্ধমানত। সি তাৰ পিছতে কেৰালালৈ গুছি গ'ল। লেখা লেখি কৰি সেইখন ৰাজ্যৰ প্ৰশাসনত সোমাই ললেগৈ।

তাৰ পিছতে আমাৰ স যোগ হেৰাই গ ল। বয়স বাঢ়িল। প্ৰায় পাহৰাৰ দৰেই হ'ল। হঠাৎ এদিন এলপৰ্টে কাগজত ন কমৰ বিষয়ে, কেৰালাৰ প্ৰশাসনৰ কিবা উল্লেখযোগ্য কাম এটাৰ সন্দৰ্ভত প্ৰশ সাসূচক বাতৰি এটা পঢ়ি গোটেইবোৰ কথা মনলৈ আহিল, হঠাতে মোৰ মনটো ফুলি উঠিল, যেন সেইবোৰ প্ৰশ সা আচলতে মোৰহে প্ৰাপ্য। নংকমক যেন মইহে সেই পদলৈ লৈ গ'লো। মইহে যেন ।

নহয়, তাৰ ফালটো শুনক।

নংকমটো জধলা আছিল যদিও বৰ চিনিযাচ। আমি কেইটা গডে সপ্তাহত সাতদিনকৈ যদি গুবাহাটীলৈ চিনেমা চাবলৈ গৈছিলো, সি মাহেকত এদিন হে ওলাইছিল। আমি কোঠাত ষ্টʼভ এটা লৈ চাহ কৰি খোৱাৰ উপৰিও মাজে মাজে আধা কিলো মাংস আনি বান্ধি আবেলিৰ ওপৰঞ্চি জলপান খাইছিলোহঁক। সেইবোৰত লগা খৰচ যোগাওতে সি কৃপনালি কৰিছিল, আমি প্ৰায়ে বাকী কৈ আনি, চাবি কিলোৰ ঠাইত ঘুৰাই পকাই হিচাপ কৰি, তিনি কিলোৰ দামহে দিছিলোঁ। আমি "কালচাৰ" অলপ বেছিকৈ কৰিছিলোঁ, ন কম কঠালগুটি সেইবোৰৰ পৰা আঁতৰি আছিল। তথাপি তাৰ লগত আমাৰ আন্তৰিকতা নকমি বেছিহে হৈ গৈছিল।

কঠালগুটি নংকমৰ বিছনাৰ কেউকাষে অংকৰ সূত্ৰ এসোপা বেৰত লিখা আছিল। তাৰ পিছত সেইটো কোঠাত নতুনকৈ যদি কোনোবা অংকৰ ছাত্ৰ সোমাইছিল, নিশ্চয় উপকৃত হৈছিল। এটা পেন, এডাল পেন্সিল, বং যোৱা সতৰঞ্চিৰে বন্ধা বিছনা এখন, সৰু চুটকেছ এটা, এযোৰ জোতা, এইখিনিয়েই তাৰ সম্বল। আমি জানিছিলোঁ, সি ওলাই অহা পৰিয়ালটোৰ অৱস্থা বৰ বজুল

নাছিল। থকাৰ ভিতৰত দেখদেখকৈ চকুত পৰিছিল তাৰ মনোবলটো।

সেইটো ন,ৰুমেও এবাৰ অদ্ভুত কাণ্ড এটা কৰি পেলালে। একেলগে এ সপ্তাহমান ক্লাছ খতি কৰিলে। কেনিও নোলাই কোঠাতে কেউদিন সোমাই থাকিল। মেজৰ কিতাপ মেজতে থাকিল। নুচুলেই। আমি অবাক। কণ্ঠীযে সুধিলেও একো নকয়। একো উবাদিহ নাপাই আমি অলপ চিন্তিত হ'লো। ঘৰৰ পৰা কিবা বেযা খবৰ আহিছে নেকি সুধি গম পালো, তেনে কোনো খবৰ অহা নাই। তেনেহ'লে? উত্তৰটো মোৰ বাবে এখন জ্বাল হৈ পৰিল।

কঠালগুটিযে অকলে লগ ধৰি মোক ক'লে সি হেনো মোৰ স'তে এবাৰ কথা পাতিব খোজে। ৰাতি আনবোৰ বিছনালৈ গ'লে মই এবাৰ তাৰ স'তে ছাতলৈ যাব পাৰিমনে? আমাৰ হোষ্টেলৰ পকী ছালৰ ওপৰখনত গৰমৰ দিনত জুৰ লবলৈ বৰ ভাল। মই মান্তি হ'লো।

কিন্তু সি, তাব গহীন গম্ভীৰ মাতেৰে মোক যিষাৰ কথা ক'লে শুনি মই প্ৰথমতে ঢেকঢেককৈ হাঁহি দিব খুজিছিলোঁ যদিও, ৰাতিৰ পৰিবেশ আৰু তাৰ চিৰিয়াচ মুখখনলৈ চাই সামৰি থ'লো।

কঠালগুটি বলীয়া হ'ল।

নামটো সুষমা নে তেনে কিবাই হ'ব। নামটোৰ বাবে কোনেও সিমান চিন্তা কৰা নাছিল। মিচ বৰুৱা বুলিয়েই আমি সকলোবে সেই ছোৱালীজনীক জানিছিলোঁ। ওখ-পাখ, লনী, ধুনীয়া মুখৰ ছোৱালী আছিল মিচ বৰুৱা। দেখিলে যেয়ে সেযে এবাৰ বৈ আকৌ এবাৰ মুখলৈ চায়। ইংৰাজী সাহিত্যৰ ছাত্ৰী। সেই বাবেই আমি ক'ব নোৱাৰাকৈয়ে মিচ বৰুৱাক সমীহ কৰিছিলোঁ। ছিলগুৰে ছোৱালী।

'তই তেওঁক চিনি পাৱ। মই তোক তেওঁৰ স'তে কথা পতা দেখিছিলোঁ।' কঠালগুটিয়ে মোক চাবৃ মাৰি ধৰিলে। আচলতে

মিচ বৰুবাৰ লগত আমাৰ চিনাকীটো "সেঁ সেঁ" পৰ্যাযৰহে। বাটে পথে দেখিলে "ভাল"? "ফুৰি আহিল"? "ক্লাছ নাই নেকি আজি?" ধৰণৰ দুই এটা প্ৰশ্ন কৰাতে আমাৰ আলাপ শেষ।

সেই মিচ বৰুবাই এদিন এড মিনিষ্ট্ৰেটিভ বিল্ডিংৰ বাৰিডৰত মুখামুখি হওতে, কঠালগুটিলৈ চাই হাঁহিছিল। আমি জানো ছোবালীবোৰে তালৈ চাই বাওনা বুলি ফিচিঙা ফিচিঙি কৰে। মিচ বৰুবাই হয়তো সেই বিশেষ মুহূৰ্ত্তত অকলে থকা বাবেই খুকখুককৈ নাহাঁহি ভদ্ৰভাবে সম্ভাষণ জনাই মিচিকি হাঁহি এটা মাৰিলে।

কঠালগুটিৰ গাত বিজুলী সঞ্চাৰিত হ'ল। মই এতিয়া মিচ বৰুবাক লগ ধৰি খাটাংকৈ জানি ল'ব লাগে তেওঁৰ গাতো শিহৰণ-টিহৰণ উঠিছেনে নাই বা তেও দৃঢ়ভাবে কঠালগুটিৰ বিযাৰ প্ৰস্তাব এটা গ্ৰহণ কৰিব নে নকৰে।

আন কোনোবা হোবাহেতেন, কঠালগুটি খাচিয়া ল'বা নহৈ ভৈযামৰে কোনোবা এটা হোবাহেতেন মই কথাষাৰ পাতল কৰি উৰাই দিবলৈ সাহ পালোঁহেতেন। কিন্তু সি কথা আৰম্ভ কৰাৰ আগতে মোক যি ধৰণে আন কাকো ঘুণাক্ষৰেও কথাটো জানিবলৈ দিবলৈ হাক দিছিল, তাৰ ছুটি ছুটি কথাবে কোৱা নিজৰ মনৰ ভাবটো আৰু মোক অদ্ভুত বিশ্বাসেৰে দিয়া বাবটোৰ কথা ভাবি মই থৰ হৈ গ'লো।

প্ৰস্তাবটো হাঁহি উঠাই নহয একেবাৰে অবাস্তব। মই একান্ত-ভাৱে বিশ্বাস কৰিছিলোঁ—তেনে ধৰণৰ প্ৰস্তাৱ এটা মিচ বৰুৱাৰ কাণত পেলালেই কেলেঙ্কাৰী হৈ যাব। তেঁৱেই নহয়, লগৰ সকলোবে স্পষ্টভাৱে কথাটো ভীষণ অপমান হিচাপেহে ল'ব।

কিন্তু কঠালগুটিক কথাটো বুজাওঁ কেনেকৈ? নুৰ বা কষ্টৰ লগত আলোচনা কৰি কিবা বুধি এটা উলিয়াবলৈকো সি ভাৰ বাট মাৰি থৈছে। মই বৰ বিপাঙত পৰি কৈ দিলোঁ—ক'ম বাৰু মই মিচ বৰুৱাক কথাষাৰ।

পিছদিনা ভাত খাওঁতে সি মোৰ ওচৰতে বহিছিল। ক্লাছলৈ যাম বুলি ওলাইও বৈ গ'ল। মোক একাষৰীয়াকৈ মাতি নি ক'লে বোলে সি ক্লাছলৈ নাযায। কোঠাতে বহি আবেলি মই ঘূৰালৈকে বাট চাব। মই মিচ বৰুৱাক লগ ধৰি কথাটো উত্থাপন কৰি, কি উত্তৰ পাওঁ জানিবলৈ।

মোৰ অবস্থা বুজাব নোবাৰা হ'ল। ন.ৰুমৰ মাত কথাত অকণো উত্তেজনা নাই। কোনো চাঞ্চল্য নাই। চুটি চুটি বাক্যৰে, প্ৰায় উদ্ধৃতিৰ দৰে একো আষাৰ কথা কয়, "ধেৎ" বুলি উৰাই দিব নোবাৰি। সময় তাৰ মতে পাৰ্থিব সকলো সম্পদতকৈ বহু বেছি গুণে মূল্যবান। সেয়ে সময় যাবলৈ নিদি ততালিকে মীমাংসা এটা কৰিব লাগে।

মই জানো, তাৰ কথাটো কেনেবাকৈ মিচ বৰুৱাক ক'বলৈ গলে, মিচ বৰুৱাই মোকে অপমান কৰিব। মোৰ মুখৰ পৰা তেনে প্ৰস্তাব এটা ধেমালীৰ ছলতো ওলোৱা বুলি জানিলে মোৰ লগৰ কেইটাইও মোক ইতিকিং কৰিব। কিন্তু কঠালগুটিক যি নাজানে, তেওঁৰ পক্ষে মোৰ পৰিস্থিতি বুজা টান। সি যে কিবা এটা অঘটন কৰিব সেই বিষয়ে মোৰ এটা বদ্ধমূল ধাৰণা হৈ গ'ল। কোনোবা এজনে কৈছিল হ'বলা—The heart has its reasons, which are quite unknown to the head—হিয়াৰ বাতৰি মগজে নাপায়। কঠালগুটিৰো সেয়ে হ'ল।

মই মনতে মিছাৰ আশ্ৰয় ল'বলৈ থিৰ কৰি তাক আশ্বাস দিলো কিবা এটা কৰিম বুলি।

আবেলি ফাঁকি দিলো মিচ বৰুৱাক লগেই নাপালো বুলি।

কঠালগুটিয়ে কিতাপ পত্ৰবোৰ সামৰি থৈ দিলে।

দুদিনৰ পিছত সি দাবী কৰিলে সেই দিনাই আবেলি মই মিচ বৰুৱাক লগ ধৰিবই লাগিব। সি দূৰৰ পৰা মন কৰিব মই কথা পাতোনে নাপাতো চাবলৈ।

আৰ্টচ বিল্ডিঙত লগ পোৱা যায় যাকে তাকে। দীঘল কৰিডৰটোত সকলোৰে লগত ভেটাভেটি হয়। মই চেগ চাই এবাৰ মিচ বৰুৱাক আগচি ধৰি সুধিলো— ইংৰাজী ছুটি নাটক এখন বাছি দিব পাৰিব নেকি—বাৰ্ষিক উৎসবত অভিনয় কৰিব পৰাকৈ। কেনে নাটক, কিমান চৰিত্ৰ থাকিলে ভাল, ইত্যাদি দুই চাৰিটা প্ৰাসঙ্গিক কথাও ক'লো। মিচ বৰুৱাই চাই দিব বুলি গাত ল'লে।

মই মন কৰিছিলো দূৰৰ পৰা সঁচাকৈয়ে কঠালগুটিয়ে আমালৈ চাই আছে। মিচ বৰুৱাক এৰি তাৰ ওচৰ পাওতে মন কৰিলো তাৰ মুখখন উজ্জল হৈ উঠিছে। কথা ক ব পৰা নাই কিবা উত্তেজনা এটাত আৰু মই জৰ ঘমাদি ঘামিছোঁ তাক দিব পৰা উত্তৰ এটা বিচাৰি।

"কি ক'লে ?"

'মই বিতংকৈ একো কোবা নাই। কথাটো একেদিনাই উলিয়াব নোবাৰি। মই তোৰ বিষয়ে কেইটামান কথা ক'লো। দুই এদিনতে আকৌ লগ পাম বুলিছে। তোক ক'ম।'

কঠালগুটিৰ খোজ পাতল হ'ল। গধূলি ভাত খাওঁতে তাৰ ভাগত পৰা মাংসৰ আধা মোৰ কাঁহীত বাকি দিলে।

তিনি কি চাৰি দিনৰ পিছত অযাচিতে এটা সুবিধা ওলাল। ময়ে কঠালগুটিয়ে কেন্টিনৰ ফালে গৈছিলোঁ, দুৱাৰ মুখতে মিচ বৰুবাকো তালৈকে সোমাওতে লগ পালোঁ। অলপ সহজ হোৱাৰ চেষ্টা কৰি মাত লগালো—"চাহ খায়, মিচ বৰুৱা ?"

মিচ বৰুৱাই হাঁহি এটা মাৰি শলাগিলে। 'আমিও খাম। বলক একে ঠাইতে বহোগৈ, আপুনি এয়া ন কমক চিনি পায় নহয় ? মই যে কৈছিলোঁ ?' শেষৰ কথাষাৰ কেবল কঠালগুটিয়ে শুনাকৈহে ক'লো। মিচ বৰুৱাই চিনি পোৱাৰ চিন স্বৰূপে হাঁহি এটা মাৰিলে তালৈ চাই। মই নিশ্চয়কৈ জানিছিলোঁ সেই হাঁহিত তাৰ বাওনা কায়টোৰ প্ৰতি থকা অনুকম্পা প্ৰকট হৈ ওলাই পৰিছিল।

চাহৰ পইচা, সকলোৰে হৈ, কঠালগুটিযে দিলে।

আকৌ এদিন সি সুধিলে—'কিবা ওলাইছিল নেকি আজি?' আচলতে সেই দিনাও, এফালে সি থাকোতে, আনফালৰ পৰা মিচ বৰুবাক অহা দেখি মই আগবাঢ়ি গৈ আকৌ নাটকৰ কথাটো এবাৰ উলিযাইছিলোঁ। দুই মিনিট সময় সৰহকৈ ল'বলৈ চেষ্টা কৰি দুই এটা অবান্তৰ কথাও সুধিছিলো আৰু পেটে পেটে লাজত কোঁচ খাই গৈছিলো—মোৰ ছলাহী ধৰা পৰে বুলি।

'উলিযাইছিলোঁ। তেও একে আষাৰেই "নহয" বুলি কোবা নাই, বুইছ। কিন্তু সময় বিচাৰিছে কথা দিবলৈ। আচলতে কি জান?' মই নতুনকৈ এটা মিছা কথা সাজি পেলালোঁ—'তই যে খ্ৰীষ্টান আৰু খাচীযা সেইটো তেওৰ ঘৰত পতিযন নিযাবলৈ অলপ সময় লাগিবই দেছোন।'

কঠালগুটি আশ্বস্ত হ'ল। মোৰ ভয বাঢ়ি গ'ল। কেনেবাকৈ জোলোঙাৰ মেকুৰীটো ওলাই গ'লে মোৰ নিজৰে নাঙল-নাথল অৱস্থা হ'ব।

'আৰু এটা কথা, তেও এটা ইঙ্গিত দিলে মোক। বোলে এতিয়াই বৰ দকৈ এনে কথাত সোমাই পৰিলে পঢ়া খতি হ'ব আৰু ৰিজাল্ট টো বেযা হ'লে কোনো পক্ষৰে একো সুবিধা নহ'ব।' মই আকৌ সাজিলো এটা মিছা।

'হলেও তেওঁতো, তেওঁৰ মনৰ কথাটো কৈ দিব পাৰে।'

'তই "ৰিযেলী" এটা মূৰ্খ। ইমানবোৰ ইঙ্গিত কেনেবাকৈ নিগেটিভ হ'ব পাৰে নেকি অ'?'

'গুবাহাটীলৈ যাবি নেকি? ব'ল চিনেমাকে চাই আহোঁগৈ এখন।' কঠালগুটিয়ে অভাৱনীয় প্ৰস্তাব এটা দি দিলে মোক।

মই চাকৰী এটাৰ খবৰ কৰি আছিলো। পৰীক্ষা দিবলৈ মাতিছে। কথাটো আমাৰ গোষ্ঠীক জনালত কণ্ঠী, নূৰ, সদা কেউটাই উদগনি দিলে। কঠালগুটি কিন্তু নীৰৱ।

পৰীক্ষা দিবলৈ যোবাৰ আগতে মই মিচ বৰুবাৰ পৰা এটা স্থিৰ কথা জানি যাব লাগে।

চাকৰীটো পাম বুলি মোৰ এটা বিশ্বাস হৈছিল আৰু মোৰ মনে ধাৰণা এটা হৈছিল যে তেনেকৈ আঁতৰা-আঁতৰি হ'লেই কঠালগুটি সমস্যাৰো ওৰ পৰিব। পিছে, কঠালগুটিয়ে তেনে সম্ভাৱনা এটাৰ কথা ভাবিয়েই হ'বলা মোক জোকে ধৰাদি ধৰিলে।

পৰীক্ষাৰ বাবে পঢ়াৰ গধনাত দহ দিন মান শান্তিৰে আছিলোঁ। আকৌ ধৰিলে এদিন কঠালগুটিয়ে। থিৰ চাৱনীৰে বহুত পৰ মোৰ চকুলৈ চাই সি সৰু কৈ সুধিলে—'তই মোৰ শটো চাব খোজ নেকি?'

তাৰ দৃঢ়তা দেখি মই চক খাই গ'লো। কি বিপদত পৰিলোঁ ভাবি মই শিয়ৰি উঠিলোঁ। লাহেকৈ পঢ়াৰ পৰা উঠি তাৰ গাত হাত এখন দি ক'লোঁ বলিয়ালী নকৰিবলৈ। মই দুই-এদিনতে কিবা এটা কৰিম—তাক কথা দিলোঁ।

কথা দিলো হয়, মোৰ কিন্তু বুদ্ধি হেৰাল। কণ্ঠীহঁতৰ লগত আলোচনা কৰিবলৈকো, কঠালগুটিৰ কথা ভাবিয়েই, সঙ্কোচ হ'ল। মোৰ নিজৰ পঢ়াশুনাও চাঙত উঠিল। ছুপৰীয়া, আবেলি কঠালগুটিৰ লগত দেখা হয় বুলি তিনি দিন মান পলাই ফুৰিলোঁ।

তিনি দিনৰ মূৰত, কেউদিশ ৰক্ষা পৰক বুলি এপাত কাঁৰ বাছি ল'লোঁ। এইপাত মাৰিলেই সকলো সমস্যাৰ ওৰ পৰিব বুলি ভাবি মই মনে মনে উৎফুল্ল হৈ, উপযাচি বিচাৰি গ'লো কঠালগুটিক।

একলীয়াকৈ মাতি নি দুযো বহি ললোঁ। যিমান পাৰো বিশ্বাসযোগ্য কৰিবলৈ চেষ্টা কৰি মই আৰম্ভ কৰিলোঁ—

'মই মিচ বৰুবাক লগ ধৰি বহুত কথা পাতিলো আজি, বুইছ।'

"কি ক'লে তেওঁ?"

'বহোন শুন। তেওঁ নিজে হেনো বহুত ভাবিলে তোৰ কথা। তেওঁৰ সমস্যা হ'ল, তোৰ বিষয়ে ঘৰত বিশ্বাস জন্মোৱাটো। তোৰ

ঘৰৰ বিষযেও তেওঁ একো নাজানে। তথাপি ' মই ৰলো অলপ। সেই পাতেই মোৰ কাঁৰ। বেচেৰী মিচ বৰুৱা। আমাৰ আলোচনাৰ শুংসূত্ৰকে নজনা, গাভৰুক লৈ এফালে মই মিছা কথাৰ জাল তৰিছোঁ, আনফালে কঠালগুটিযে মুৰ-মনৰ দুৱাৰ জপাই থৈ কেবল হিযাৰ মাজত সপোন ৰচি বতাহত খোজ কাঢ়ি ফুৰিছে।

"তথাপি কি ?"

'তই যদি এম এ টো ভাল কৰি, কেনেবাকৈ আই-এ-এচ বা সেই পৰ্যাযৰ কিবা এটাও হলিহেতেন, তেওঁ ভাবে, ঘৰখনে হযতো তহঁতৰ মিলনটো স্বীকাৰ কৰি ল'ব পাৰে। নহ'লে, সম্প্ৰদায, ধৰ্ম দুযোটাৰে পাৰ্থক্যটো বৰ ডাঙৰ বাধা হৈ ওলাই পৰিছে।'

"সী ইজ ৰাইট।" কঠালগুটিযে কৈ দিলে।

মই তাৰ মানে গোটেই আঁচনিটোকে ভুলকৈ কৰিলোঁ। নিজকে নেওচা দি মই আঁতৰি আহিলোঁ। আৰু দুদিন কি তিনি দিনৰ পিছত মই ছিলঙত পৰীক্ষা দিবলৈ গুছি গ'লোঁ।

পৰীক্ষা দি ঘূৰি আহি দেখি অবাক হলোঁ যে আমাৰ কঠালগুটি আকৌ সজ-ছাত্ৰ হৈ পৰিছে। তাৰ কোঠাত, মেজত, বিছনাত কিতাপৰ পাহাৰ। বেছি ভাগ অংকৰ বাহিৰে অন্য বিষযৰ। ওচৰতে বহি দুই এখনৰ পাত লুটিযাই দেখিলোঁ। গোটেইবোৰ বিশ্ববিদ্যালযৰ গ্ৰন্থাগাৰৰ, গোটেইবোৰ আই-এ-এচ পৰীক্ষাৰ বাবে প্ৰয়োজনীয। সি সাজু হ'লেই।

মোৰ মাত হৰিল।

মই কামটো সঁচাকৈযে পালোঁ। পঢ়া বাদ দিবলৈ বাধ্য হ'লোঁ। মধ্যবিত্ত, তাকো তলৰ ফালৰ, মানুহ হোৱা বাবেই আমি উচ্চ শিক্ষা লোবাটো বলে নোবাবা বিলাস। জীৱিকাৰ বাট এটা ওলালে, সেইটো এৰি শিক্ষা ল'বলৈ যাবলৈ কোনোফালৰ পৰাই উদগনি পোৱা নাযায়।

বৰ দুখ মনেৰে বিশ্ববিদ্যালয়ৰ চৌহদ এৰিবলৈ ওলালোঁ। কষ্টী, নূৰ, সদাইঁতৰ লগটো, এই মুকলী মুৰীয়া পৰিবেশত আকৌ কেতিয়াও নাপাওঁ। কঠালগুটিক এৰাই যাবলৈ পাই পেটে পেটে সকাহ পাইছিলোঁ। তাৰ মনোবলেই বোলক, সিদ্ধান্তৰ স্থিৰতাই বোলক, বৰ মন কৰিব লগা। তাৰ আগত মোৰ গোকাই মিছা কথাবোৰৰ ভেদ ভাঙি যাবলৈ মইহে বল গোটাব নোবাৰিলোঁ।

তাৰপৰা বিদায় ল'বলৈ গৈ মই তাক সাবট মাৰি ধৰিছিলোঁ। সি মোৰ নতুন জীৱন সুখৰ হওক বুলি এটা প্ৰাৰ্থনা কৰি মোক এবাৰ মাথো ক'লে—'তই মিচ বৰুৱাৰ লগত যোগাযোগটো ৰাখিবি। মই আই-এ এচ পাম। পালেই তোলৈ খবৰ দিম। তই আহি আমাৰ এঙ্গেজমেণ্টটো কৰি দিবহি লাগিব।'

মই কথাৰে একো উত্তৰ দিব নোৱাৰিলোঁ। মিচ বৰুৱাৰ মই নামটোকে নাজানো, ঠিকনা দূৰৰ কথা।

কিন্তু মই অবাক হ'বলৈ তেতিয়াও বাকী। সি মোলৈ চিঠি-পত্ৰ দি থাকে। মযো উত্তৰ দিওঁ আৰু বাধ্য হৈ ডাল-পাত জোৰা দি মিচ বৰুৱাৰ কথা লিখোঁ। সি মিচ বৰুৱাক দেখি থকাৰ কথা লিখে আৰু এম-এ পৰীক্ষা দিয়াৰ পিছতে হোষ্টেল এৰি যোৱাৰ আগে আগে মই যেন তেওঁলৈ কঠালগুটিৰ কথা সোঁৱৰাই এখন চিঠি দিওঁ, সেই কথাও এবাৰ লিখিলে।

এম-এত সি হাই-চেকেণ্ড ক্লাছ পালে। আৰু আই-এ-এচ প্ৰতিযোগিতাত সোমাই পৰিছে।

প্ৰথম বাৰত সি পোনে পোনে আই-এ-এচ নাপালে। তাৰ থিক তলৰ আই-এ-এ-এচ নে তেনে কিবা এটাহে পালে। সেইটো খবৰ পায়েই সি মোলৈ লিখিলে মই যেন মিচ বৰুৱালৈ লিখোঁ যে পিছৰ সুবিধাত সি আকৌ পৰীক্ষা দিব। তাৰ পিছত শেষৰ যোগাযোগটো কৰিব।

মই তালৈ উত্তৰ নিদিলোঁ। মোৰ আচলতে ভয় লাগিছিল। সি পাটনাত কামত যোগ দিলেগৈ।

আৰু, থিক এবছৰ নৌহওঁতেই তাৰপৰা এখন টেলিগ্ৰাম পালোঁ। লিখিছে—আই-এ-এচলৈ মনোনীত হৈছে। প্ৰশিক্ষণ ল'বলৈ যোবাৰ আগতে গুবাহাটীলৈ আহিব—মই তেতিয়া গুবাহাটীত—মোৰ সতে ছিলঙলৈ গৈ মিচ বৰুবাক লগ ধৰিব। মই যেন মিচ বৰুবাক খবৰটো দি থওঁ।

মই প্ৰমাদ গণিলোঁ। এতিয়া কি কৰোঁ। কেনিবা আঁতৰি যাবলৈকো, সি নো আহে কেতিয়া একো নাজানো। বৰ বিবুধিত পৰি মোৰে থৰ্ কাচুটি হেৰাল।

আন্তৰিকভাবে ওলগ জনাই আৰু কেতিয়া আহিব সুধি মই ঘূৰাই এখন টেলিগ্ৰাম কৰিলোঁ। তাৰো উত্তৰ আহিল। মই আচলতে পলোবাৰ ইচ্ছাৰেই দিনটো জানিব খুজিছিলোঁ। পিছে এতিয়া জানি শুনি আঁতৰি থাকিলে বৰ নিৰ্লজ্জ আচৰণ কৰা হ'ব বুলি বহি থাকিলোঁ। জিভাই যেনি নিযে নিব বুলি সাজু হ'লোঁ।

নিৰ্দিষ্ট দিনত সি গধূলি পালেহি। পুৱাই যাব পৰিম নে সুধিলে। সি যাবই তাৰ ঘৰলৈ। মই নিজে নাযাও বুলি কলো। 'মিচ বৰুবাই তোক জইন কৰি ল'বলৈ কৈছে। তই জনাবি। ঠিকনা দিলে মিচ বৰুৱাযে তোলৈ চিঠি দিব।'

ঘূৰাই এষাৰো কথা নোসোধাকৈ সি মানি ললে।

পশ্চিমবঙ্গৰ কেড়াৰত সোমাল কঠালগুটি। বৰ্দ্ধমানত পষ্টিং।

এটা নতুন শ্ৰদ্ধাত তাৰ প্ৰতি মোৰ মূৰটো দোঁ খাই গ'ল। লগে লগে বুকুখনো শুকাই যোবা যেন লাগিল মোৰ নিজৰ প্ৰবঞ্চকৰ ভূমিকাটোৰ বাবে।

কামত জইন কৰি সি যথাসময়ত খবৰ দিলে। তাৰ পিছৰ পৰাই মোৰ ভৰিত খোজেপতি কাঁইটে বিন্ধা যেন লাগিবলৈ ধৰিলে। অতি সোনকালে এক ভয়ঙ্কৰ অগ্নিপৰীক্ষাৰ সন্মুখীন হ'বই লাগিব

বুলি মই প্ৰস্তুত হ'বলৈ ধৰিলো। মোৰ বোজাটো সাংঘাতিক-ভাবে গধুৰ যেন লাগিল গোটেই কামটো মই একান্তভাবে অকলে কৰি অহা বাবে।

তুৰাতিমান মোৰ টোপনীকে নধৰিলে। শেষত নিজেই কথা এটা থিক কৰি মই পাঁচ দিনৰ ছুটি লৈ, আগতে কোনো জাননী নিদিযাকৈ, তুদিন দাটি সুখুৰোবাকৈ, বৰ্দ্ধমান গুলালোগৈ।

কঠালগুটি অবাক মোক দেখি। মোৰ মুখলৈ চাই সি আৰু অবাক হ'ল। মই এষাৰো কথা নোকোবাকৈ একেথৰে তালৈ চাই থাকিলো কিছু পৰ। মনে মনে এখন নাটকৰ উৎকণ্ঠাবে ভৰা শীৰ্ষতম পৰিস্থিতিৰ উদ্ভাবন কৰি অভিনয় কৰিবলৈ সাজু হ'লোঁ। তাক একো সুধিবলৈ সুবিধা নিদি মই তাক সাবট মাৰি ধৰি যিমান পাৰো মাতটো থোকাথুকি কৰি ক'লো—'আই এম ছৰী, ন কুম। আমি মিচ বৰুবাক হেৰুবাই পেলালোঁ। তেও আমাক সকলোকে ঠগি থৈ গুছি গ'ল। তোক, মোক, তেওৰ পৰিযাল সকলোকে।'

"ভই কৈছ কি?" কঠালগুটি ভীষণ উত্তেজিত হ ল।

'সঁচা, নংকুম। তেওঁ হঠাৎ ঢুকাই থাকিল।'

"অ' গড।" বুলি নংকুমে বুকুত এটা ক্ৰচ চিন আঁকিলে। মুখেৰে ক'লে—'ঈশ্বৰে যেন তেওক শান্তি দিযে।' সেই বুলি কৈয়ে সি বহি দিলে।

ময়ো মনতে ঈশ্বৰক খাটিলোঁ—মিচ বৰুবাৰ,—এতিয়াও মিচ হৈয়ে আছেনে চাগৈ তেওঁ? —যেন কোনো অমঙ্গল নহয। মই বিপাকত পৰিহে বেচেৰীক মাৰি পেলালোঁ। আছে বা ক'ত তেওঁ।

নংকুমে কিছু সময়ৰ পিছত সুধিলে—"কি হৈছিল নো, তেওঁৰ?"

মই মোৰ জিভাক পূৰ্ণ স্বৰাজ দি কৈ গ'লো—'মোক মিচ বৰুৱাৰ বায়েকে সকলো কথা কৈছিল। আচলতে তোৰ বাবেই মিচ বৰুৱাই কথাটো গোপনে ৰাখিছিল। তেওঁৰ প্ৰায় তুবছৰ আগৰ পৰাই

বুকুৰ ক'ৰবাত কেন্সাৰ হৈছিল। তই কথাটো জানিলে পঢ়াত ব্যাঘাত জন্মে বুলিয়েই ।'

কঠালগুটিৰ চকুত পানী। সি থিয় হ'ল।

'মযো তোৰ লগতে যাম। মই এবাৰ সেই বাইদেউক লগ পাই আহিমগৈ।' সি ক'লে। মই জাপ মাৰি উঠিলোঁ। মুখেৰে কঠোৰভাবে ক'লো—"নোবাৰ, তই যাব।" আচলতে বাযেক-জনীকো মই মনেৰে সাজিছিলোঁ। 'তই এতিয়া তালৈ গ'লে গোটেই ঘৰখনেই ভাগি পৰিব। তই ভাবি নাচাব কেলেই তোৰ বাবেই মিচ বৰুবাই বেমাৰটো লুকাই থ'লে। ঘৰখনে ভাবে, সময়ত জনা হ'লে কিজানি চিকিৎসাকে কৰাব পাৰিলেহেতেন।'

"তই থিকেই কৈছ।" বুলি সি আকৌ বহি পৰিল।

সেযাই মোৰ কঠালগুটিৰে সতে শেষ দেখা। তাৰ দহ কি বাৰ বছৰৰ মূৰত এবাৰ খবৰ কৰি জানিছিলো সি বিযাবাৰু কৰোবা নাই। নকৰাযো হেনো!

মই কিন্তু এতিয়াও বিশ্বাস কৰো—সেই তাহানিতে কথাটোৰ ভেদ ভাঙি দিযাহেতেন সি বৰ অপমান পালেহেতেন। মিচ বৰুবাইও কেনেবাকৈ তাৰ মনৰ কথাৰ সম্ভেদ পোবাহেতেন লাজ পালেহেতেন।

হ'লেও মই মোৰ নিজৰ ভূমিকাৰ বিষযে আজিও সন্দিহান হৈয়ে আছোঁ। সদা, কষ্টী, নুৰহঁতকো ক'ব পৰা নাই কথাটো আজিলৈকে।

চিকাৰ

হ'লেও, যোবাবাৰতকৈ এইবাৰ পলম হ'ল পানী উঠোঁতে। বাৰিষাই আহিল পলমকৈ। গম পোৱা গৈছে, হাল জুৰিবলৈ নাপাই গাৱঁৰ বহুত বলদ গোধা হৈছে, নাঙলৰ ফালত মামৰে ধৰিছে। সেইবোৰলৈ চালে ইয়াৰ কামৰ কথা ভাবিবৰ হোৱাই নাই এথোন।

ব্ৰহ্মপুত্ৰৰ পানী কালি নিশা সোমাইছে বুলি খবৰ আহিছে। সেই খবৰ পালেই জয়ৰামহঁত অধিক সক্ষম হ'ব লাগে। বনৰ প্ৰায় আটাইবোৰ জন্তু পাহাৰলৈ উঠে। আন কি গড মহৰ গাৰ মাখি, চিকৰা খাই বৰ্ত্তি থকা বগলীবোৰো অলপ উত্ৰাবল হৈ পৰে।

ছেউনীৰ কাষে কাষে নতুনকৈ গচ লোৱা গাওঁ কেইখনৰ পৰা যথেষ্ট অনিষ্ট হৈছে। চোৰাং চিকাৰীয়ে গোপন বাহৰ পাতিবলৈ বৰ সুচল পায় তাত। পানী উঠিলে শৰ, মুগৰী পহুবোৰো পাহাৰৰ ফালে উঠে। পিছে নিজৰ ছাল শিঙৰ শত্ৰুতা ভেটি আগবাঢ়োঁতে লেহেম হয়। সক সক চাপৰিবোৰৰ এবুকুমান ওখ বননীৰ আঁৰ লৈ লুকাই থাকোঁতে এই নতুন গাৱঁৰ মানুহে টঙনীয়াই মাৰে। মঙহ নগাওঁ, গোলাঘাট, আনকি ডিব্ৰুগড়ৰ বজাৰতো লুকাই চুৰকৈ বিক্ৰী হয়। অথচ পোনপটীয়াকৈ চিকাৰী ধৰা টান।

এই সুবিধাতে পহুমঙহৰ লোভত বন্দুক লৈও চিকাৰী আহে। জীপ, এম্বাছাডৰ গাড়ী লৈ। এওঁলোকৰ সভয়, সতৰ্কতাৰ মাজতো একোটা বেপৰোৱা ভাৱ প্ৰায়ে দৃষ্টিগোচৰ হয়। এওঁলোকৰ পৰা এই জন্তুবোৰক ৰক্ষা কৰাটো সংৰক্ষণৰ এটা ডাঙৰ দায়িত্ব।

এনে দায়িত্ব পালনত আগশাৰীৰ বণুৱা জয়ৰাম আৰু তেওঁৰ লগৰীয়াসকল। অথচ জয়ৰামৰ ঘৈণীয়েকে জোকায় নিধিৰাম চৰ্দাৰ আৰু পাৰ্টি বুলি।

কথাষাৰৰ এটা অৰ্থ আছে। আজিও আবেলি শুই উঠি, গা পা ধুই জয়ৰামে নতুন খাকী কাপোৰ এসাজ পিন্ধিবলৈ লোৱাৰ লগতে, দুনলীয়া বন্দুকটোও এবাৰ ভালকৈ মছিকাছি ললে। সেই কামটো কৰি থাকোঁতেই, সোনকালে ভাত দিব পৰাকৈ খৰ-খেদা কৰি ইফাল সিফাল কৰি থকা ঘৈণীয়েকে দেখি "খিক"কৈ হাঁহি এটা মাৰি আঁতৰি গ'ল। জয়ৰামে ভেকাহি এটা মাৰি দিলে —'হৈছে, হৈছে, দাঁত দুপাৰি দেখুৱাব নালাগে যা।'

কাষৰ কোৱাৰ্টাৰৰ দীনৰো একেলগেই সাজপাৰ কৰাৰ কথা। দুয়ো গম পাই থাকে কোন মুহূৰ্ত্তত কোনে কি কৰিছে। জয়ৰামৰ মুখৰ ভেকাহি দীন, দীনৰ ঘৈণীয়েক আৰু পোন্ধৰ বছৰীয়া জীয়েক সুনীতিয়েও শুনিলে। তিনিও কথাটোৰ গুৰি ক'ত জানে আৰু সেইবাবে প্ৰায় একেলগে আটাইবোৰে খিলখিলকৈ হাঁহি দিলে।

সন্ধ্যাৰ আন্ধাৰ হোৱাৰ আগে আগে জয়ৰামহঁতৰ দলটো নিজ নিজ ঠাই পাবগৈ লাগে। বিট অফিচৰ লগবুকত সকলোৰে নাম লিখা হয় আৰু বিট নিৰ্দ্দিষ্ট কৰি দিয়া হয়। সেইবাবে ফিটফাট হৈ ঘৰৰ পৰা ওলাই গৈ বিট অফিচৰ বাৰাণ্ডাত কেউটা লগ হয়গৈ।

মুখত তামোলখন ভৰাই, জেপত চাৰমিনাৰ চুৰটৰ পেকেটটো আছেনে এবাৰ খেপিয়াই চাই, হাতত বন্দুকটো তুলি ললে জয়ৰামে। ঘৈণীয়েকে হাঁহি এটা মাৰি সুধিলে—'বাটলুগুটিকে কেইটামান ভৰাই নলয় কেলেই জেপত?'

"ধেৎ" বুলি জয়ৰাম ওলাই গ'ল।

সিহঁতক বন্দুকৰ যোগান ধৰা হয় যদিও গুলীৰ যোগান পৰিমিত পৰিমাণে দিয়া নহয়। সেইটো ভিতৰুৱাকৈহে জনা কথা। জুম

বান্ধি গ'লে এজনৰ হাতত গুলী থাকে, বাকীবোৰৰ হাতত বাটৰ মানুহে দেখাকৈ বন্দুক কেইটাহে থাকে।

*　　　*　　　*

গাড়ীখনৰ লাইটৰ কিবা বিজুতি ঘটিল নেকি। বহুদূৰ আন্ধাৰতে আহি, টিলাটোৰ কাষৰ কেকুৰি'টা ঘূৰিযেই বৈ গ'লহি। ড্ৰাইভাৰ নামি ততালিকে আহি বনেটখন খুলি দিলে। হাতত টৰ্চ এটা লৈ ইঞ্জিনৰ ভিতৰত ইটো সিটো যন্ত্ৰ আজুৰিবলৈ ধৰিলে।

সেইকণ সময়তে ভিতৰৰ তিনিজন আৰোহী গাড়ীৰ পৰা নামি থিয় হ'ল। সময় সৰহ নাই। লৰালৰিকৈ এজনে গাড়ীখনৰ ভিতৰৰ মজিযাত পেলাই থোৱা বন্দুক দুটা উলিযাই আনিলে। গুলীৰ টেমাটোও। আন এজনে কাপোৰেৰে মেৰিয়াই থোৱা পাঁচ বেটেৰীৰ দীঘল টচ এটা, টোপোলাৰ সতে হাতলৈ তুলি ললে।

আগতে চাই থোৱা আছিল। সেই হিচাবতে ঘাই আলিৰ পৰা নামি খোজ ললে। সৰু সৰু বনৰীয়া জামু গছ কেইজোপা মানেই যি হাবি এই কণ ঠাইত। বাট'টা সৰু জান এখনৰ পাৰ। দূৰৰ পৰা মাথাউৰী যেন লাগে। পিছে নহয়। এনেয়ে ওখ ভেটি কিছুমানৰ দৰে ওখোৰামোখৰা পথাৰ। তাতে পহুবোৰে আশ্ৰয় লযহি। পানী উঠি আহিছে, পহু ওলোৱা বিষয়ে সন্দেহৰ থলেই নাই।

বন্দুক দুযোটা সাজু। তিনিজনীযা দলটোৰ, দুজনৰ হাতত বন্দুক দুটা অদৃশ্য চিকাৰলৈ টোঁৱাই থোৱাই আছে। বন্দুক নথকাজনৰ হাতত টৰ্চটো। আগফালে জিলি বা গুৰুৰা জাতীয় পোকে খিৰিক কৰিলেও কেউজন সতৰ্ক হয়। আগৰজন বন্দুক ধাৰীয়ে গুলী কৰেই!

সাৱধান! খোজৰ মাত ওলাব না লাগিব। পহুৰ বাবেই নহয়, চোৰাং কৈ অহা বাবে সতৰ্কতাৰ চিন তেওঁলোক তিনিওৰে চাল চলনত ফুটি ওলাইছে।

প্ৰথমটো সৰু চাপৰিত একো পোৱা নগ'ল। প্ৰায় এককাল পানী ভাঙি পিছৰটোলৈ উঠিল তিনিওজন। এইটো চাপৰি এৰি অহাটোৰ দৰে মুকলি নহয়। তুজোপামান অলপ ডাঙৰ গছো আছে। আৰু সন্তৰ্পণে খোজ ললে তিনিওজনে।

* * *

জয়ৰাম বহি থকা গছৰ ফেৰেঙনিটো বৰ বেছি ওখত নহয়। হলেও, সতকাই চকুত পৰিব পৰাকৈ নিচেই চাপৰতো নহয়। সেইটো ফেৰেঙনিত আন বতৰতো জয়ৰাম বহিছে। সুচল। আউ-জিৰলৈকো ভাল। তাতে প্ৰথম দহ কি পোন্ধৰ মিনিটমান চকু মুদি জিৰাই ললে জয়ৰামে। খোজ কাঢ়ি, ঘূৰি ঘূৰি অহাৰ ভাগৰকণ সেইদৰে গুছাই ললে। আগৰো সেইটোৱেই অভ্যাস জয়ৰামৰ।

আজিৰ ঘূৰা সৰহ হ'ল। মাজে মাজে পানী ভাঙিও আহিব লগা হৈছে। চকু দুটা মুদি দিওঁতে সেইকণ সময়তে চিলমিলকৈ টোপনী ধৰা যেন লাগি গ'ল। খপ জপ কৈ চকু মেলি লাজ পালে সি। তাৰ গছজোপাৰ গুৰিতে চাৰি পাঁচটামান পহু। এজনী মাক, লগত পোৱালী এটা। নিশ্চয় জাকৰ পৰা ফাটি আহিছে। পানীলৈ বৰ ভয় পহুবোৰৰ। কিন্তু আচৰিত কথা সেইটো নহয়। আচৰিত, সিহতে গছৰ ওপৰতে বহি থকা জয়ৰামলৈ ভয় নকৰাটোহে। এই জন্তুবোৰেও জয়ৰামহঁতৰ দলটো আৰু তেওলোকৰ কাম কি বোধকৰো জানে।

সেইবোৰকে ভাবি ভাবি জয়ৰামে তলত থকা পহু কেইটালৈ চাই আছিল। পানীত ভগা পোক পকৰাই সিহতক সহজতে পাই আমনি কৰিছিল। কেউটাই মাজে মাজে জিকাৰ খাই উঠে। মাকজনীয়ে পোৱালীটোক যিমান পাৰে সুখত ৰাখিবলৈ চেষ্টা কৰি, মুখেৰে চেলেকি মৰম কৰি আছে। আন্ধাৰৰ মাজতো জয়ৰামে সেইবোৰ মন কৰি আছিল।

হঠাৎ, দাৰ্শনিকৰ দৰে কথা এটা মনলৈ আহিল জয়ৰামৰ। মাকবোৰ গোটেইবোৰ একেই নেকি। চৰাই চিৰিকতি, পোক-পৰুৱা, জীবজন্তু, আনকি মানুহবো মাকবোৰৰ স্বভাব একেই। কথাটো বিশেষকৈ মনত পৰিল তাৰ নিজৰ ঘৰৰ কথা ভাবি। ঠিক এইখিনি সময়ত তাৰ হেমীযেও নিশ্চয় লʼৰাটোক বুকুত সাবটি ধাৰ শুই আছে। নিশ্চয় ঘনে ঘনে সাৰ পাই হেমীয়ে লʼৰাটোৰ গাটো মোহাৰি, টোপনীতো তাক জানিবলৈ দিছে যে মাক তাৰ সজাগ। আৰু ডিউটি নথকাহেতেন এতিযা, জয়ৰামে নিজেও মাক পুতেক দুইটাকে একেলগে সাবটি ধৰি শুই থাকিলেহেতেন।

কথাটো মনলৈ অহাৰ লগে লগে কিবা অজান অৱসাদ এটাই খন্তেকলৈ জয়ৰামৰ গোটেই দেহাটো শিথিল কৰি দিলে। হাত এখন আপোনা আপুনি জেপৰ চুৰটৰ পেকেটটালৈ গʼল। চুৰট এটা উলিযাই মুখত লৈ আনখন হাতেৰে জুইছলাটো উলিয়াবলৈ লওতেই, কাঠি কমকৈ থকা বাবেই হʼব পাই খিলিক্‌কৈ সৰু শব্দ এটা হʼল। জয়ৰামে ভালকৈ তলকিবই নোৱাৰিলে কেনি কি হʼল।

তলৰ পহুকেইটা হঠাৎ চক খাই একেলগে থিয় হৈ উঠিল। মাজতে ডাঙৰ পহুজনীয়ে জাপ এটা মাৰি দিʼল। "গ্ৰপ"কৈ অলপ ডাঙৰ শব্দ এটা হʼল। পহুজনী বহি পৰিল। বহি পৰাই নহয়, অলপ দূৰতে, গৈ বাগৰি দিলে। আন কেইটা জাপ মাৰি আঁতৰি গʼল।

হুঁচ পায়েই জয়ৰামে, "হে ই" বুলি চিঞৰ এটা মাৰি প্ৰায় জাপ মাৰি তললৈ নামি আহিল। জেপত থকা চুইছলটো উলিয়াই মুখলৈ নিয়া আৰু হাতত থকা বন্দুকটো টোঁৱা দুইটাকাম একেলগে কৰিবলৈ লওতে তাৰ অলপ খপ জপ লাগিল।

চিকাৰী কেউজনে ভয় খালে। ভয় খালে নিজৰ সম্মানৰ কথা ভাবি। কেউজন, কম বেছি গণ্যমান্য ঘৰৰ মানুহ। মৰা-পহুৰে সৈতে ধৰা পৰিলে কেলেঙ্কাৰীৰ শেষ নহʼব। বদনামলৈ ভয়ানক ভয়। গতিকে কোনমতেই ধৰা পৰিব নালাগিব।

একেবাৰে আগত থকা জনে বাওঁহাত খনেৰে লগৰজনক চুই চালে। ইজনে ইঙ্গিতটো বুজি পালে। তেবো সেইদৰেই উত্তৰ দিলে। গোটেইবোৰ কথা এটা মুহূৰ্ত্তৰ ভিতৰতে হ'ল। আকৌ "খ্ৰ্প"কৈ অলপ ডাঙৰ শব্দ এটা হ'ল। জয়ৰামৰ মুখলৈ নিয়া ছুইছেলটো সৰি পৰিল আৰু সি নিজেও অস্ফুট গেঙনি এটা মাৰি ঢলি পৰিল।

বন্দুকবোৰত শব্দ নোহোবা কিবা দিহা এটা কৰি আনিছিল চিকাৰী কেউজনে।

টৰ্চটো খুলিব লগা হ'ল এইবাৰ। হাতেৰে ঢাকি, তললৈ পোহৰ পেলাই তিনিও ধৰাধৰিকৈ জয়ৰামক প্ৰায় চোচঁৰাই এফালে লৈ গ'ল। যি ঠাইত তেওঁলোকে পানী ভাঙিব লগা হৈছিল, তাতে মেটেকা গোট খোবা পাই আহিছিল। তিনিও জয়ৰামক লৈ গৈ ঠেলি মেটেকাৰ তললৈ সুমাই দিলে। তাৰে বন্দুকটোৰ কুন্দাৰে ঠেলি যিমান পাৰে দলৈ হেঁচা মাৰি ধৰিলে। তাকে কৰি নিশ্চিন্ত হৈ তিনিও বামলৈ উঠি আহিল। তিনিও নীৰব। সেই নীৰবতাৰ মাজতো হাতৰ স্পৰ্শই যোগাযোগ কৰিছিল। এবাৰ তিনিও ঠিক কৰিলে মৰা পহুজনী পৰা ঠাইতে এৰি থৈ যাব। আকৌ চিন্তা হ'ল। ড্ৰাইভাৰক পতিয়ন নিযাবৰ বাবেই পহুজনী লৈ যোৱা উচিত। তাকে কৰা হ'ল।

* * *

পুবে ঢলফাট দিওঁতেই পৰীযাৰ দলটো ভাগে ভাগে আহি বিট অফিচ পাযহি। কোনো কোনোবে লগ বুকত চহী কৰিযেই ঘৰমুৱা হয়। এঘুমটি শুই ল'ব পাৰি। কোনো কোনো আকৌ ৰৈ থাকে লগৰ আন কেইজন আহি পাওকহি বুলি। দীনও আহি, চহী কৰি অলপ সময় ৰৈছিলহি জয়ৰামলৈ। বেলি ওলাল, এই সময়লৈ কোনো নাথাকে আৰু হাবিত। জয়ৰামৰ চহীকৰা ঠাইকণ খালি হৈযে আছে। দীনই মুখৰ ভিতৰতে কিবা এটা ভোৰভোৰালে

জয়ৰামৰ কৰ্ত্তব্য নিষ্ঠাৰ কথা কৈ। পিছত বিট অফিচাৰক জগাই জয়ৰাম যে তেতিয়াও ঘূৰি অহা নাই, কথাটো জনাই ঘৰলৈ গুছি গ'ল।

হেমী উঠিল তেতিয়া। দীন নিজেও যথেষ্ট পলমকৈ ঘূৰি আহিছে। অথচ জয়ৰাম দেখোন অহা নাই। দীনৰ জীয়েকক মাত লগাই চকোবাৰ এই পাৰৰ পৰাই সুনীতিক সুধিলে হেমীয়ে—'দেউতাৰ আহিল নেকি হে সুনীতি?' প্ৰশ্নটো দীনই বুজি পাইছে। 'এৰা সি দেখোন আহি নাপালেহি এতিয়াও।'

হেমীৰ গাটো চেবালে। মুখেৰে একো নকৈ অলপ শঙ্কা, অলপ ভয়েৰে তলৰ ওঠটো কামুৰি ধৰিলে। পিছ মুহূৰ্ত্ততে সচেতন হৈ পৰিল। পানী উঠিলে ঘূৰি পকি আহোঁতে পলম হ'যেই।

প্ৰয়োজনতকৈ সৰহ সময় লগা যেন লাগিল বিট অফিচাৰ গগৈৰ। তেও ঠিক দহ বজাত চাৰিজন মানুহক লগত লৈ হাবিলৈ সোমাই গ'ল। দীন নিজেও ওলাল। তেও ঘূৰি আহিছিল ঘৰৰ পৰা।

এই দলটো উভটি আহোতে বেলি লহিয়াবৰ হ'ল। ইতিমধ্যে দিনটো নানা জল্পনা-কল্পনা, উদ্বেগ উৎকণ্ঠাৰ মাজত পাৰ হ'ল। হেমীৰ চৰুৰ ভাত সিজিছিল, পিছে বাঢ়ি খোৱা হে নহ'ল। দীনৰ ঘৰতো প্ৰায় একেই অবস্থা। বিভাগীয়ভাবে খবৰটো সদৰি হৈ গ'ল। হেমীৰ ঘৰলৈ কেবা জোৰাও মানুহ আহিল খবৰ কৰিবলৈ, মাত লগাবলৈ। পিছে, দুপৰ গৈ আবেলি হৈ অহাৰ লগে লগে মানুহবোৰৰ মুখৰ মাতবোৰে হৰি আহিল। আৰু মাজতে সুনীতিয়ে আহি মাকক কিবা কথা এটা ক'বলৈ মাতি লৈ গ'ল। হেমীয়ে চক্ খাই উঠিল—"কি হ'ল সুনীতি?' বুলি সুধিলেহে, উত্তৰ হ'লে নাপালে।

ইফালে গগৈৰ দলটো নিশ্চিত হৈ উভটি আহিল। আগবেলাতে খবৰ দিয়া বাবে উৰ্দ্ধতন বিষয়া কেইগৰাকি মানো

ইতিমধ্যে বিট অফিচত উপস্থিত হৈছেহি। গৈগৈযে তেখেতসকলক বাতৰি আৰু লগৰ বিৱৰণবোৰ দিছে। দীনই লগৰ তুজনমানক একাষৰীয়াকৈ মাতি নি ফুচ ফুচাই কিবা পৰামৰ্শ দিছে কি বিচাৰিছে, কিবা এটা কৰিছে।

সুনীতিৰ মাক আকৌ হেমীৰ ঘৰ পালেহি। তেওৰ মুখৰ গোমোঠা ভাবটোৰ একো অৰ্থ বুজি নাপাই হেমীযে প্ৰশ্ন কৰিবলৈ লওঁতেই তেওঁ হেমীক সাবটি ধৰি কিবা এটা কব খুজি বৈ গ'ল। তেওঁ মুখলৈ মাত আনিব পৰা নাই। তুবাৰ মান চেষ্টা কৰিও বিফল হল। উপায় নাপাই সোঁহাতখন দাঙি ধৰিলে। তাকে কৰোঁতে গাৰ সমস্ত শক্তি প্ৰযোগ কৰিব লগা হৈছিল। গোটেই দেহাৰ প্ৰতিডাল সিৰা-উপসিৰাই যেন আগন্তুক মুহূৰ্ত্তৰ নিষ্ঠুৰতাৰ প্ৰতিবাদ কৰিব খুজিছিল। ওচৰত থকা আটাইবোৰে অনুমানতে বুজি পাইছিল কি হ'ব ধৰিছে। সুনীতিৰ মাকে হেমীৰ কপাললৈ হাতখন নৈ গৈ ট-টকৈ জিলিকি থকা ফোটটো মছি পেলালে।

ঠিক সেই মুহূৰ্ত্ততে দিনটোৰ পৰিক্ৰমাৰ শেষত, ভাগৰত ৰঙা পৰা বেলিটোৱেও এই নিষ্ঠুৰ, নিদাৰুণ পৰিবেশৰ সাক্ষী নহও বুলি ব্ৰহ্মপুত্ৰত ডুব মাৰি লুকাই পৰিল।

ভাতৰ গোন্ধ

তিনিদিন হ'ল আজি। এই মুহূৰ্ত্তলৈকে কথা'টো চকুত পৰা নাছিল এলিৰ। তিনিও দিন দুই বজাৰ পৰা ডিউটি কৰিছে। তিনি বজাৰ পৰা পাঁচ বজালৈকে ৰোগীক দেখা কৰাৰ সময়। হা'ত হাতে টোপোলা, বটল, বা টিফিন কেৰিয়াৰ লৈ সকলো ৰোগীৰ কাষলৈ কোনোবা নহয় কোনোবা এজন আহিছে। কোনো কোনোক ঘৰৰ পৰা খাবলৈ দিয়ে। তেওলোক অসময়তো আহে। খোবা বস্তু লৈ। পিছে আঠ নম্বৰ বিছনাৰ মানুহ গৰাকীৰ কাষলৈ ক'তা আজি তিনিদিন হ'ল কোনোৱেই অহা নাই দেখোন।

ভৰ্ত্তিৰ সময়ত এলি নাছিল। গধূলিৰ পৰা ডিউটি আছিল সেই দিনা। ছদিন হ'ল হ'বলা। নতুন ৰোগী দেখি কাষলৈ গৈ দেখে সেঁতা মুখখন যন্ত্ৰণাত ভীষণ কাতৰ। এখন হাতেৰে লোহাৰ বিছনাৰ কাষ এটাত খামুচি ধৰি আছে। তলৰ ওঠ'টো কামুৰি ধৰি যন্ত্ৰণা ঢাকিবৰ আপ্ৰাণ চেষ্টা কৰিছে। কপালখন ঘামি উঠিছে আৰু বৈ বৈ গো'টেই মানুহজনী কঁপি উঠিছে।

চাৰ্টখন দাঙি এখন্তেক চাই চিস্টাৰ এলিয়ে গম পালে প্ৰাথমিক-ভাৱে কলিটিছ বুলি ধৰা হৈছে। তলপেটৰ বিষ। আচৰিত, অসম্ভব যাতনাতো মানুহ গৰাকীয়ে মুখেৰে এটাও শব্দ উচ্চাৰণ কৰা নাই। চিস্টাৰ এলিৰ অলপ ভয় লাগিল। লৰালৰিকৈ লগবুকখন উলিয়াই ডাক্তৰ নাথলৈ এটা আৰ্জেন্ট কল পঠালে।

ডাক্তৰ পেয়িং ৱাৰ্ডৰ সক ল'বা এটাৰ কাষত ব্যস্ত। অলপ সময় লাগিব। যদি একান্ত চিচিয়াচ, ৰেছিডেন্ট চাৰ্জন শইকীয়ালৈ

খবৰ পঠাওক। পঠালে। তেখেত হেনো ওলাই গৈছে। আন দু গৰাকী ৰোগীক দিব লগা ইনজেকছন দুটা দি চিস্টাৰ আকৌ আঠ নম্বৰ বিছনালৈ আহিল। তেও কাষ ছপা দেখি ৰোগিণীৰ চকু দুটাই এটা অতি বেঠা লগা আকুতিৰে চালে চিস্টাৰ এলিৰ মুখলৈ। সেইটোকে টান পায় এলিয়ে। আনে চিঞৰি কোবাৰ দৰে—'কিবা এটা কৰক অ' বাইদেউ, মই মৰিম এতিয়া,' বুলি মুখেৰে ক'লে আবেদনটো স্বাভাবিক যেন লাগে। কিন্তু এইদৰে, চকুৰে মুখে কাতৰ অথচ নিৰ্বাক অনুৰোধবোৰ বৰ অসহ্য লাগে। উপায় নাপাই ওলাই থকা হাতখনত আলফুলকৈ মোহাৰি লাহেকে ক'লে 'ডাক্তৰ আহিব এতিয়াই ।'

এঘণ্টামানৰ পিছত হে আহিল ডাক্তৰ। পেযি বাৰ্ডৰ ল'ৰাটোৰ অসুখ বৰ সাংঘাতিক নহয়। কিন্তু ওচৰতে ডাক্তৰজন বহি নাথাকিলে নহয়। চহকী মানুহ। গণ্যমান্য দেউতাক। দেখা কৰিবলৈ আলপৈছান ধৰিবলৈ অহা মানুহেই বহুত। সেইবাবে দেখনীয়াৰকৈ ডাক্তৰজন ওচৰতে থাকিবই লাগিব।

আঠ নম্বৰ বিছনাৰ ৰোগিণীৰ অৱস্থাটো দেখি নাথে নিজেও একো ঠিক কৰিব নোবাৰিলে। বিষটো কমক বুলি মাত্ৰ এপালি মৰফিন দিয়াৰ ব্যৱস্থা কৰি এলিক ক'লে—'কাইলৈ এক্সৰে'ৰ দিহা কৰিব লাগিব, মোৰ বোধেৰে পাথৰ হৈছে।'

পিছদিনা ৰে' কৰোৱা হৈছিল। আৰু ডাক্তৰ নাথৰ অনুমান সঁচা বুলি ধৰাও পৰিল। লগে লগে চাৰ্জিকেল বাৰ্ডলৈ বিছনা সলোৱাৰ ব্যৱস্থা কৰা হ'ল। পিছ সিমান সহজ নহয় কথাবোৰ। আচল কথা সেইবোৰ সিদ্ধান্তৰ পিছতে লাগি থাকিবলৈ এজন মানুহ লাগে। এই ক্ষেত্ৰত, চিস্টাৰ এলিয়ে মন কৰিলে, কোনোবেই যেন নাই।

তথাপি কাগজ-পত্ৰবোৰ চহী টহি কৰোৱাই, নিজেই খা-খবৰ কৰি ৰোগিণীক পঠাই দিয়া হ'ল। কিন্তু পিছদিনাই কেছটো চাৰ্জিকেল

বাৰ্ডৰ পৰা ঘূৰাই পঠালে। চাৰ্জন গোঁহাযে নিজে চাই চিতি অস্ত্ৰোপচাৰৰ সিদ্ধান্ত লোৱাটোকে থিক কৰিও কেছটো ঘূৰাই দিলে আৰু কমেও তিনি সপ্তাহ প্ৰস্তুতি চিকিৎসাৰ দিহা দি পঠালে। তেজ নাই। অস্ত্ৰোপচাৰ এতিযাই হ'ব নোৱাৰে।

কিন্তু লেঠা লাগিল চিস্টাৰ এলিৰ বাড্ৰত। আগৰ বিছনাত পুৰাই নতুন ৰোগীযে ঠাই ললেহি। চাজিকেল বাডত আ'ৰকালি বিছনাবোৰ বেলেগ। বিশেষ সুবিধা থকা। সেইবোৰ পৰা পক্ষত অস্ত্ৰোপচাৰৰ ওচৰাওচৰিকৈহে ব্যৱহাৰত থটুওৱা হয। সেইদৰেও খালি হৈ নাথাকেই।

গতিকে তুৰাতি মাটিত পাৰি দিযা বিছনা এখনত থাকিবলৈ দি ৰোগিণীক ভিতৰফালে বাৰাণ্ডাৰ কাষৰ বাৰ নম্বৰ বিছনালৈ বদলী কৰা হ'ল। এনেযে ভালেই। বিছনাৰ কাষতে খিডিকি এখন। বাৰাণ্ডাইদি পেযিং বাৰ্ডবোৰলৈ যাব লাগে। সেইবাবে সকলো সময়তে নানা ধৰণৰ মানুহৰ অহা যোৱা চকুত পৰি থাকে।

তেওবুলি, তুৰাতি মাটিৰ বিছনাত কটাওতে এই মানুহ গৰাকীয়ে যে অসহ্য যন্ত্ৰণা এটাত ভুগি কাতৰ হৈ পৰিছিল আৰু তেনে যন্ত্ৰণাতো এষাৰ মাত মতা নাছিল ডিউটিত থকা কালছোৱাত চিস্টাৰ এলিযে স্পষ্টভাবে কথাটো মন কৰিছিল। প্ৰথমতে ছোৱা মনোভাবটো তেওৰ থাকিযেই গ'ল। এই গৰাকী ৰোগিণীৰ খবৰ লওঁতা বোধকৰো কোনো নাই।

বহুত ক্ষেত্ৰত হয এনেকুৱা। ওচৰচুবুৰীযা মানুহে এদিনৰ বাবে দৰদী প্ৰতিবেশী হৈ হযতো বেমাৰীক হস্পিতালৰ বিছনা এখনত পেলাই থোৱাৰ পিছতে সকলো দাযিত্ব বা দৰদ পাহৰি গ'ল। পিছে মানুহজনীৰ বযসলৈ চাই বা তেওঁ সদায সযতনে লোৱা, লগত লৈ অহা টেমাটোৰ পৰা সেন্দুৰৰ ফোটটোলৈ চাই তেনে নিঠৰুৱা মানুহ যেনো নালাগে দেখোন। হলেই বা, সেইবোৰ চিন্তা কৰি চিস্টাৰ এলিয়ে পাৰ পাব নোৱাৰে বা উপাযহীন অৱস্থাত

বিশেষ উপায়ো কৰি দিব নোবাৰে। আনবোৰ চিস্টাৰে কিবা দেখা নাইনে তেওঁক ?

দেখিছে যদিও, ভিজিটি, আবাৰত ডিউটি কৰিছে এই কেইদিন চিস্টাৰ এলিযে। গতিকে কথাটো তেওৰ চকুত বেছি ফট্‌ফটীযাকৈ পৰিছে আৰু মনত স্পৰ্শ কৰিছে ৰোগিণীৰ নীৰব সহনশীলতাই।

চাৰ্জিকেল বাৰ্ডৰ পৰাই চাৰ্টত কেবাবিধো দৰবৰ ব্যবস্থা দি পঠাইছে আৰু তাৰে কমেও ছুবিধ ৰোগীৰ পক্ষৰ পৰা যোগাৰ কৰিবলৈ নিৰ্দ্দেশ দিযা হৈছে। গতানুগতিকভাবে অবশ্যে ৰন্ধনীৰ ভিতৰত লিখি দিযা হৈছে যে সেই নিৰ্দ্দেশ ৰোগীৰ অনুৰোধক্ৰমেহে দিযা হৈছে। চিস্টাৰ এলিযে জানে, তেনে অনুৰোধ কোনেও নকৰে। আৰু ছুবাতিৰ পিছতো সেই ছুবিধ দৰবৰ এবিধো অনা হোবা নাই। অবশ্যে হস্পিতালৰ পৰাই বিষ কমোবা আৰু এণ্টিবায'টিক দৰব দিযা হৈছে। এণ্টিবায়'টিক ইনজেকছন। পুবাৰ চিস্টাৰে এবাৰ দিযে। দিনটোলৈ হয। বিষ কমোবা বিধো একান্ত প্ৰয়োজন হ'লহে দিযাৰ কথা যদিও এই ছুদিনতে সেই “একান্ত প্ৰযোজন” কেবা বাৰো হৈছে আৰু তাৰে ছুই কি তিনিবাৰ চিস্টাৰ এলিযে নিজে দিছে।

কিন্তু বেছি প্ৰযোজনীয দৰব ইছুবিধহে। তেজ বঢ়োবা এণ্টি-এনিমিক কিবা এটা আৰু পুষ্টিকাৰক আন এটা। এটাও অনা হোৱা নাই। ৰোগীযে নিজে অনা দৰব খুওৱা, ইনজেকছন দিযাৰ দিহা কৰে পুৱা অহা চিস্টাৰে। তাকে পাল পৰিলে আবেলিৰ আৰু ৰাতিৰ চিস্টাৰে খুৱাব বা বেজী দিব লাগে। চিস্টাৰ এলিযে চাৰ্ট চাই বুজিলে তেওঁৰ ডিউটিৰ সময়তো এবাৰ এটা কেপছুল খুৱাব লাগে। বাৰ নম্বৰ বিছনালৈ অনাৰ দিনা সুধিছিল এলিয়ে—'দৰবযোৰ দেখোন অনোৱাই নাই।'

'সেই কেইটা নানিলে নহবনে বাইদেউ ?' বুলি ৰোগিণীয়ে ঘূৰাই সুধিলে চিস্টাৰক।

এলিয়ে বুজিলে হয় আনোতা নাই বা আনিবৰ সামৰ্থ্য নাই। কোনোবা খা খবৰ কৰোঁতা মানুহ এজন দেখাহেতেন চিস্টাৰেই কথাটো উলিয়াই কৈ দিব পাৰিলেহেতেন। তেনে মানুহ দেখা নাই। তথাপি কেবাদিনৰ গোট খোৱা কৌতূহল দমাব নোৱাৰি এলিয়ে সুধিয়ে পেলালে—'আপোনাৰ মানুহজন, ক'তা অহা দেখা নাই দেখোন। তেখেতে গম পোৱা নাই নেকি?'

মানুহ গৰাকীয়ে শব্দৰ একো নকৈ ওঠ দুখন চেপি ধৰি এবাৰ মূৰটো দুপিয়ালে। তাৰেই যেন বহুত কথা কোৱা হ'ল। চিস্টাৰ এলিৰ বৃত্তিগত স্বভাব চেৰাই, কথাষাৰে এলি মানুহজনীৰ মন চুলে। কোনো ব্যাখ্যা নুশুনাকৈয়ে তেওঁ যেন বুজি পালে মানুহজনীৰ ৰোগক্লিষ্ট দৈহিক বেদনাৰ বাহিৰেও কিবা বেদনা এটা আছে। কি সেই বেদনা নুবুজাকৈয়ে এটা অনুকম্পা জাগিল এলিৰ মনত। আৰু সেই অকণমান অনুকম্পাই এলিক মানুহ গৰাকীৰ মনৰ ওচৰ চাপিবলৈ উছাহ দিলে।

দুপৰীয়া ডিউটিলৈ আহিয়েই চিস্টাৰ এলিয়ে এবাৰ চকু দিয়ে বাৰ নম্বৰ বিছনাৰ ৰোগীৰ ফালে। বৃত্তিৰ কৰ্ত্তব্যই পোনে পোনে গৈ বা চকুত পৰাকৈ বিশেষ এগৰাকী ৰোগিণীৰ প্ৰতি মনোযোগ দিয়াত বাধা দিয়ে। সেয়ে, টান অসুখ হোৱা ৰোগীৰ বিছনা কেইখনৰ ওচৰ চাপি নানা অনুৰোধ উপৰোধ ৰাখিবলৈ চেষ্টা কৰি, আৰু দৰৱ খুৱাই তাৰ জ্বৰ চাই এদনীয়া হৈ বাৰ নম্বৰ বিছনালৈ যায়। কাৰণ জানে তেওঁক খুৱাব লগা দৰৱ অহাই নাই আচলতে কেইবিধ।

সেইদৰে গৈও বিছনাখনৰ কাষ চাপিলেই সেইখন বিছনাৰ ৰোগিণী গৰাকীয়েও যেন মনৰ কোনোবা এচুকৰ পৰা গম পায় চিস্টাৰৰ সান্নিধ্যই এটা আপুৰুগীয়া সহানুভূতিও লৈ আহে। আৰু তেওঁ হয়তো অবচেতন মনেৰেও ধৰিব পাৰে বা শৰীৰৰ কিবা এটা ৰসায়নে কৈ দিয়ে সেইকণ সহানুভূতিয়েও এবিধ দৰৱৰ কামেই কৰে।

যাচি সুধি অনাহক আপোন হ'বলৈ যোবাযেন নোদেখুবাকৈযে চিস্টাৰ এলিযে জানি পেলালে বাৰ নম্বৰৰ খবৰ ল'বলৈ আহিব পৰা মানুহ সঁচাকৈযে নাই। গিৰীযেক আছে। কিন্তু তেবোঁ খবৰ ল'বলৈ আহিব পৰা নাই। নোবাৰে। ঘৰখন হস্পিতালৰ পৰা সাত মাইল দূৰ বা ঘৰত ডেৰবছৰীযা কেচুবা এটা—তেওঁলোকৰ একমাত্ৰ সন্তান—আছে বাবেই নহয। মানুহজনৰ ভৰি এটা নাই। থিক নাই, নহয। পঁযা লগা। আৰু তিনিটা প্ৰাণীৰ সেই তথাকথিত "সুখী পৰিযালটো বো দুখ একেবাৰে কুলাই পাচিযে নধৰা নহ'লেও উলাইও কৰিব নোবাৰি।

কথাখিনি চিস্টাৰ এলিযে একদিনাই জনা নাছিল। বাৰ নম্বৰ বিছনাৰ ৰোগিণীৰ মুখৰ মাত কাষৰখন বিছনাৰ ৰোগীযেও শুনে কি নুশুনে। তেওবুলি, চেগাচোৰোকাকৈ কৈ যোবা এষাৰ দুষাৰ কথা, এটা দুটা খবৰৰ পৰা গোটাই এলিযে আৰু জানিছিল যে বাঁহ বেতৰ কাম কৰি, বেপাৰীযে ঘৰতে মোলাই যি দাম দি যায তাৰেই সেইখন সংসাৰ চলে। ৰাহিৰ কথাই নাই। কিন্তু কথা সেযাই নহয। পঁযা লগা মানুহটোলৈ কোনো বজা ঘৰে ছোবালী নাযাচে জনা কথা। এই গৰাকী মানুহো ছোবালী কালতে ঘাট মাউৰা হৈ মোমাযেকৰ গলগ্ৰহ হৈ আছিল। শাস্ত্ৰসম্মত বিযা এখন পাতিযেই সেইফালে পিঠি দি মোমাযেকে মুক্তি পালে। পিছত খা খবৰ ৰাখি আকৌ বন্ধনত সোমাবলৈ মোমাযেকে কাহানিও চেষ্টা নকৰিলে।

তথাপি চলি আছিল সংসাৰ। টুক টুক টাক টাক কৈ। আছিল অসুখ এটা আগৰ পৰাই। এতিযা গম পাইছেহি বোলে সেইটো গেচট্ৰিক নে কিবা। খোবাৰ অনিযমৰ বাবে হয। খোবাৰ আক' নিযম থাকে। সেইটোও জনা নাছিল মানুহ গৰাকীয়ে আগেযে। সেইদৰেই গাৰ্হৰে আৰ তাৰ হতুৰা বাঁহ দুটা কালিয়নে কিনাই অনা, বেপাৰীযে দিযা পইচাকেইটা সামৰি খোৱা, আন কি

কেতিযাবা দা কটাৰীও ধৰাই দিযা কাম তেও নিয়াৰীকৈযে চলাইছিল। আৰু, কোনো সময়তে গিৰীযেকক অসুখ বিসুখৰ কথা কৈ আহুকালত নেপেলাইছিল। বেছি টান যেন পালেও সহি সামৰি আছিল।

নোবাৰিলে ল'ৰাটো হোবাৰ পিছত। তেতিয়াব পৰাই কিবা কলি সোমাল দেহাত। ইটোৰ পিছত সিটো সুগুছাই হ'ল। শেষলৈ তলপেটৰ বিষটোও লুকাই থব নোবাৰা হ ল।

বহুত চোবা চিন্তা, আলোচনা বিলোচনাব পিছত, গাৱঁৰ দূৰ সম্পৰ্কীয দদাযেক এজনে গাত ললে বোবাৰীযেকক গৰৰ হস্পিতালত ভৰ্তি কৰি দিবলৈ। কিন্তু খেতি খোলা এৰি তেওঁ দিনৌ অহা যোবা কৰিব নোবাৰিব। মাজে মাজে অৱশ্যে খবৰ কবাব কথা। ৰবা নাই। ভাল হলে একেবাৰে লৈ যাবহি। পিছে বেমাৰীযে ভাবিছিল শ টোকহ চাগৈ নিবহি লাগিব।

'কিয হ'ব? তেনেকৈ নাভাবিব। আমি হ'লে কেলেই আছোহক ইযাত।' আনক তেনেকৈ নিদিযা আশ্বাস এটা মনব মাজৰ পৰা দি দিলে চিস্টাৰ এলিযে

তেওবুলি বেমাৰীযে গা বৰিব পৰা নাই। অথচ গা ৰবাটোৰেই এতিযা প্ৰধান লক্ষ্য। বিষটো অলপ তাপ মাৰি আছে। পুষ্টি কিন্তু ওঁহো, একেবাৰে অহা নাই। আহিবলৈ, হস্পিতালৰ ঠেলাগাডীখনৰ বাকচত ভৰাই অনা ডাইল, ভাত আৰু অন্যান্য সামগ্ৰীযে পেট ভৰালেও পুষ্টি লগাকৈ নিদিযে। কথাটো বেমাৰীয়ে বুজিলেও সুবুজাৰ ভাও ধৰি আছে। চিস্টাবসকলে বুজিলেও উপায়হীন। তাৰ মাজতো চিস্টাৰ এলিয়ে এদিন এটা নকৰিব লগা কাম কৰি পেলালে। নিজে কিনি অনা হৰলিকচৰ বটল এটা হস্পিতালৰ পৰা দিযা বুলি বাৰ নম্বৰ বিছনাৰ কাষত থৈ গ'লহি।

বাৰ নম্বৰ বিছনাৰ ৰোগিণীৰ অলপ সন্দেহ হৈছিল। তেনেকুৱা বটল প্ৰায় বোৰ বিছনাৰ কাষতে আছে, কিন্তু সেইবোৰ ৰোগীৰ

পক্ষৰ পৰাহে অনা চকুত পৰি আছে। তাকে মুখ ফুটাই সুধিবলৈ নিমাতী কন্যাৰ মাত নোলাল। কোনো কথাই তেওঁ আজিলৈকে যাচি সুধি পোৱা নাই।

সেইটোৱেই প্ৰথমতে চকুত পৰিছিল চিস্টাৰ এলিৰ আৰু অবাক কৰি ভাবিবলৈ বাধ্য কৰিছিল কি অৱস্থাই মানুহক অসহ্য শাৰীৰিক বেদনাও সহি থাকিবলৈ বাধ্য কৰে। সহি থাকিলেও ৰোগীৰ চকুৰ আকৃতি কিন্তু লুকাব নোৱাৰিলে। সেইটোৱেই চিস্টাৰ এলিক এই ৰোগিণীৰ ফালে সচেতন কৰিছিল। কিবা আকৰ্ষণ এটা অনুভৱ কৰিছিল।

সেইবাবেই বোধকৰো ৰোগিণীৰ মুখত প্ৰথম প্ৰশ্নটো, চিস্টাৰক মাতি সৰু মাতেৰে সোধা প্ৰশ্নটো, শুনি চিস্টাৰ এলিৰ ভাল লাগিছিল। তেও ভাবিছিল সেইদৰে মাত লগাব পৰাটোও সাধাৰণ অৱস্থালৈ অহাৰ এটা লক্ষণ। মানুহ গৰাকীয়ে জানিব খুজিছিল, কাষৰ বাৰন্দাই দি দিনটোত কেৱা বাৰো একোটা মানুহে কাপোৰেৰে ঢাকি সেযা কি লৈ যায়? আমোল-মোলকৈ গোন্ধায় যে?

'অ' সেযা পেযি, বাৰ্ডৰ ভাত। একোজন বেমাৰীৰ একো একোখন ট্ৰে'।' চিস্টাৰ এলিয়ে বুজাই দিছিল। গোন্ধৰ কাৰণটো বুজাব লগাহঁওতে কৈছিল বিশেষভাৱে ৰন্ধা আহাৰ। বেলেগে পইচা দিযে বাবে। স্যুপ, স্তু, এইবোৰ নাম বেমাৰীয়ে নুবুজে বাবে বুজাই দিছিল। তাকে ব্যাখ্যা কৰোতে চিস্টাৰ এলিয়ে ডিঙিত কিবা এটা লাগি ধৰা যেন অনুভৱ কৰিছিল।

ডিঙিত লাগি ধৰা সেই কিবাটোৱেই দুদিনৰ পিছত এলিৰ মাতো বন্ধ কৰি দিলে। এইবাৰ বাৰ নম্বৰ বিছনাৰ ৰোগিণীয়ে তেওঁলৈকে বাট চাই থাকি, খবৰ কৰি অদ্ভুত অনুৰোধ এটা কৰিলে। বেমাৰ, যাতনা, দৰৱ, পথ্য আদিৰ বিষয়ে মাত এষাৰ নমতা মানুহজনীয়ে কাতৰভাৱে চিস্টাৰ এলিক অনুৰোধ কৰিলে—সিটো

শাৰীৰ, মানে সিখন বেবৰ ফালে থ'কা বিছনা লানিৰ এখন খালি হ'লেই, তালৈ তেওক লৈ যাব পাৰিবানে ?

'কিয় ? এইখনহে ভাল বিছনা। কাষতে খিড়িকিখন। বতাহ পায। মানুহ দুনুহৰ অহা যোবা দেখি থাকিব পাৰি। মনটো কিবা এটাত লগাই থ ব পাৰিব। সেইখন বিছনানো এৰি দিযনে ?'

ৰোগিণীযে প্ৰথমতে একো মতা নাছিল। ক'বলৈ আচলতে ভাষা বিচাৰি পোবা নাছিল। পিছত সেমেনা সেমেনিকৈ, কওঁ নকওকৈ, সেই এাক সৰু মাতেৰে কৈ পেলাইছিল—'মানে, সেই যে লৈ যায , ঢাকোন দিযা ভাত।' এলিযে যেন ৰোগিণীৰ চকুৰে মুখে এটা লোভৰ প্ৰকাশহে দেখিলে। পিছে নহয কথাষাৰৰ শেষৰ ফালে ৰোগিণীৰ নাকটো অকণমান কোঁচ খাই গৈছিল। বৰকৈ গোন্ধায ।'

চিস্টাৰ এলিযে এইবাৰ মাতিব নোবাবা হ'ল।

তীৰ্থ

বহুত আলোচনা বিলোচনাৰ মূৰত ঠিক হ'ল বিশ্ব বৰুৱাই গাড়ী লৈযে যাব। লগত বৰুৱানী আৰু তেওঁলোকৰ একেবাৰে সৰুজনী ছোৱালী বন্তীও যাব। মাজু পুতেকো যাবলৈ ওলাইছিল, আটায়ে নালাগে বুলি ক'লে। সহায়-সাৰথি লাগিলে ড্ৰাইভাৰ জয়ৰাম আছেই। পুৰণা মানুহ। আৰু লাছনি পাছনি কৰিবলৈ ৰমা যাব।

ৰমা বৰুৱাৰ ঘৰত নতুনকৈ সোমাইছে। তাক ৰখাও হৈছে বৰুৱাৰ আলপৈছান ধৰিবলৈকে। পোন্ধৰ বছৰমান হৈছে বয়স। বন্তীৰ জুৰীযাই বুলিব পাৰি। অভাৱত পৰি, পঢ়াশুনা এৰি এনেকৈ বন কৰা ল'ৰা হিচাপে কামত সোমাইছেহি। তাক লৈ গ'লে ইটো-সিটো লাগতিয়াল কামবোৰ কৰি দিব পাৰিব। আৰু বেছি মানুহ হ'লে বৰ হেচা ঠেলা হ'ব। ইমানদূৰ বাট আৰু ইমান দিনৰ যাত্ৰা যেতিয়া অলপ মুকলি-আকলিকৈ বহি যাব পাৰিলেহে ভাল।

বৰুৱা তীৰ্থলৈ ওলাইছে। বহুত দিনৰ বাসনা। যাও যাওঁ কৰোঁতে ইমান দিনে হৈ উঠা নাই। এনেযে ঘূৰিছে বৰুৱাই বহুত ঠাই। কিন্তু তীৰ্থ বুলি আজিলৈকে ওলাব পৰা নাই। এমবাছাডৰ গাড়ীখন লৈ গয়া আৰু পুৰীলৈ যাবলৈ বহুত হাক দিছিল। পিছে জয়ৰামে সাহ দিলে। গাড়ীৰ বিষয়ত জয়ৰামৰ সাহসেই যথেষ্ট। গতিকে দিন বাৰ চাই যাবলৈ থিৰ কৰা হ'ল।

যাত্ৰাৰ চাৰি দিনৰ আগতে ৰমা এদিনৰ বাবে ঘৰলৈ গ'ল। বিদেশ বুলিবলৈ সি গাঁৱৰ পৰা ওলাই এই নগৰখনকে যি দেখিছে। এতিয়া ওলোৱা এই অযাচিত সুযোগটোৰ কথা ঘৰত, বিশেষকৈ

বুঢ়ীমাকৰ আগত এবাৰ কৈ আহিব গৈ। বুঢ়ীমাকজনী তাৰ এতিযাও জীযাই আছে। তেৰেঁ মাক মৰাৰ পৰাই ৰমাক চাই আহিছে। দেশ চাবলৈ এনেকৈ পোৱা সুবিধাৰ কথা শুনি বৰ ভাল পালে ৰমাৰ বুঢ়ীমাকে। দেশেই নহয়—একেবাৰে জগন্নাথ দৰ্শন। কোনোবা জনমত সাধি নাহিলে এনে ভাগ্য কাৰ হয়? যাওক, ৰমা যাওক। জানোছা ঈশ্বৰে চকু মেলি চাযেই তাৰ ফালে। কাষ'ত বহুবাই বহুতো দিহা বুধি দিলে বুঢ়ীয়ে ৰমাক। ওলাই আহিবৰ সময়ত বুঢ়ীয়ে তেওঁৰ সাঁচতীয়া সম্পদৰ ভাণ্ডাৰ খুছৰি মহাৰাণীৰ টকা এটা পাই তাকে ৰমাৰ হাতত দিলে, প্ৰভু জগন্নাথৰ চৰণত লগাবৰ বাবে। আৰু, তাৰ পিছতে ৰমাক অবাক কৰি বুঢ়ীয়ে তাৰ ভৰি দুটা চুই সেৱা এটা কৰি দিলে। ৰমাই উচপিচ কৰি দুহকি আহিল। তীৰ্থলৈ যাবলৈ ওলোৱা মানুহক। হয়, তেনে কাৰ মানুহ।

সেই মুহূৰ্ত্তত ৰমাৰ দেউতাক বাবীৰ পিছফালে আঁতৰি গৈছিল। ৰমাৰ হাতত দুটা বা এটা টকা দিব পৰাহেতেন ভাল আছিল। সেযাকে গোটাব নোৱাৰা দুখ'টা চকুৰে মুখে ওলাই পৰে বুলিয়ে মানুহটোৱে মুখ লুকাবলৈ পলাই গ'ল।

লিষ্টি মিলাই কি ক'ত লাগিব পাৰে গুণাগথা কৰি গাড়ীত বস্তুবোৰ তোলা হ'ল আগদিনা ৰাতিয়ে। ৰাতি এভোখৰলৈকে দিহা-পৰামৰ্শ চলিল। ক'ত ক'ত ৰাতি থকাৰ সুবিধা আছে, ক'ৰ পৰা প্ৰথম টেলিগ্ৰাম কৰিব, ক'ত কি খোৱা ভাল হ'ব ইত্যাদি এশ এবুৰি কথা। বিশ্ব বৰুবাই শুনি গৈছে। মনত আছেনে নাই সন্দেহ কৰি একেবোৰ দিহাকে বৰুবানীয়ে দিয়া হৈছে। বস্তীয়ে দৰকাৰ যেন দেখা দুই এটা কথা কাগজ এখনত টুকিও লৈছে।

যাত্ৰাৰ সময় মিলাই পুৱা ছয় বাজি তেত্ৰিছ মিনিট যোৱাৰ পিছতে গাড়ী এবা হ'ল।

বৰুবাৰ ইচ্ছা কেবল গয়া আৰু পুৰীলৈ যোৱা। বৰুবানীয়ে বৃন্দাবনলৈকো পাক এটা মৰাৰ কথা কৈছিল। পিছে গাড়ীখন লৈ

ইমানদূৰ ঘূৰি ফুৰিলে অসুবিধা পাব বুলি বৰ পুতেকে আগতে সঁকিযাই থৈছে। সেযে মুখ্য উদ্দেশ্য, গযাত দেউতাক মাকৰ শ্ৰাদ্ধ কৰি, পুৰীলৈ গৈ সমুদ্ৰ-স্নান কৰি মহাপ্ৰভু জগন্নাথ দৰ্শন কৰা হ'ব। সেইখিনিতে বস্তীৰ প্ৰবল ইচ্ছাক আসৈ দি থিক কৰা হ'ল, কলিকতাতো তিনিদিন থকা হ'ব।

ৰমাৰ বাহিৰে বাকীবোৰে বাট দেখি সিমান আনন্দ পোৱা নাই। জীবনত প্ৰথমবাৰৰ বাবে ইমানদূৰ দেশলৈ যাবলৈ পোৱাটোকে নিজৰ সৌভাগ্য বুলি ভবা ৰমাই, বাটৰ কাষৰ প্ৰতিডাল বন, প্ৰতিজোপা গছকে সুন্দৰ দেখিছে। প্ৰতিটো নতুন দৃশ্যকে হিয়া ভৰি উপভোগ কৰিছে। কিন্তু সেই উপভোগৰ উচ্ছ্বাস প্ৰকাশ কৰাত বাধা থাকি গ'ল গাড়ীৰ ভিতৰত থকা তাৰ অন্নদাতাসকলৰ উপস্থিতিত। ঘৰখনত সি নতুনকৈ সোমোৱা লগুৱা। ৰীতি-নীতিবোৰৰ লগত ভালকৈ পৰিচযেই হোৱা নাই এথোন। গতিকে বস্তীযে সময়ে অসমযে যেনেকৈ হাঁহিব পাৰে, অনৰ্গল কথা কৈ যাব পাৰে, ৰমাই নোৱাৰে। বস্তীযে হকে-নহকে দেউতাকক প্ৰশ্ন কৰিব পাৰে, মাকক মাষ্টৰণীৰ দৰে কথা বুজাব পাৰে। ৰমাই, কিবা এটা দেখি চিনাকি বা অৰ্থ জানিব খুজিলেও সুধিবলৈ মুখ খুলিব নোৱাৰে। তথাপি বাটত দেখা সকলো বস্তুকে সি চকুৰে গিলি গৈছে। বস্তীৰ লগত অকণো ফেৰ নমৰাকৈ।

মধুপুৰ সত্ৰত এৰাতি আৰু মালদহত এৰাতি থাকিল যাত্ৰী-দলটো। গযাত দুৰাতি থাকিযে আমনি লাগিল বস্তীৰ। "কোন থাকে এই লেতেৰাখনত" বুলি এবাৰ ৰমাকো কৈছিল বস্তীয়ে। তাৰ মাজতে পিণ্ড দিযা কাম হৈ গ'ল।

এতিয়া পুৰীলৈ যাব লাগে। সাগৰ দেখা নাই বস্তীয়ে। ৰমাৰ মনটোও উদ্‌গ্ৰীৱ হৈ আছে। তাৰ হেপাহ জগন্নাথক চোৱাত। বৰ ভক্ত বাবে নহয়। জগন্নাথৰ মহিমা আৰু প্ৰভাবৰ কথা সি বুঢ়ীমাকৰ মুখত শুনাৰ পৰাই আগ্ৰহী হৈছে।

কলিকতাত বোলে ঘূৰি আহিও দুদিন থাকিব। ভাবি অহা মতে পুণ্যকণ আজি ল'ব পাৰিলেহে যেন বৰুবানীয়ে ঠাই চাবলৈ আহৰি পাব। বন্তীৰ বৰ স্ফূৰ্তি। 'বৰ ভাল হ'ব, নহয়নে ৰমা ?' ৰমাক উছাহতে সুধিলে বন্তীয়ে।

হাওড়াৰ দল, দেখি, চিৰিয়াখানা দেখি, বাহিৰৰ পৰাই ভিক্টোৰিয়া মেমোৰিয়েল দেখি, আৰু বাটে পথে অগণন মানুহৰ অবিৰত চলাচল, আকাশ চোবা ঘৰবোৰ দেখি অভিভূত হোৱা ৰমাই মনে মনে ভাবিছিল এইখন দেশতে এবছৰমান থাকি যাব নোৱাৰিনে।

নোৱাৰি। ইমান সময়ো নাই বৰুবা-বৰুবানীৰ হাতত, আৰু হেপাহো নাই। দুদিন থাকি পুৰীলৈ যাত্ৰা কৰা হ'ল। এটা প্ৰতিষ্ঠানৰ লগত থকা মেলাৰ বিষয়ে আগতে যোগাযোগ কৰি থোৱা আছিল। তেওলোকক লগ ধৰিযেই, পুৰীত সোমাবাৰ পিছতে বিশ্ব বৰুবাই আগতে থিৰ কৰি নোথোৱা সিদ্ধান্ত এটা ললে। পুৰী পাবৰ দিনাই তেখেতে গোপালপুৰলৈ গাড়ী এৰি দিলে। গোপালপুৰ অন্-চী বোলে চাব লগা ঠাই। বৰুৱানী আৰু বন্তীয়ে ভাল পাব।

পুৰীত আগৰ বন্দৱস্ত মতে থকাৰ ব্যৱস্থা হ'ল। পুৱা আটাইৰে সমুদ্ৰ-স্নান কৰা হ'ল। ৰমাৰো। সি "স্নান" কৰাৰ কোনো অৰ্থ বুজি পোৱা নাই, সাগৰৰ বিশালতাই তাক মুক বিমুগ্ধ কৰি থৈছে। উৰীয়া পুৰোহিতৰ মন্ত্ৰৰ মাজেদি সাগৰৰ একাঠুমান দলৈকে নামি, নাকত ধৰি জোবোৰা মৰা অগণন তীৰ্থযাত্ৰীয়ে যে পুণ্য কামনা কৰি দেহৰ মনৰ মলি ধুবলৈ চেষ্টা কৰিছে, সেইবোৰ তাৰ অকণমান মূৰটোত সোমোবা নাই। বুঢ়ীমাকে নেদেখাকৈয়ে বৰ্ণনা কৰা জগন্নাথৰ মহিমা যে সাগৰৰ নীলা পানীয়ে, বৰ বৰ ঢৌবোৰে এনেকৈ সুচাব পাৰে তাকে ভাবি সি হতবাক হৈ গ'ল।

বন্তীৰ মুখত কিন্তু আখৈ ফুটিছে। দেউতাক মাক গহীন। সেইবাবে ৰমাৰ লগতে তাই বেছিভাগ কথা পাতিব লগা হ'ল। কথা পতা মানে তাইৰ মন্তব্যবোৰ দি যোৱা। ৰমাৰ পৰা কোনো

উত্তৰ প্ৰত্যাশা নকৰাকৈয়ে তাই কথা কৈ আছে। বন্তীৰ মানসিক উচ্ছ্বাস আৰু প্ৰগলভতাৰ এচিকটাও ৰমাৰ নাই।

গোপালপুৰলৈ যোবাটো আগৰ হিচাপত নাছিল। সেইবাবে পুৰীত লৰালৰি নকৰিলেও অনাহক সৰহ দিন থকাৰ ইচ্ছা নাই বৰুবাৰ। ঘৰতো চিন্তা কৰি থাকিব আটায়ে। চিঠি-পত্ৰ দিছেহে। পোৱা কিন্তু নাই। পাবলৈ তেওলোকৰ তেনে ঠিকনাই দি থৈ আহিব পৰা নাই। বৰুবানীৰ চিন্তা সৰহ। ঘৰৰ মূল মানুহ গৰাকী হোৱা বাবেই হ'বলা। উভটিবৰ দিন শুচৰ চাপি অহাৰ লগে লগে তেখেতৰ মনটো অলপ উচ পিচাবলৈ ধৰিছেই।

গাড়ীখন মন্দিৰৰ পৰা এক ফাৰ্লং মান দূৰাতে ৰাখিব লগা হ'ল। পাণ্ডা গাড়ীত উঠি আহিছে, পুৰাতে লগ লৈ। সাগৰত গা-পা ধোৱাৰ দিহাও এইজন পাণ্ডাযে কৰি দিছিল। এতিয়া যাত্ৰীৰ শাৰীত থিয় কৰাই থৈ তেও প্ৰসাদৰ ব্যৱস্থা কৰিবলৈ গ'ল।

অগণন মানুহ। এনেকৈ ইমান মানুহে মহাপ্ৰভু জগন্নাথক দৰ্শন কৰিবলৈ আহিব পাৰে বুলি বৰুবা বৰুবানী কোনেও ভবা নাছিল। বৰুবানীৰ ওচৰে ওচৰে থাকিবলৈ নিৰ্দেশ দিয়া হ'ল সাৰথি জয়ৰামক। যি হে ভীৰ খোজকে চম্ভালিব নোৱাৰিব পাৰে। বন্তীৰ মুখৰ মাত নাই।

গাড়ীৰ বাবে সিমান ভয় নাই। ৰমাক বহুৱাই থৈ আহিছে। সাধাৰণতে তীৰ্থস্থানতে চোৰ-চাৰিৰ প্ৰকোপ বেছি। পিছফালৰ ছিটত বহি খিড়িকিৰে মুখ উলিয়াই সি যাত্ৰীৰ লেঠাৰি নিছিগা শাৰীটোলৈ একেথৰে চাই আছে। মন্দিৰৰ চূড়া তাৰপৰা দেখা যায়। ভিতৰত বা কি আছে চাগৈ। বন্তীহত সোনকালে ঘূৰি আহিলেই সি লৰ মাৰি চাই আহিবগৈ।

ৰাতিপুৱাই তাৰ মোনাটোৰ তলত ৰুমালেৰে বান্ধি থোৱা, বুঢ়ীমাকে দিয়া মহাৰাণীৰ টকাটো উলিয়াই লৈ জেপত ভৰাই থৈছে। এতিয়া জেপত হাত ভৰাই পিটিকি চালে টকাটো এবাৰ।

এযাই তেনেহ'লে জগন্নাথ? ইযাতে বোলে তাহানি জয়দেউ কাকুতি কৰি মন্দিৰৰ দুৱাৰ মুখখন ঘূৰাই দিছিল কোনোবা এজনে। বুঢ়ীমাকে কোৱা কথা। জয়দেৱৰ কথা নাজানে বুঢ়ীয়ে, কিন্তু জগন্নাথ দৰ্শন কৰিবলৈ আহিলে জয়দেউ কাকুতি কৰিব লাগে বুলি শিকাই পঠাইছে নাতি ল'ৰা ৰমাক। ইযাত বোলে জাতিকুলৰ বিচাৰ নাই। কোনেও কাকো ঘিণ নকৰে। একোতে বিষ্ঠা কৰিব নাপায়, আৰু তেনে বহুত কথা।

মানুহৰ সোঁত দেখোন শেষেই নহয়। অতবোৰ লোকে জগন্নাথৰ চৰণত দিবলৈ হাতে হাতে ফল ফুল, প্ৰসাদৰ মূল্য লৈ গৈযে আছে। জগন্নাথৰ প্ৰসাদ গোটেই পৃথিবীলৈ যায়। সেই বাবেই বুঢ়ীমাকে তাক দঢ়াই দঢ়াই কৈ পঠাইছে, যেনেতেনে প্ৰসাদ একণ লৈ যাবলৈ।

বন্তীহঁত ঘূৰি আহিলেই সি গৈ ।

গাড়ীত বহি বহিযে সি টোপনি গ'ল। কিমান পৰৰ মূৰত জয়ৰামে তাক হেঁচুকি জগাই দিছেহি সি ক'ব নোৱাৰিলে। চকু মেলিযে সি প্ৰথম কথাষাৰ শুনিলে বন্তীৰ মুখত—'দুৱাৰটো ৰৰকৈ ঘূৰাইছে নেকি মা?'

খপজপ কৈ উঠি ৰমা নামি গ'ল। বন্তীয়ে, জয়ৰামে ধৰি বৰুৱানীক গাড়ীত তুলি দিলে। মানুহৰ হেঁচাঠেলাত মন্দিৰৰ ভিতৰতে বৰুৱানীয়ে মূৰটো আচন্দ্ৰাই কৰা যেন পালে। অথচ ওপাও বুলি ওলাযো আহিব নোৱাৰি। দৰ্শন কৰি, প্ৰসাদ চসাদ লৈ এযা ঘূৰি আহিছেহে মাথো। বৰুৱাই খৰ ধৰ লগাইছে সোনকালে হোটেললৈ ঘূৰি গৈ বৰুৱানীক অলপ শুবলৈ দিবগৈ।

ৰমাই সেইবোৰলৈ মন নকৰি একেথৰে চাই আছিল মন্দিৰৰ চূড়ালৈ। এবাৰ গৈ আহিবই লাগিব। আন কি হয় নহয় সি ক'ব নোৱাৰে। থকা ঠাইলৈ ঘৰি যাবলৈ বৰুৱা বৰুৱানীয়ে কৰা খৰখেদাৰ বাবেই নে কি, তাৰ জেপত থকা ৰূপৰ টকাটো

ক্ৰমে গধুৰ হৈ গৈছে। সেইটো জগন্নাথৰ মুৰ্ত্তিৰ আগত দি থৈ আহিব লাগিব ।

'এই , মুঠ কেলেই গাড়ীত।' বুলি দাবি এটা দিলে ড্ৰাইভাৰ জয়ৰামে। পিছলৈ চাই চাই ৰমা গাড়ীত উঠিলাহি। তাৰ চকু দুটা সেমেকি যোৱা যেন লাগিল। বস্তীয়ে হাতৰ টোপোলাৰ প্ৰসাদ অকণ তাৰ হাতত দিলে। 'তই কাইলৈ পুৱাই এবাৰ আহি যাবি মন্দিৰলৈ, বুইছ।' বস্তীয়ে যেন ৰমাৰ মনৰ কথাটো বুজিহে কথাষাৰ ক'লে।

কিন্তু ৰাতি সিদ্ধান্ত কৰা হ'ল পুৱাই ঘৰমুৱা যাত্ৰা আৰম্ভ হ'ব। বৰুৱা-বৰুৱানীৰ তীৰ্থ দৰ্শন হ'ল যেতিয়া আৰু পলম কৰাৰ কথা নাই। ৰাতিয়ে টালি টোপোলা বান্ধি সাজু হ'ব লাগে।

সাগৰৰ পাৰতে বৰুৱাহঁত আছিল। বতাহ, নিমখ আৰু ঢৌৰ মাত অহৰহ তেওঁলোকৰ গাত লাগি আছিল। মন্দিৰলৈ তাৰপৰা এমাইলমান হ'ব। বাট চিনা টান নতুন মানুহৰ বাবে।

ৰমা দোক মোকালিতে উঠিল। উঠিয়েই লৰ দিলে সাগৰৰ পাৰলৈ। সাগৰে হেনো জগন্নাথৰ চৰণ ধুৱায়। সেইটো দায়িত্ব ললে এইটোও পাৰিব সাগৰে। ৰমাই জেপৰ পৰা টকাটো উলিয়াই গাৰ বলেৰে সাগৰলৈ দলি মাৰি দিলে। চকু দুটা তিতি গ'ল বাবেই নেকি সি হাতৰ পৰা যোৱা টকাটো মণিবই নোৱাৰিলে। কিন্তু সি মন কৰিলে নিশ্চয় তাৰ টকাটোৱেই হ'ব, কাৰণ সি মৰা ক্ষালৰ পৰাই অহা যেন সি দেখিলে—তাৰ টকাটো এটা পখিলা হৈ উৰি মন্দিৰৰ ফালে গৈ আছে। হয়, তাৰ টকাটোৱেই পখিলা হৈ গ'ল। সি এতিয়া বুঢ়ীমাকক কবগৈ পাৰিব।

পোহৰ হওঁতে নোহওঁতেই বৰুৱাহতে যাত্ৰা আৰম্ভ কৰিলে।

মৰিবলৈ ভয় নাই

এইবাৰ বোলে আমাৰ বিহুখন ৰাজহুৱা হ'ব। বিহু ৰাজহুৱাই হয়। এইবাৰ বিশেষকৈ লগোৱা এই বিশেষণটোৰ অৰ্থ প্ৰথমতে বুজা নাছিলো। পিছতহে ল'ৰাহঁতে কৰা বু-বু বা-বাৰ পৰা গম পালো আগৰ কেইবাৰমান বোলে তেওঁলোকক বৰকৈ লগ দিয়া হোৱা নাছিল তেনেকৈ। এইবাৰ সকলো আহিছে। ল'ৰা বুঢ়াই বেটি ধৰিছেহি। আটাইৰে আগ্ৰহ দেখি সঁচাকৈয়ে বিহু সুচাৰুৰূপে চলিব বুলি ধাৰণা কৰিছে। কথাবোৰ নতুনকৈ শুনিলে কিবা কিবা লাগিব পাৰে। আগেয়েনো কি এনে বেমেজালি হৈছিল কোনেও কিন্তু মুখ ফুটাই একো ক'ব নোৱাৰে। তথাপি এইবাৰৰ বিশেষত্ব হ'ল হেনো অঞ্চলৰ আটাইবোৰ ডেকা ল'ৰাই ভাগ লোৱাটো। আহিছেও সকলো। আমাকো হেঁচা মাৰি ধৰি মৰমেৰে বাব একোটা দিছে। আনকি ৰাজধানী নামি অহাৰ পিছত নতুনকৈ ইয়ালে অহা স্বপ্না দেৱীও আহিছে। তেখেতে নিজেই ৰাজহুৱা সভাত আগবাঢ়ি আহি কিবা বাব থাকিলে দিবলৈ অনুৰোধ কৰিছিল।

আগ্ৰহ সোঁচৰে। তেখেতক সকলোৱে কাৰ্য্যালয়ৰ ভাঁত ধৰিবলৈ দিলে। আনন্দেৰে তেখেতেও মূৰ পাতি লৈ কামত নামি গ'ল।

সমিতিৰ মানুহবোৰৰ আগৰ পৰা আটাইবোৰৰ মাজত তেনেকৈ চা চিনাকি নাছিল। কাৰ্য্যালয়ত বহি, বিশেষকৈ স্বপ্না দেৱীৰ মন খোলা কথা বতৰাত সকলোৱে মুখত হাঁহি বিৰিঙিছিল।

দিনত চাকৰি থকা সত্বেও স্বপ্না দেৱীয়ে বিহুৰ কাম পেলাই থোৱা নেদেখিলো। চিঠি ছপাবলৈ দিয়া, নাম লিখি দিয়া, লিখি

বিলাবলৈ ভাগ কৰি দিয়া এইবোৰেই সাধাৰণতে বিহু কাৰ্য্যালয়ৰ প্ৰাথমিক কাম। স্বপ্না দেবীয়ে কৰি গৈছিল। ৰাজধানীত তেখেতৰ গিৰীয়েকেও কিবা চাকৰী এটা কৰে। ল'ৰা-ছোৱালীও আছে বোলে তেখেত সকলৰ দুটা নে তিনিটা। গোটেইবোৰ চম্ভালিও স্বপ্না দেবীয়ে বিহু সমিতিৰ কাম সুচাৰুৰূপে চলোৱাতো সকলোৱে লক্ষ্য কৰিছিল।

সমিতিৰ এখন সভাত বিহুৰ আয় ব্যয়ৰ আনুমানিক হিচাপ কৰিবৰ দিনা আন কেইবাবৰ দৰে এইবাৰো কাৰ্য্যালয়ৰ দায়িত্বত থকা গৰাকীক এশ টকা বানচ দিয়াৰ কথা উঠিছিল। স্বপ্না দেবীয়ে নালাগে নালাগে বুলি ভুৱাৰমান কৈছিল। কিন্তু সমিতিয়ে নেৰিলে। বাজেট মঞ্জুৰ কৰি থোৱা হ'ল। স্বপ্না দেবীয়ে পিছত আৰু সেইদৰে নামাতিলে।

বাজেট অনুমোদিত হোৱাৰ পৰাই খৰ খেদাকৈ বৰঙণি তোলা, মঞ্চ, মণ্ডপ সজা মানুহ বিচৰা, শিল্পীৰ লগত যোগাযোগ কৰা আদি কামবোৰ ভাগে ভাগে কৰিবলৈ ভাগে ভাগে মানুহে ভাৰ ললে আৰু আটাইবোৰ আঁত ধৰি স্বপ্না দেবীয়ে কাৰ্য্যালয়ৰ কাম নিয়াৰীকৈ চলাই গ'ল। বেচ ৰাংঢালী মানুহ গৰাকী। মাজতে এদিন তেখেতৰ গিৰীয়েককো লৈ আহি সকলোৰে লগত, মানে যাৰ লগত আগৰ চিনাকী নাছিল, চিনাকী কৰি দিলেহি।

ৰং ৰহইছৰ মাজেদি, চাহ তামোল খাই খুৱাই বিহুৰ কাম চলি থাকোতেই এদিন মনে মনে মোক কৈ স্বপ্না দেবীয়ে টকা কুৰিটা আগধন লৈ গ'ল। দিব লাগিবই যেতিয়া কথাটো সিমান মন কৰিবলগা হোৱা নাছিল। বিশেষকৈ ঘৰতে থকা কাম নাইকীয়া দেওৰেক এজন আৰু শাহুৱেক থকা বাবে টকা পইচাৰ অলপ অসুবিধা থকা বুলি কোৱা বাবে।

কিন্তু এদিন স্বপ্না দেবী মোৰ ঘৰ পালেহি। সেইদিনাহে গম-চেবালে, মোৰ ঘৰতো বিশেষ কাম নাই তেখেতৰ। তাৰ উপৰি

মই ধনৰ ভৰালীহে, দিযাৰ গৰাকী নহও। সভাপতি, সম্পাদকে নকলে বা লিখি নিদিলে আজি আৰু টকা লাগিলেও নিদিওঁ বুলিয়ে কৈ দিম, মনে মনে সেইদৰে সাজু হৈ থাকিলো।

পিছে নহয়। তেখেতে এখন ৰছিদ বহীহে হেনো নিবলৈ আহিছে। লাজ পালো পেটে পেটে। ৰাজধানীত তেখেতৰো, গিৰীযেকৰো বহুত চিনাকী মানুহ আছে। অলপ টকা তুলি আনিব পাৰিব বোলে। বহী এখন দিলো।

স্বপ্না দেৱীযে আমাৰ ঘৰৰ মানুহৰ লগত চা চিনাকী হৈ কথা বতৰা আৰু হাঁহি ধেমালীৰে সকলোকে জিনি পেলালে। চাহটাহ খাই যাবলৈ ওলাওতেহে আচল কথাটো ক'লে। আজিও বোলে টকা কুৰিটামান লাগে। মোৰ তেখেতক দেখিযে কৰা সিদ্ধান্ত তল পৰিল। ইমান আপোন কৰি লোবাৰ পিছত আৰু টনাটনি কৰা শোভা নাপায। দিলো টকা কেইটা, ৰছিদ এখন ৰাখি। হ'লেও মনে মনে বেযা পালো। প্ৰথমতে তেখেতক মাননী নেলাগেই। এতিযা ক'তা ভুবাবকৈ দেখেন আগ ধনক বিচাৰিলে। আৰু বিচাৰিলে নোবাৰিম বুলি কমেই। হাজাৰ হওক, তেনেকৈ টকা বিচাৰি থাকিলে আস্থা হেৰাই যায। যাওতে অৱশ্যে স্বপ্না দেৱীয়ে অনুৰোধ কৰি গ'ল—মই যেন হিচাপটোহে ৰাখি থও, তাকে আনৰ আগত কৈ আলোচনা নকৰো বাৰু বুলি নকৈ, তাকো হাঁহি মুখে, মোৰ উপায় নাছিল।

পিছতহে তিৰোতাৰ মুখৰ পৰা গম পালো, স্বপ্না দেৱীৰ বোলে বৰ অভাৱৰ সংসাৰ। হাঁহি মাতি ঢাকি থৈছে। বহুত খাওঁতা, আৰ্জন নাই তেনেকৈ। দুযো চাকৰি কৰে যদিও, তেখেতৰটো স্থায়ী হয় নে নহয় ঠিক নাই। এনেকৈ সুবিধা পালে বাহিৰা কাম কৰি দুই চাৰি টকা আৰ্জিবলৈ চেষ্টা কৰে।

অভাৱ থাকিলেও স্বপ্না দেৱীয়ে আন কোনো কালে সেই কথা কোনো প্ৰকাৰে আমাক জানিবলৈ দিয়া নাছিল। সাজ পাৰ

তেখেতৰ নিচেই সাধাৰণ কিন্তু অতি পৰিপাটি। কামত আমি কতো আঁৰ দেখা নাই। নিজে কাৰ্য্যালযত কৰা সৰু-সুৰা খৰছৰ সুন্দৰ হিচাপ ৰাখি থৈছে। গতিকে ডুবাৰ তেখেতে পাবলগীয়া টকাৰ অলপ আগতীয়াকৈ বিচৰা বাবেই বেযা দেখাতো হযতো মোৰেই ভুল।

মাজতে পঞ্চাশ টকা জমা দিলে স্বপ্না দেবীয়ে, তেখেতে তোলা চান্দাৰ। ৰাজধানীৰ মানুহৰ পৰা তাকৰীয়াকৈ তোলা।

বিহু চাপি অহাৰ লগে লগে আমাৰ কামো বাঢ়ি গৈছে। কাৰো কেনিও তৰণী নাইকিযাৰ দৰে। তাৰ মাজতো ডুই এজনৰ ডুই এটা আসোঁবাহ দেখি মাজে মাজে ডুই এখন সৰু-সুৰা কাজিযাও লাগি গৈছে। পিছতে আন ডুই এজনৰ মধ্যস্থতাত আকৌ সমিল-মিল হৈছে। সমযত মোৰ পৰা টকা নাপাই কোনোবা কোনোবাই ভোৰভোৰাইছে, কোনোবা এজনে এটা অনুষ্ঠান পৰিবেশন কৰিবলৈ কৃষ্টি শাখাৰ সম্পাদকক সন্মত কৰিব নোৱাৰি আমাক ধৰিছেহি, স্বেচ্ছাসেবক হ'বলৈ অহা এজনে পাকে প্ৰতি চাহ নোপোৱা বাবে এইবাৰৰ বিহু সমিতিখনকে ডুষিছে, কিন্তু ক'তো কোনো আঁৰ নথকাকৈ, মোক সেই ডুবাৰ আগতীয়াকৈ পইচা বিচৰাৰ বাহিৰে আমনি নকৰাকৈ কাম কৰি গৈছে স্বপ্না দেবীয়ে। ল'ৰাবোৰে সেই-গৰাকী নতুন চিনাকী বাইদেউক বৰ ভাল পাইছে, ডাঙৰবোৰেও। সেইবাবেই আৰু কামৰ হেঁচা দেখি পাৰিলে কেইদিনমান ছুটি ল'বলৈ আমি স্বপ্না দেবীক অনুৰোধ কৰিছো হঁক।

বিহুলৈ মাথো ডুদিন নে তিনিদিন থাকোতে এদিন স্বপ্না দেবী সময়মতে অহা নাছিল। কাৰ্য্যালযৰ যাবতীয কামৰ বাবে আমি আটাইবোৰ তেখেতৰ ওপৰত ইমান নিৰ্ভৰশীল হৈছিলো যে অকণমান পলম হওঁতেই বহুত কাম পিছ পৰি গ'ল যেন পাই-ছিলোহঁক। সেইবাবে অন্যান্য আলোচনাত ব্যস্ত থাকিও ইজনে সিজনে বৈ বৈ ডুৱাৰ মুখলৈ চাই আছিলোহঁক, কেতিয়া স্বপ্না দেবী

আহে। মোৰ সন্দিহান মনে এবাৰ ভাবিলো কণ্ডা আজি দেখোন ছুটি লৈ সোনকালে আহিম বোলা ভদ্ৰমহিলাই ইমান পৰেও আহি নাপালেহি। আনকাল পাঁচ বাজি যায় কি নাযায়, পুৱাৰ ছুটী বাদেই আহি কামত ধৰেহি, আজি এয়া সাতেই বাজ বাজো। কি হল? নে চান্দা তুলি একেবাৰে ঘৰত বিছ খাবলৈকে গ'ল।

পিছে নহয়। আহিল স্বপ্না দেবী। ৰিক্সাৰ পৰা নামিবলৈ লওতেহে সেইখিনিত বৈ থকা লৰাকেইটিৰ চকুত পৰিল। 'কি হ'ল বাইদেউ? আটাইকেউটাই চিঞৰি সোধা ধৰণটো কাণত পৰি আমিবোৰো জাপ মাৰি উঠি আহিলো। স্বপ্না দেবীৰ কপাল গাল হাত ভৰিৰ কেবাঠাইতো জখমৰ চিন। কেউঠাইৰে পৰা তেজ বিৰিঙি আছে, চাদৰৰ আগ এটা প্ৰায় বঙা।

আগবাঢ়ি আহি দেখি আমি বিবুধি হলোহঁক। কি হ'ল? বুলি আকৌ সোধাতে ক'লে বোলে ডাঙৰ দুৰ্ঘটনা এটাৰ পৰা তেখেত কথমপিহে বাচি আহিছে। ক'ত, কেনেকৈ, কেতিয়া, আদি জাউৰি জাউৰি প্ৰশ্নৰ উত্তৰ একো নিদি স্বপ্না দেবীয়ে মোলৈ চাই কলে— 'আপোনাক লগ পাবলৈহে ইয়ালৈ পোনে পোনে আহিলো, নহ'লে ঘৰলৈকে গলোগৈহেতেন।' সুবুজি মই প্ৰশ্ন কৰিব খোঁজোতেই তেখেতে আকৌ ক'লে—'মোৰ বহীখনৰ টকাকেইটা দি যাবলৈ আহিলো, নহ'লে কাইলৈ বা আহিব পাৰো নে নোৱাৰো।'

'এস্ টকাকেইটা পিছত দিলেই হ'লহেঁতেন নহয়।' আশ্বাস দি লগতে কলো—'বলক মই থৈ আহোগৈ আপোনাক।'

সকলোৱে একমুখে ক'লে হয় লৈ যাওক। ডাক্তৰ গোস্বামীয়ে প্ৰাথমিক চিকিৎসা অলপ কৰাৰ কথা ক'লে। স্বপ্না দেবীয়ে বোলে নালাগে, ঘৰতে আছে আয়'ডিন চায়'ডিন।

বাটত ক'লে তেখেতে মোক ঘটনাটো। দিছপুৰৰ চাৰিআলিত বোলে স্পীড নকমোৱাকৈ গাড়ী এখন বাট ঘূৰাবলৈ লওঁতে স্বপ্না দেবী অহা ৰিক্সাখনতে খুন্দা মাৰি দিলেহি। ভাগ্যে তেখেত বাটৰ

দাঁতিত দ'ম কৰি পেলোৱা তুইঁত পৰিলগৈ। ৰিক্সাবালাইও দুখ পাইছে। তাতকৈও পিছে তাৰ দুখ বেছি ৰিক্সাখন বেযা হোৱাতহে। তাৰ কান্দোন সহিব নোৱাৰি তাক টকা দহটা দি স্বপ্না দেবীযে আন এখন ৰিক্সা লৈ বিহুতলী পালেহি।

'টকা দহটা মোৰ নামতে লিখি থ'ব দেই গোঁসাইদেউ, আৰু এটা কথা, টকা ত্ৰিশটা মোক আৰু দিযক, বেযা নাপাব। তাতহে ক'লো আয'ডিন-চায'ডিন আছে বুলি আচলতে একো নাই ঘৰত।'

'তেনেহ'লে আমি তাত দিব খোজা চিকিৎসা নল'লে কেলেই? ভৰিত দেখিছো আপুনি ভালকৈযে দুখ পাইছে।'

'আছে দিযকছোন তাতো কথা। বাচিতো আহিলো।'

'সেইটো অবশ্যে ভাগ্যৰ কথা। বৰ বাচিলে আজি আপুনি।'

'মৰিবলৈ মোৰ ভয নাই বুইছে গোঁসাইদেউ, আচল কথাটো জানে ।'

কি—নো?'

অলপ ৰ'ল স্বপ্না দেবী। কথাৰ সুৰটো হঠাতে সলাই ক'লে—'ছে. কাইলৈ আকৌ আহিব নোৱাৰিলেহে বেযা লাগিব।'

মই বুজিলো কথা ঘূৰালে তেখেতে। কিবা এটা ক'ব খুজিও নকলে। মযো পেৰিবলৈ ইচ্ছা নকৰিলো। ক'লো, 'আপুনি নহ'লে আমাৰ কাম সঁচাকৈযে বন্ধ হৈ যাব। সেই বুলি এই অবস্থাৰে যাব নে।' একো নামাতিলে স্বপ্না দেবীযে।

ঘৰলৈ ৰাতি আহি খবৰটো দিওতে বৰ ইস্ ইস আহ আহ কৰা হ'ল। পিছদিনা এবাৰ খবৰ কৰি আহিবলৈ ক'লো। গৃহিণী আচৰিত হ'ল ইমান পৰে তেওঁক আমি প্ৰাথমিক চিকিৎসাকণো নিদিয়াকৈ থোৱাত।

পিছদিনা তেওঁ সঁচাকৈযে গৈছিল এবাৰ স্বপ্না দেবীৰ ঘৰলৈ। আমাৰ সমিতিৰ মানুহো গৈছিল দুই চাৰিজন। ভালকৈয়ে দুখ পাইছে। ভৰিত কাটিছে কিছুবাই। তথাপি বেছ হাঁহি মাতি

সকলোকে আশ্বাস দি পঠালে বিহুৰ দিনা যেনে তেনে বিহুতলীলৈ আহিবই বুলি। মোৰ আগত কও কওঁ বুলিও লুকুৱা কথাটো গম পালো আমাৰ পৰিবাৰৰ পৰাহে। তেওঁক হেনো মনে মনে স্বপ্না দেবীয়ে কৈছিল।

'মৰাহেঁতেন ভালেই আছিল বুইছে। কিন্তু কিবা এটা অঘটন হোবাহেঁতেন আটাইবোৰে যে মোৰ পেটিকোটটো দেখিলেহেঁতেন ?'

এও বোধকৰো 'অ' আই' জাতীয় কিবা এটা কৈছিল।

'পেটিকোটটো মোৰ তেনেই ফটা বুইছে ।

লাখুটি

প্ৰথম অধ্যায়

চাহৰ দোকানখন বাছ ষ্টেণ্ডৰ পৰিপূৰক। ইযাত মাংস, পৰঠা পায বুলি লিখি থোবা কাঠৰ ফলি এখন একাষে আঁৰি থোবা আছে। গতিকে আগফালে মানুহৰ ভিৰ যিমান, পিছফালে কুকুৰৰ ভিৰো সিমান। দিনত হ'লে কাউৰী এজাকো।

কাতিমহীযা কুকুৰবোৰে চিঞৰে বেছি। তাৰ মাজৰে এটাই এবাৰ পেলাই দিয়া হাড়ৰ টুকুৰা বিচাৰিবলৈ এৰি দৌৰি আঁতৰি আহিছিল। অলপ আন্ধাৰ হও হও হৈছিল। গাড়ীবোৰে লাইট জ্বলোৱা নাই এথোন। সেই সময়তে চুবনি এৰি থৈ অহা কুকুৰটোৱে এফালে ধিযাই বাট পাৰ হ'বলৈ লৰ ধৰিছিল আৰু ঠিক একে সময়তে গাড়ী এখনো কোবেৰে দোকানৰ আগেদি গৈ আছিল।

"সেইখন টেক্সী" কোনোবা এটাই চিনি পাই মাত লগাইছিল।

'ইস ভাগ্যে মানুহ নহ'ল।' আন এটাই আক্ষেপ কৰি কৈছিল। দোকানৰ কাম কৰা ল'ৰা এটাই চাই থাকিব নোৱাৰি গ্ৰাহকক খাবলৈ দিয়া পানীৰ জগটোকে লৈ গৈ কেঁউ কেঁউ কৈ থকা কুকুৰটোৰ মুৰত লাহে লাহে ঢালি দিলেগৈ। পিছে একো লাভ নহ'ল। অলপ পৰ ছটফটাই থাকি কুকুৰটো শান্ত হৈ গ'ল। তাৰ থৰফৰনি চাই এখন্তেক ভাল পোৱা মানুহবোৰে নিজৰ নিজৰ কাম-চিন্তা-কথালৈ ঘূৰি আহিল।

দ্বিতীয় অধ্যায়

কাতিমহীয়া জাৰ পৰিছে। সিও গধূলি পৰাতে অলপ বেছি হয়। বাছ ষ্টেণ্ডো সিমান মুখৰ হৈ থকা নাই আৰু। যাবলগীয়া বাছৰ সময় নাযেই। আহিব লগাতে যি দুখন নে এখন আছে। সেইবোৰৰ পৰা নমা মানুহে ৰিক্সাৱালা বা তামোল চুৰটৰ দোকানা-কেইজনকহে দেখে। গধূলিলৈকে বৈ থকা বুঢ়া মগনীয়া এটালৈ কাৰো চকু নাযায়। নামটো কোনে দিছিল কাৰো মনত নাই—মিঠাই। মিঠাইৰ অভ্যাস মতে মতা মাতষাৰ কিন্তু এতিয়াও ওলাই আছে—'পইচা পাঁচটা দিয়ক, অ দেউতা, অ' আই।' এতিয়া কিন্তু মাতষাৰ অভ্যাসৰ বাবেহে ওলাই আছে। প্ৰকৃত খোজাৰ ভাবটো নাই। কাৰণ সেইষাৰ মাতৰ মাজে মাজে মিঠায়ে ভোৰভোৰাই আছে—'কটা নিধক কুকুৰ। কৰবাত মৰি আছগৈ। আহ আজি, তোক ছুছেও কৰিম।' পিছে হাতত মিঠাইৰ দীঘল লাখুটি ডালহে আছে। গাটো শিৰ শিৰাই উঠিছে। অলপ ভোকো লাগিছে নেকি। দিনটো একেঠাইতে থিয় হৈ থকা কথা।

আজি তাক ঘৰলৈ নিবলৈ অহা নাই। চকুৰে নেদেখে মিঠায়ে। হলেও এটা এটাকৈ জ্বলি উঠা লাইটৰ পোহৰবোৰৰ উমান পাইছে। ইমান সময় কাহানিও নাথাকে বুঢ়া বাছ ষ্টেণ্ডত। আজি কিন্তু উপায় নাই। এতিয়াও পিন্ধি থকা চুৰীয়াখনত আজোৰটো গম পোৱা নাই। আনকালে কিন্তু সদায় দোকানৰ লাইটবোৰ জ্বলাৰ আগতে কুকুৰটো আহি চুৰীয়াখনত দাঁতেৰে কামুৰি আজোৰ এটা মাৰে। উমানতে মিঠায়ে ঘৰলৈ খোজ লয়। আজি অহা নাই নিধক কুকুৰটো।

মিঠাইৰ বৰ মৰমৰ পোহনীয়া কুকুৰ এটা আছিল। মিঠাইৰ সহচৰ। পুৱা গধূলি সিয়ে মিঠাইক বাট দেখুৱাই দিছিল। আজি সি অহা নাই।

অসহায়

মোক টকা এশ লাগে। লাগে মানে ৰাতিৰ ভিতৰতে লাগে। তাকে লৈ পিছদিনা পুৱাই ছিলঙলৈ গৈ দুদিন থাকি কামটো কৰাই আহিব লাগিব। এই এশ টকীয়া সমস্যাটোৱে মোক বৰ বিপন্ন কৰি পেলালে, খবৰটো পোৱাৰ লগে লগে। বৰ অসহায়।

বহুত ভাবি-চিন্তি একমাত্র ভৰসাৰ থল বুলি স্থিৰ কৰি চান্দমাৰীৰ মহেন্দ্ৰক লগ পাই আহিবলৈ ওলালো। ঘৰৰ পৰা ওলাওঁতেই তেত্রিছ কোটি দেবতাক ছয়ষষ্ঠি কোটি প্ৰণাম জনাই খাটিলো—মহেন্দ্ৰক যেন পাঁওগৈ আৰু তাৰ হাতত যেন মোক দিব পৰাকৈ টকা এশটা থাকে।

এই দুশ্চিন্তাৰ মাজতে, ভৰলুমুখত চিটি বাছত উঠিলোঁ। দুৱাৰ মুখতে দুজনীয়া ছিটৰ এটা খালি দেখি বহি দিলোঁ। লেডিজ ছিট। হলেও এটা ছিট খালি। আনটোত এগৰাকী মানুহ আৰু সন্মুখত থিয় হৈ, নিশ্চয় তেখেতৰে, ছয় কি সাত বছৰীয়া ল'ৰা এটা। পৰিস্থিতিটো মোৰ চকুত পৰিছে যদিও মনত সোমোৱা নাই। সেযে মানুহ গৰাকী বা ল ৰাটোৰ বিষয়ে একো মন নকৰাকৈ, দৰকাৰ হলে, মানে আকৌ কোনোবা লেডী উঠিলে থিয় হৈ দিবলৈ সাজু থাকি গৈ থাকিলোঁ। চকুৰে কাণে মোৰ কেউকাষৰ দৃশ্য বা কথাবোৰ দেখিছে বা শুনিছে যদিও মোৰ মন চুবগৈ পৰা নাই। মোৰ শঙ্কাই মন আচ্ছন্ন কৰি থৈছে। মহেন্দ্ৰক নাপালে কি হ'ব পাৰে বা আন কোন ঠাইলৈ গলে মই সফল হ'ব পাৰো সেই চিন্তাই মোক মোৰ পাৰিপাৰ্শ্বিকৰ পৰা বেলেগ কৰি থৈছে।

সেইদৰে আহি কোন সময়ত শিখ মন্দিৰত বাছখন ৰ'লহি, মানুহে উঠা নমা কৰিছে মই মনেই নকৰিলোঁ। সেইখিনিতে বাছখন তিনি কি চাৰি মিনিট ৰয়। চিটি বাছৰ বাবে সেইখিনিয়ে যথেষ্ট সময়। সেইকণ সময়কে হাতত ৰাখি দুই চাৰিটা মগনীয়াই হাত পাতি কাকুতি-মিনতি কৰে। গান গায়। সদায় দেখি থকা কথা বাবে সিহঁতৰ সেই বৃত্তি আৰু আনুষঙ্গিক প্ৰভৃতি যলৈ তেনেকৈ মন কৰা নহয়।

মোৰ সেই সময়ৰ প্ৰায় অবচেতন অৱস্থাতো হঠাৎ এবাৰ কাণত পৰিল মোৰ কাষৰ ল'ৰাটোৱে যেন মাকক কিবা এটা সুধিছে। সুধিছে মানে নিশ্চয় কেবাবাৰো সুধিছে আৰু মাকে কোনো উত্তৰ নিদিয়া বাবে বোধকৰো ল'ৰাটোৱে ৰেপি আছে। কাণত বাজিল, তাৰ প্ৰশ্নটো বাছৰ দাতিৰ মগনীয়া তিৰোতাজনীৰ বিষয়ে। মানুহজনীয়ে প্ৰায় কন্দাৰ সুৰত 'নয়া পাঁচটা দিয়ক, অ' আই ,' ধৰণৰ আবেদন জনাইছে। ভিতৰৰ, মোৰ কাষৰ ল'ৰাটোৱে মাকক সুধি আছে—'কোনে কান্দে মা ?' বা 'কান্দিছে কিয় মা ?'

মগনীয়া তিৰোতাজনীৰ মাতটো আমাৰ পৰিচিত, চিটি বাচত সচৰাচৰ অহা যোৱা কৰা সকলোৰে নিশ্চয় সেই মাতটো কাণত পৰিছে। মানুহজনীৰ চকু দুযোটা কণা। মাতটো সদায় কন্দাৰ দৰে ওলায়।

বাছৰ মানুহ গৰাকী আৰু ল'ৰাটো নিশ্চয় নতুন। কেবাবাৰো কৰি থকা বাবেই প্ৰশ্নটোৰনো উত্তৰ এটা দি নিদিয়ে কিয় বুলি এই মানুহ গৰাকীলৈ চালোঁ। লগে লগেই মই সজাগ, সচেতন হৈ পৰিলোঁ।

মানুহ গৰাকীয়ে ল'ৰাটোক দুই হাতেৰে সাবটি ধৰি তাৰ মূৰৰ ওপৰত নিজৰ থুতৰিটো দি হেচি ধৰিছে। ওঠ দুটা কামুৰি যেন অব্যক্ত বেদনা এটা ঢাকি ধৰিবৰ আপ্ৰাণ চেষ্টা কৰিছে। ল'ৰাটোৱে মানুহ গৰাকীৰ বুকুতে মুখখন গুজি আকৌ একেদৰে সুধিছে—'কোনে কান্দে মা ?' বা 'কান্দিছে কেলেই, মা ?'

বাছৰ গাত বিৰাট ঢকা এটা মাৰি, কৰ্কশ মাতেৰে "যাব দিয়ক" বুলি কণ্ডাক্টৰে কোবাৰ লগে লগে ড্ৰাইভাৰে বাছখন আকৌ ষ্টাৰ্ট দিলে। মানুহ গৰাকীয়ে ল'ৰাটোৰ মূৰৰ ওপৰত দি থকা তেওঁৰ থুতৰিৰ হেঁচাটো পাতলাই দিলে। তেতিয়াই মোৰ চকুত পৰিল। কাৰণ তেতিয়াই ল'ৰাটোৱে মুখখন এবাৰ ঘূৰাই দিছিল।

তাৰো চকু দুইটা কণা। মই বুজিলো মাকে তাৰ সেই সাধাৰণ প্ৰশ্নটোৰ উত্তৰটো কিয় দিয়া নাছিল বা দিব পৰা নাছিল। মানুহ গৰাকীৰ সাজে পাৰে দেখিলে ধৰিব পাৰি দুস্থ অৱস্থাৰ মানুহ নহয়।

"সেইজনী এজনী মগনীয়া" এইটোও তেওঁৰ বাবে এটা সম্ভাব্য উত্তৰ আছিল। কিন্তু কান্দে কিয় তাই? আচলতে কন্দা নাই। চকুৰে নেদেখা মানুহজনীয়ে পাঁচটা পইচাৰ দাক্ষিণ্য বিচাৰি কৰা কাকুতিক করুণ কৰিবৰ বাবেই সেইদৰে কয়। শুনিলে কন্দা যেন লাগে।

কিন্তু কেনেবাকৈ তেনেকৈ কিবা বুজাবলৈ গ'লে জানোবা মুখৰ পৰা ওলাই যায় 'তাইও তোৰ দৰেই সোণ। চকুৰে নেদেখে।'

এই সৰু অথচ নিষ্ঠুৰ সত্যক গোপন কৰিবৰ সেই গৰাকী মাকৰ বুকুৰ অন্তহীন মৰম সনা চেষ্টাই উপায় পোৱা নাছিল। এটা সম্পূৰ্ণ জীৱনৰ সম্ভাৱনা আগত থকা এই অকণমানি ল'ৰাটোৰ দৃষ্টি নাই। সেই কথাটো তাক সোঁৱৰাই থাকিব লাগিব নে?

সাধাৰণ প্ৰশ্ন এটাৰ, অতি সাধাৰণ উত্তৰ এটা জিভাৰ আগত লৈ তাকে হেঁচি-চেপি ধৰিবলৈ কৰা অসহায় প্ৰচেষ্টাটোৱে মোৰ মনত এটা অদ্ভুত আলোড়ন তুলি দিলে। মই পাহৰিয়ে গ'লো যে মই নিজে এটা সাময়িক দুশ্চিন্তাত মুক হৈ আছো।

মানুহ গৰাকীৰ সেই চেপি ধৰা ওঁঠ দুটা আৰু সমগ্ৰ মুখমণ্ডলত ওলাই পৰা করুণ অভিব্যক্তি আজিও মোৰ মনত এখন ছবি হৈ মুদ্ৰিত হৈ আছে।

ডাক্তৰৰ অসুখ

'নমস্কাৰ ।'

ডা দাসে আচৰিত হৈ আগন্তুকলৈ চালে। প্ৰথমেই চকুত পৰা কথাটো হ'ল আগন্তুকৰ চকুত পৰিব লগা চেহেৰাটো। সুন্দৰ স্বাস্থ্যৰ ডেকা ল ৰা এজন। মুখখন পুৰঠ তেজাল। চকুৱে মুখে এটা হাঁহি বিৰিঙি উঠিছে। গাত এযোৰ অতি দামী চুট। পোচাকটো দেখিযে ডা দাসৰ যেন ধাৰণা হ ল, ডেকা নিশ্চয় বিদেশৰ পৰা ছুই এদিনতে ঘূৰি আহি পাইছেহি।

'নমস্কাৰ । কিন্তু মইতো এতিযা ।'

'নাই, নাই চাৰ। মই অসুখ-বিসুখ দেখুবাবলৈ অহা নাই। মই দুখিত, আপোনাক এই ৰাতিখন আমনি কৰিব লগা হোৱা বাবে। আচলতে মই এতিযাই, ৰাতিৰ বাছত গুৱাহাটীলৈ যামগৈ। যোবাৰ আগতে আপোনাক এবাৰ লগ পাই যাবৰ বাবেই ডেকাই কথাষাৰ শেষ নকৰিলে আৰু।

'কিন্তু মই যে আপোনাক চিনি পোৱা নাই।' ডা দাসে ডেকাক তুমিযেই বুলিব খুজিছিল। বয়স কম বাবেই নহয়, দেখিযেই ভাল লগা বাবে। আৰু এইটোও বুজিছিল যে ডেকা কোনো দৰৰ কোম্পানীৰ এজেণ্ট হ'ব নোৱাৰে। এই সময়ত ডা দাসৰ দৰে বিখ্যাত আৰু ব্যস্ত ডাক্তৰক আমনি কৰিবলৈ তেনে মানুহ নাহেই।

'মোৰ নাম বিমল বৰা, চাৰ। এমাহ হ'ল মই ইউ কে ৰ পৰা উভটি আহিছো। এম-আৰ-চি-পি ডিগ্ৰী এটা লৈ।'

'আচ্ছা। ক'ৰ পৰা?' ডা দাসৰ ভাল লগাটো অলপ বেছি হৈ গ'ল।

'এডিনবৰা। ডা বাছবাৰ্ণ আমাৰ ভিজিটৰ আছিল, চাৰ। আপোনাৰ নিশ্চয় মনত আছে ।' বুলি কৈ বিমলে কোটৰ জেপৰ পৰা লেফেফা এটা উলিয়াই আনি তাৰপৰা এখন ফটো উলিয়াই ডা দাসলৈ আগবঢাই দিলে। ডা দাসে মুখেৰে "হঁহাছোন, হঁহা," বুলি কৈ হাতেৰে ফটোখন ললে। মেজৰ ওপৰত লাইটটোৰ তলত লৈ এবাৰ চাই আকৌ ক'লে—'তোমাক পিছে তুমি বুলি পেলালোঁ—বেয়া নাপাবা দেই ।'

'যেস, বেয়া কিয় পাম চাৰ ।

ডা দাঁসে ফটোখন চাই মাত লগালে—'ডা বাছবাৰ্ণ বেছ বুঢ়া হৈ গ'ল। কি কৰিছে তেওঁ এতিয়া?'

'ৰিটায়াৰ কৰি এতিয়া তাৰে স্থানীয় অনুষ্ঠান এটাত স্বেচ্ছাসেবক হিচাবে গ্ৰাম এৰিয়াৰ মানুহৰ স্বাস্থ্যৰ তদাৰক কৰি আছে, চাৰ। বৰ সৰবৰহী মানুহ। আৰু বেছ পপুলাৰ। আপোনাৰ কথা ওলাওতে, লগ পালে তেখেতৰ সম্ভাষণ জনাবলৈ কৈছিল, সেইবাবেই ।'

'বৰ ভাল কৰিলা, ৰ'বা—তুমি চাহ টাহ একাপ ।'

'নালাগে, নালাগে, চাৰ। আপুনি নিশ্চয় এতিয়া এইবোৰ সামৰিব, কাকো আমনি কৰিব নালাগে। তাৰ উপৰি মই চাহ কফি একো নাখাঁবেই।'

'হ'লেও ৰ'বাছোন, আমাৰ ঘৰৰ মানুহবোৰৰ লগত চিনাকী কৰি দিওঁগৈ।'

'প্লীজ, চাৰ, আজিলৈ থাওক। মোৰো পলম হৈ যাব । আকৌ কেতিয়াবা আহিলে ।'

'এবা বুইছানে, সময়ৰ আজিকালি বৰ অভাৱ। দেখিছাই নহয়, মোৰো এয়া ।'

ডা দাসে বিমল সোমাই অহাৰ থিক আগমুহূৰ্ত্তত চিকিৎসা-বিজ্ঞান সম্পৰ্কীয় বিদেশী আলোচনী এখনত চিন এটা দি জপাই থৈ ইনছুলিন ইনজেকছন এটা উলিযাই লৈছিল। চিৰিঞ্জ সৈতে টেমাটো উলিযাবলৈ লওঁতেই, জপাই থোৱা ছুৱাৰখন খুলি বিমল সোমাই আহিছিল।

চেম্বাৰ আঁঠ বজাতে বন্ধ কৰা হয় বুলি জাননী দিয়া আছে যদিও মানুহ গৈ শেষ হওতে, হাত ধৰা মানুহটোৱে যন্ত্ৰপাতিবোৰ সামৰি সুতৰি থৈ ওলাই যায় মানে ন বাজে। তাৰ পিছতে ডা দাসে এঘণ্টামান নিজৰ বৃত্তি বিষয়ৰ আধুনিক আলোচনী বা নতুন কিতাপ থাকিলে পঢ়ে। চিকিৎসা-বিজ্ঞানৰ শেহতীয়া আলোচনাৰ লগত নিজকে থাপ খুবাই থ'বলৈ ডা দাসে সততে চেষ্টা কৰে। তাৰ মাজতে এটা ইনছুলিন ইনজেকছন নিজেই লৈ থয়। দহ, চাৰে দহ বজাত খোৱা বোৱা কৰে ডা দাসে।

চেম্বাৰটো ঘৰৰ চৌহদতে যদিও অলপ এমূৰীয়া। আৰু ঘৰৰ সকলোৱে তেখেতৰ এই এঘণ্টা দেৰঘণ্টাৰ কাম বা আজৰিৰ কথা জানে বাবে, কোনেও আমনি নকৰেহি।

বিমল সোমাই আহোঁতে ন বাজি কুৰি মিনিট গৈছিল। বাহৰ সময় চাৰে-দহ বজাত। টিকত কিনি থোৱা আছে আৰু ষ্টেণ্ডটোও ওচৰতে।

'মই জানো, চাৰ আপুনি ইনছুলিন লয বুলি। ইউ-কেত নতুনকৈ এটা চিকিৎসা চলাবলৈ লৈছে ডাযেবেটিচৰ। আপুনি জানে বোধকৰো।'

'জানো। পিছে সেইবোৰ আহি আমাৰ এইখিনি পাবলৈ দিন লাগিব। ৰ'বা, ডা ব্ৰাছবাৰ্ণে আমি একেলগে পঢ়াৰ কথা তোমাক কেনেকৈ ক'বলৈ পালে?'

'তেখেতে চাৰ, "মাৰ্চি কিলিঙ"ৰ ওপৰত এখন পেপাৰ প্ৰস্তুত কৰি আছে। সেই বিষয়ত আমাৰ লগত হোৱা এটা ধকৰা

আলোচনা প্রসঙ্গত মই মোৰ দেউতাৰ মৃত্যুৰ কথাটোও কৈছিলোঁ।

বেযা নাপায যদি, মযে দি দিম নে চাৰ ?'

ডা দাসে ইনজেকছন ল'বলৈ উলিওবা চিৰিঞ্জটো লিবিকি আছিল। বিমলে ইনজেকছনটো দি দিব খোজা দেখি আপত্তি নকৰিলে। চিৰিঞ্জটো আৰু দৰবৰ বটলটো হাতত লৈ বিমল থিয হ'ল। কোঠাৰ একাষে হাত ধোবা ঠাই। ওচৰৰ মেজৰ ওপৰত স্পিৰিট লেম্প আৰু চিৰিঞ্জ ষ্টেৰিলাইজ কৰা সজুলি দূৰৰ পৰাই ধৰিব পৰাকৈ সজাই থোবা আছে। বিমলে সেইফালে খোজ দিবলৈ লওতে ডা দাসে সুধিলে—'তোমাৰ দেউতাৰ নাই নেকি ? কি নাম আছিলনো তেখেতৰ ?'

'অনিল বৰা, চাৰ। দেউতা আমাৰ ইযাতে ঢুকাইছিল।'

'কি হৈছিলনো ?'

'তাকে ডা বাছবাৰ্ণক কৈছিলোঁ। মাৰ্চি কিলিঙৰ বাবে পৃষ্ঠপোষকতা কৰি তেখেতসকলে একেবাৰে উপাযহীন হোবা অৱস্থাত পৰা, বাচিবৰ কোনো উপায নথকা ৰোগীক বা অতি বেছি বয়সীয়া মানুহক ঔষধেৰে হত্যা কৰিবলৈ আইনৰ সহযোগিতা বিচাৰিছে। আমি তেতিযাই তেখেতক সুধিছিলোঁ, মানে তেখেতৰ অভিমত বিচাৰিছিলোঁ মোৰ দেউতাৰ দৰে হোবা মৃত্যুৰ বিষযে আইনে কেনে ব্যৱস্থা লোবাটো তেখেতসকলে বিচাৰে ।'

ইতিমধ্যে, চিৰিঞ্জটো খুলি ষ্টেৰিলাইজাৰত ভৰাই দিলে, বিমলে। ডা দাসে মাত লগালে—'গ্লভচ লাগে যদি সেই ড্ৰযাৰটোতে আছে চাইজ কিন্তু বাৰ, হ'ব চাগৈ।'

"হ'ব চাৰ, থেঙ্ক ইউ," বুলি কৈ বিমলে ড্ৰযাৰটো খুলিলে।

'তোমাৰ দেউতাৰৰ কি হৈছিল নক'লা দেখোন।'

'কাৰ্ডিযাক ফেইলাৰ, চাৰ। সেয়ে অলপ আচহুৱা ধৰণৰ। তাকে ডা ৰাছবাৰ্ণে কৈছিল বোলে আজিকালি ওলাবলৈ ধৰা কিছুমান লিথেল ড্ৰাগে মাৰণাস্ত্ৰতকৈও ভযানক অনিষ্ট কৰে। কিন্তু

তেনে দৰব ব্যবহাৰ কৰা মানুহতকৈও মোৰ দেউতাৰ চিকিৎসকজন তেখেতৰ মতে বেছি ডাঙৰ অপৰাধী আছিল।'

কথা কৈ থাকোঁতেই চিৰিঞ্জটো উলিয়াই লৈ দৰবটো ভৰাই ললে বিমলে। তাকে কৰোঁতে স্বাভাবিকতে ডা দাসৰ ফালে পিঠি দি থাকিব লগা হৈছিল। হ'লেও তেওঁৰ কথা শুনাত ডা দাসে বাধা পোৱা নাছিল। মাজতে ডা দাসক সুধি স্পিৰিটৰ বটলটো বিচাৰি কপাহ অকণ তিয়াই ল'লে। ডা দাসৰ ফালে পিঠি দিয়েই চিৰিঞ্জৰ ভিতৰৰ দৰবৰ বটো চাই ললে এবাৰ বিমলে। তাৰ পিছত ডা দাসৰ কাষ চাপি ইনজেকছনটো কত দিব সুধিলে।

'নিজে ললে মই কৰওনতে লও। তুমি দিব খুজিছা যেতিয়া, হাততে দিয়া আজি।' বুলি ডা দাসে বাওঁহাতৰ চোলাৰ হাতটো কোচাই ধৰিলে।

'দেউতাৰ কীডনিৰ কিবা অসুখ এটা হৈছিল।' বুলি কৈ বিমলে ডা দাসৰ হাতত স্পিৰিট বুলাই ললে। মুখেৰে কৈ গ'ল— 'ইযাত দেখুবাবলৈ আহোঁ ত মই মেট্ৰিক দিযাই াছিলো।' এইবাৰ ইনজেকছনটো দি লাহে লাহে দৰবটো সুমাই দিবলৈ ধৰিলে। ডা দাসে মন কৰিলে হাতখন বেছ পাকৈত বিমলৰ।

'পিছে ডাযেগন'ছিছ সম্পূৰ্ণ নৌ হওতেই, চিকিৎসা আৰম্ভ নৌ হওঁতেই দেউতা ঢুকাই থাকিল।' বুলি কৈ লাহে লাহে চিৰিঞ্জটো ডা দাসৰ হাতৰ পৰা এৰবাই আনিলে। তাৰপিছত পিয হৈ পোনে পোনে ষ্টেৰিলাইজাৰটোৰ কাষলৈ গৈ চিৰিঞ্জটো তাত ভৰাই দিলে। হাতৰ পৰা গ্লভ চযোৰ লাহে লাহে খুলি আকৌ ডা' দাসৰ কাষ পালেহি।

'মৰা আছিলো ইযাতে। আগদিনা ৰাতি সম্পূৰ্ণ স্বাভাৱিক অৱস্থাত খুবাই-বুবাই আমি দেউতাক শুবাই থৈ গৈছিলো। মায়ে মযে। নিচেই পুৱাতে মই ফ্লাস্ক এটাত চাহ লৈ আহি দেখো দেউতা বিছনাত নাই। খবৰ কৰিবলৈ যাওঁতে ষ্টাফ নাৰ্চ গৰাকীয়ে

প্ৰায় সাবটি ধৰি খবৰটো দিছিল। সেই অৱস্থাত কেনেকৈ, কোন বাটেৰে টাউনত আমি থকা ঠাইলৈ দৌৰি গৈ চিঞৰি চিঞৰি মাক খবৰটো দিছিলোঁগৈ, ভাবিলে আজিও মোৰ গাটো শিয়ঁৰি উঠে চাৰ।'

'নিশ্চয়, দুখ লাগিবৰে কথা। পিছত ?'

'আমাক এখন "কেডাভাৰ ৰিপোৰ্ট দিয়া হ'ল—এতিয়াও মই থৈ দিছোঁ সেইখন—তাত মৃত্যুৰ কাৰণটো দিয়া আছিল "কাৰ্ডিয়াক ৰেস্পিৰেটৰী ফেইলাৰ" বুলি। পিছে আচল কথাটো গম পালো এমাহমানৰ পিছতহে।'

'কি ?'

'আমাৰ সম্পৰ্কীয় দাদা এজনে সেইসময়ত এই মেডিকেল কলেজতে পঢ়ি আছিল। তেওঁহে খবৰ কৰি জানি আমাক আচল কথাটো জনালে। একো কৰিবৰ উপায় নাছিল তেতিয়া। মই ল'ৰা। ভনীজনী নিচেই সৰু। মাৰ সন্মুখত সীমাহীন আন্ধাৰ। ভাগ্যে দেউতাই বীমা কৰি থৈছিল বুজন পৰিমাণৰ। তাৰ আলমতে মই পঢ়িলোঁ। ভনীজনীকো ভালকৈ বিয়া দিয়া হ'ল।'

'তেনেহ'লে তোমাৰো বিয়া বাৰুৰ কথা ?'

বিমলৰ হাঁহি উঠি গ'ল। ক'লে—'নাই চাৰ, একো কথা ওলোৱা নাই এতিয়াও। আপোনাৰ সৰু ছোৱালীজনী, শুনিছোঁ, দেখাই শুনাই বেয়া নহয়। মই বোধকৰো অনুপযুক্ত নহ'ম—আপুনি যদি তেনে কিবা কথা ভাবিছে।' ডা দাস তভক খাই ৰ'ল। এনেকৈ কথা কয়নে ডেকা ল'ৰাই ? অৱশ্যে পশ্চিমীয়া শিক্ষাৰ ফলো হ'ব পাৰে। নে, ক'ৰবাত অকণমান ব্যঙ্গৰ সুৰ এটা আছে কথাত ?

বিমলে কৈ গ'ল আকৌ—'কিন্তু দেউতা ঢুকাবৰ সময়ত আমাৰ সৰু পৰিয়ালটোৰ কথা ভাবোতা কোনো নাছিল। সেইবাবেই মোৰ মনটো এটা আক্ৰোশত গুমৰি উঠিছিল। কাৰণ দেউতাৰ মৃত্যুটো সাধাৰণ মৃত্যু নাছিল। সেইটো আছিল এক হত্যাকাণ্ড। নিষ্ঠুৰ

অৱহেলা আৰু অকাৰণ ব্যস্ততাৰ বাবেই দেউতা মৰিব লগা হ'ল।' অলপ ৰ'ল বিমল। আকৌ কোটৰ জেপত হাত ভৰাই এইবাৰ এম্পুল এটা উলিয়াই ডা দাসৰ চকুৰ আগত দাঙি ধৰি সুধিলে— 'আপুনি অতি সাম্প্ৰতিক ঔষধ বিজ্ঞানৰ খবৰ ৰাখে বুলি শুনিছোঁ, এইটো চিনি পাবনে বাৰু চাৰ?

ডা দাসে এম্পুলটোৰ ওপৰত থকা লিখাখিনি পঢ়ি চাই অবাক হৈ গ'ল। আচৰিত হৈ বিমললৈ চাই ক'লে—'এইটো । কিন্তু এইটো ড্ৰাগ ।'

'চিনি পালে, চাৰ, আপুনি। হয়, ইনজেকছন দিয়াৰ ঠিক ত্ৰিছ মিনিটৰ পিছত কামটো কৰে। কোৱাগুলেণ্ট এফেক্টৰ উপৰিও মেইন আৰ্টেৰীবোৰৰ ভিতৰফালৰ টিছুবোৰ এট্ৰফাইড কৰি পেলায়। পিছত কাৰো ধৰিবৰ সাধ্য নাই দৰবৰ প্ৰক্ৰিয়া বুলি। গোটেইবোৰ লক্ষণ সম্পূৰ্ণ কাৰ্ডিয়াক এৰেষ্টৰ সৈতে হুবহু মিলি যায়। মুকলিকৈ পাবলৈ নাই চাৰ। মই বহুত যত্ন কৰি, পোন্ধৰ পাউণ্ড দি তিনিটা এম্পুল কিনি আনিছিলোঁ। অৱশ্যে ব্যৱহাৰ এটাহে কৰিব লাগিব বুলি স্থিৰ কৰি থৈছিলোঁ। আৰু সেই কাৰণেই মই আজিৰ দিনটোৰ বাবে ইয়ালৈ আহিছিলোঁ।'

ডা দাস আচৰিত হ'ল। তেখেতৰ বাৰ্দ্ধক্যৰ চিন পৰা কপালত অকণ অকণ ঘাম বিৰিঙিছিল। ক'লে—'অলপ বুলি বোৰাছোন, তোমাৰ কথাবোৰ।'

'মোৰ দেউতা ঢুকাবৰ দিনা তেনে বিশেষ একো অসুখ নাছিল, চাৰ। ডাক্তৰৰ গাফিলতিৰ বাবেই দেউতা মৰিব লগা হ'ল। আমি দেউতাক খুৰাই-বুৰাই শুবলৈ দি যোৱাৰ পিছতে এচিচটেণ্ট প্ৰফেচাৰজন ৰাউণ্ড দিবলৈ আহিল। বৰ লৰালৰি তেতিয়া তেখেতৰ। নাহিলেইহেঁতেন। ৰবত ধৈৰীয়েকৰ ফালৰ কোনোৰ আলহী আহিছে। তেখেতৰ মাথো মনত আছিল, নাৰ্চৰ হাতত এৰি দিব নোৱাৰা ক্ৰিটিকেল ৰোগী এজনক নিজে দিবলৈ

থকা শক্তিশালী ইনজেকছনটোৰ কথা। নাৰ্চক সেইটো প্ৰস্তুত কৰিবলৈ দি তেখেতে কেনিও নোচোবাকৈ দেউতাৰ বিছনাৰ ওচৰ পালেগৈ। নাৰ্চ আহি স্পিৰিট বুলোৱা কামটো কৰে। তালৈ বাট চোবাহেঁতেনো হয়তো কথাটো ধৰা পৰিলহেঁতেন, যে ভুল বিছনালৈ অহা হৈছে। ন'হ'ল। তেখেতে ইনজেকছনটো দিয়েই দিয়ে। ভুলটো যেতিয়া ধৰা পৰিল, দৰবৰ বিযক্ৰিয়াৰ ফলত দেউতাৰ মৃত্যু হ'ল। সেইজন ডাক্তৰেই নিৰ্বিকাৰভাবে মৃত্যুৰ কাৰণ লিখি দিলে —"কাৰ্ডিয়াক ৰেস্পিৰেটৰী ফেইলাৰ' বুলি। হাত কঁপা নাছিল। কথাখিনি কৈ থাকোঁতে বিমলৰ মুখখন ৰঙা পৰি গৈছিল। ডা দাসৰো কপালৰ ঘামৰ এটা ধাৰ হৈ গালৰ ওপৰেদি বৈ আহিছিল। বিমলে কৈ গ'ল— এই ইনজেকছনৰ এটা, সুযোগ বিচাৰি সেইজন ডাক্তৰকে দিম বুলি থিক কৰি আহিছিলো। সেইবাবেই আহি অলপ খা-খবৰ কৰি ডাক্তৰৰ বিষয়ে কিছু কথা জানি লৈছিলোঁ। এতিয়া মোৰ কাম শেষ হ'ল, মই যাব পাৰোঁ।' এই বুলি কৈ বিমল থিয় হ'ল।

'মানে ?' অবাক বিস্ময়েৰে ডা দাসে বিমললৈ চাই সুধিলে।

'মোৰ দেউতাক অমানুষিক অবহেলাৰে হত্যা কৰা ডাক্তৰজন আছিল, আপুনি—ডা দাস। এইমাত্ৰ আপোনাক এই দৰবটো মিলাই ইনছুলিন ইনজেকছনটো দিলোঁ।

ডা দাসে উচপ খাই জাপমাৰি দিব খুজিছিল, নোবাৰিলে। আঠু দুটা কঁপিবলৈ ধৰিলে। আকৌ বহি পৰিল তেখেত। গাটো হঠাৎ অৱশ যেন লাগি গ'ল। গোটেই গাটো জৰজৰকৈ ঘামিছে।

বিমলে ডা দাসৰ প্ৰেছক্ৰিপছন লিখা পেডৰ কাগজ এখিলা ফালি লৈ গৈ হাত ধোৱা ঠাইৰ পৰা ব্যৱহাৰ কৰা দৰবৰ খালি এম্পুলটো তাতে তুলি আনি ডা° দাসৰ সন্মুখত থৈ দিলে। মুখেৰে ক'লে—'সময় বৰ কম, চাৰ। আপুনি একো কৰিব নোৱাৰে

এতিয়া, কাকো একো কৈ যাব নোৱাৰে। একো লিখিবলৈকো হাতত বল নাপায। মোৰ দেউতাৰো নিশ্চয় একেই হৈছিল। হ'বই। নিশ্চিন্তে শুই থকা ৰোগীক দৰবেৰে হত্যা কৰিলে তেনেকুৱাই হয। তথাপি পাৰে যদি কলমটো তুলি চাৰিটা ইংৰাজী শব্দ লিখি থওক—"ফিজিচিযান অনাৰ দাই পেচেণ্টচ"—সেইটো আপোনাৰ বাণী, আপোনাৰ শেষ ইচ্ছা বুলি জাহিৰ হ'ব। ডাক্তৰ তোমাৰ ৰোগীক সম্মান কৰা।' আঁহো চাৰ, কাইলৈ খবৰ শুনিমো, পঢ়িবলৈকো পাম—'মাছিভ কাৰ্ডিযাক্ এৰেষ্ট হৈ আপুনি ইহলীলা সম্বৰণ কৰিলে। আঁহো চাৰ, নমস্কাৰ।' হাতত ভঙা এম্পুলটো টোপোলা কৰি তুলি ললে।

ডাঃ দাস মূক হৈ গ'ল। অসহায আক্ৰোশত ফাটি পৰিব খুজিলে। ঘামত গোটেই কাপোৰ তিতি গ'ল। বহুত কিবাকিবি কৰিব লগা আছিল। কাৰবাক কথাখিনি কৈ গ'লেও হত্যাকাৰী এটা ধৰা পৰিলেহেঁতেন। আ সময় বৰ কম। সময়ৰ গতি অতি বেছি। হেৰা। সৰু ধন। মা জনী॥

নিজকে এৰি দিলে ডা দাসে কোমল চকীখনত। চকু দুটা ট টকৈ মেলি বাহিৰলৈ যোৱা দুৱাৰখনৰ ফালে চাই থাকি থাকি এসমযত থৰ হৈ গ'ল।

মোৰ মহানুভৱতা

মই এনেযে সুখী বুইছে। সুখী মানে, সাধাৰণ অৰ্থত যাক সুখ বোলে, মোৰ আছে। মধ্যবিত্তসকলৰ ভিতৰত যিসকল কিছু ওপৰলৈ উঠে। মই ভাবো মযো সেইসকলৰ এজন। চাকৰীকে কৰো। সেয়ে প্ৰথম শ্ৰেণীৰ চৰকাৰী চাকৰী। ঘৰ-দুৱাৰ হৈছে। যোৱা বছৰৰ আগৰ বছৰত ফিযেট গাড়ী এখনো ললো। গতিকে মোৰ লগৰ, তাহানিৰ সহপাঠীসকলৰ ভিতৰত আলোচনা হ'লে, স্বাভাবিকতে মোৰ কথাও ওলায।

সেইবুলি ইঞ্জিনিযাৰ হোবা প্ৰদীপ, ডাক্তৰ, এতিয়া চিভিল চাৰ্জন হ'ল নগেন মেডিকেল কলেজৰ অধ্যাপক হোবা বিভূতিহঁত যে মোতকৈ পিছ পৰি আছে মই ক'ব খোজা নাই। সেইদৰে ঠিকাদাৰ হৈ প্ৰতিপত্তি লাভকৰা সদাও আমাৰ লগৰে।

একেলগে পঢ়া ল'ৰাবোৰ আজি মানুহ হৈ কোন কোনখিনি পালোহিহঁক বুলি ভাৱিলে মোৰ ভাল লাগে। মোৰ পৰ্য্যায়লৈ উঠাকেইজন আঙুলি মূৰত লেখিব পাৰি। তাতোকৈ ভাল লাগে আমাৰ ল'ৰা-ছোবালীবোৰক বেছ নাম কৰা স্কুলত পঢ়াবলৈ পোৱা বাবে। নগেনৰ ছোবালীজনী, মোৰ ডাঙৰ ল'ৰাটো একেলগে কাৰ্সিয়াঙত পঢ়ে। পাব্লিক স্কুল এখনত।

আৰু সঁচা কথাত লুক-ঢাক নাই। আমাৰ ঘৰত আপেল, মালভোগ কল এইবোৰ ফলাহাৰ হিচাবে ব্যৱহাৰ হৈ থাকে, সাধাৰণতে কাৰবাৰ অসুখ-বিসুখ হ'লেহে অনাৰ দৰে নহয়।

এইখিনিও যদি সুখ বুলি ধৰিব নোৱাৰি, সেইকণকে লৈ যদি অকণমান গৌৰৱ কৰিব নোৱাৰি, কৰিব কিহত? হবয় মই নন্দেশ্বৰ চক্ৰবৰ্ত্তী বা শিবপ্ৰসাদ বৰুৱাৰ দৰে বিৰাট ধনী হ'ব পৰা নাই। হোবাৰ সম্ভাবনাও নাই, সেইবুলি মোৰ চামৰ সহপাঠীসকলৰ কেইজনে বাৰু মোৰ পজিছন পাইছে। সেইকণ আত্মপ্ৰসাদ লাভ কৰিলেও যদি কাৰবাৰ চকু পোৰে মই জানো কিবা কৰিব পাৰো। এইটোও সঁচা যে সা-সম্পত্তি, টকা-পইচাৰ ফালৰ পৰা মোৰ লগৰে দুই এজন মোতকৈও ওপৰত, সেইবুলি তেওঁলোকৰ প্ৰতি মোৰ কোনো ঈৰ্ষা নাই। মই এতিয়ালৈকে নিজৰ ভাগ্যৰ ওপৰতে সন্তুষ্ট হৈ আছোঁ।

এতিযালৈকে বুলি কৈছো যদিও, মই আগতে কৈছো, সঁচা কথাত মই লুক-ঢাক নকৰো, যোবা নিৰ্বাচনৰ আগলৈকে মই কাহানিও ভবা নাছিলো যে এতিয়া আৰু আমাৰ লগৰ কোনোবা আমাতকৈ উধাই যাব পাৰিব। বা কাৰবাৰ তেনেধৰণৰ সম্ভাৱনাই মোৰ মনতো অকণমান হিংসাৰ জ্ঞান নাজান ভাব সুমাই দিব।

কথাটো সেইবাবেই অভাবনীয় আছিল। বিশেষকৈ ঘটনাটো যেতিয়া মাখনৰ দ্বাৰা সম্পন্ন হ'ল। মাখন আমাৰ শ্ৰেণীৰ এজন সাধাৰণ ছাত্ৰ আছিল। পঢ়াশুনাতে বোলে বৰ ভাল আছিল, সিও নহয়। আনহাতে, তাৰ সেইসময়ৰ বুদ্ধিবৃত্তি দেখি আমাৰ শ্ৰেণীৰ শিক্ষক ৺অনাদৰ হাজৰিকাই প্ৰায়ে সকলোকে শুনাই তাৰ ভৱিষ্যতৰ বিষয়ে সন্দেহেই প্ৰকাশ কৰিছিল। কালজলৈ আহিও মাখনে বিশেষ পাৰদৰ্শিতা দেখুৱাইছিল, এনে নহয়। কি, বোলে পঢ়াশুনাত বা ছাত্ৰসন্থাৰ কাৰ্য্যকলাপতে।

কেতিয়া, কি আপাহত সি ৰাজনীতিত যোগ দিছিল মোৰ মনত নাই। ৰাজনীতিতে বা সি কেতিয়া কেনেকৈ উধাই গৈ একেবাৰে বিধানসভালৈ নিৰ্বাচনৰ বাবে মনোনয়ন পাব পৰা হ'লগৈ গমেই পোৱা নাছিলো।

একেবাৰে গম পালো আমাৰ মন্ত্ৰীসভাৰ নামৰ তালিকাখন দেখি। মোৰ দৰেই, মোৰ কেউজন সহপাঠীৰে চকু থৰ হৈ ৰৈ গৈছিল মাখন চলিহাৰ নামটোত। মাখন মন্ত্ৰী হ'ল? অবিশ্বাস্য যেন লাগিল। পিছে ক'লা জহৰ কোটৰে সতে তাৰ ছবিখন কাগজত ওলোবা দেখি অবিশ্বাস কৰাৰ থল নাইকিয়া হ'ল।

প্ৰথমতে মনটো কিছুসময়ৰ বাবে একেবাৰে সেমেকি গৈছিল। মাখনো মন্ত্ৰী হ'ল! পিছে তাপৰি থ'লো। চিঞৰি গৃহিণীক মাতি খবৰটো দিলো। তেওৰ মন্ত্ৰী মুদাগৰৰ বিষয়ে সিমান আগ্ৰহ নাই। সুধিলে 'কোননো সেইজন মাখন চলিহা, ঘৰ ক'ত?'

'কেলেই আমাৰ তাৰ হে। আমি একেলগে পঢ়িছিলো। তোমাক কোৱা নাছিলো নে তাৰ কথা? বৰ বন্ধু আছিল মোৰ।'

"অ'—" বুলি তেওঁ আঁতৰি গৈছিল। তেতিয়াহে মোৰ মনত খেলালে মাখনৰ বিষয়ে আলোচনা কৰিবলৈ মোৰ আজিলৈকে কোনো সুবিধা ওলোবা নাছিল। আৰু, সঁচাকৈয়ে, তিৰোতাক কৈছিলো যদিও, মাখনৰ লগত মোৰ বিশেষ নলে-গলে বন্ধুত্ব নাছিল।

তথাপি অফিচলৈ গৈযে প্ৰথমতে এখন টেলিগ্ৰাম আৰু পিছত এখন চিঠি লিখিলো মাখনলৈ ওলগ আৰু অভিনন্দন জনাই। অফিচৰ মানুহখিনিয়ে কথাটো জনাব সুবিধা কৰি সবজান্তা হৈ থকা পুলিন বৰাৰ হতুবাই থচৰাটো কৰাই লৈছিলো টেলিগ্ৰামখনৰ। পিযনক দি পাঠাওতে অৱশ্যে মই সলাই ছুটি কৰি লৈছিলো কথা-খিনি।

চিঠিখনত পুৰণি চিনাকি উদ্ধাৰ কৰি আমি যে মাখনক লৈ কিমান গৌৰৱ কৰি থাকো জনালো। শেষত অনুৰোধ কৰিলো আমাৰ কৌটি-কলীয়া বন্ধুত্ব যেন মন্ত্ৰীত্ব পাই মাখনে পাহৰি নেপেলায়। হ'ব পাৰে সেইখনেই মই মাখনলৈ লিখা প্ৰথম চিঠি। সেইবুলি

একেলগে আঠ ন বছৰ একেটা শ্ৰেণীত, একেখন স্কুলতে পঢ়ি অহা সহপাঠীক জানো পাহৰিব পাৰি।

চিঠিখন ডাকত দিয়াৰ পিছতহে নিজৰ ওপৰতে ধিক্কাৰ জন্মিল, ইমান দিনে মাখনৰ লগত অকণো যোগাযোগ নৰখা বাবে। কিন্তু জানিমনো কেনেকৈ? সেইটো মাখন যে এতিয়া মন্ত্ৰী মাখন চলিহা হ'বহি।

মিছা কথা। মোৰ অকণো বন্ধুত্ব নাছিল মাখনৰ লগত। তাতকৈও ডাঙৰ কথা, সহপাঠী হিচাবে থাকিব লগা সৌহাৰ্দ্যখিনিও নাছিল আমাৰ মাজত। এতিয়া মনত পৰিছে, কাপোৰে-কানিয়ে মাখনৰ যিটো পৰিচয় আমাৰ চকুত পৰিছিল সেইটোৰে আমি তাৰ লগত বৰকৈ হলি-গলি কৰাতো ও তেতিয়া অশোভন অশোভন যেন লাগিছিল। তাতে সি তেতিয়া তেনেকৈ চকুত লগাকৈ আগবাঢ়ি অহা ল'ৰাও নাছিল। টাউনৰ পৰা চাৰি মাইলমান দূৰত ঘৰ। সেইবোৰ গাৱঁত যদি গ্ৰাম্যনেতা হৈছিলো—আমাৰ মনত সি তেনেকৈ সাচ বহুৱাব পৰা নাছিল।

এবাৰ মাথো মনত আছে, সৰস্বতী পূজাৰ বা'ৰ পূজাৰী বিচাৰী আমি কেইজনমান ল'ৰা সিহঁতৰ গাৱঁলে গৈছিলোহঁক। আমাৰ আৰু এজন সহপাঠী টঙ্কেশ্বৰ পাঠকৰ দিহামতে। সেই টঙ্কেশ্বৰৰ লগতে মাখনৰ যি বন্ধুত্ব। আৰু সেইবাৰ গাৱঁলৈ যোৱা আলমতে আমি এবাৰ নোবাবি দুয়োৰে ঘৰলে গৈছিলো। মাখনহঁতৰ ঘৰখন অলপ স্বচ্ছল। টঙ্কেশ্বৰহঁত দুখীয়া মানুহ। দেউতাকে আমাক বৰ আদৰ সাদৰ কৰিছিল। পিছে মানুহজন কিবা বেমাৰী আছিল। হ'লেও, আমাক হাতে হাতে বাটিত চাহ দিবলৈ অহা টঙ্কেশ্বৰৰ ভনীয়েকজনী বৰ ধুনীয়া আছিল।

পিছত শুনিছিলো টঙ্কেশ্বৰ আৰু মাখনৰ মাজৰ বন্ধুত্বৰ বান্ধ টঙ্কেশ্বৰৰ ভনীয়েকৰ বাবে বেছি কটকটীয়া হৈ গৈছিল। আৰু দুবছৰ নে এবছৰৰ পিছত শুনিলো টঙ্কেশ্বৰৰ বাপেকটোও হেনো ঢুকাল।

ইতিমধ্যে আমি কলেজ পালোগৈ। কলেজলৈ মাখন আহিছিল, টঙ্কেশ্বৰ অহা নেদিখিলো। মাখনো শেষলৈকে নাথাকিল নেকি। আচলতে পাহৰি পেলালোঁ। সংশ্রব এৰাই গ'ল। কলেজ, বিশ্ববিদ্যালয় এৰি কেনি কোন ছিটিকি পৰিলোহঁক ঠিকনা নোহোৱা হ'ল। চাকৰীত সোমোবাৰ পিছত অ'ত-ত'ত কেতিযাবা দুই এজন পুৰণি সহপাঠী লগ পাই আছিলো। নগেনৰ দৰে দুজনমানৰ লগত ল'ৰা-ছোৱালীৰ জৰিয়তে নতুনকৈ সদ্ভাব গঢ়ি উঠিছিল। বাকীবোৰৰ নামবোৰেই যি মনত আছিল, আন খা-খবৰ বিশেষ নাছিল। নিজকেলৈ আনন্দেৰে ব্যস্ত হৈ আছিলো। ঘূৰি কালৈকো চাবলৈ আজৰি পোৱা নাছিলো। মনে মনে ভাবিছিলো মই যি খাপলৈ উঠিলো তাৰ তুলনা মোৰ সহপাঠীবোৰৰ মাজত নিচেই তাকৰকৈহে ওলাব। অবশ্যে সেই তুলনাত মই কাহানিও মোৰ চাকৰীৰ ওপৰৱালা বা মোৰ নিজৰ তলতীয়া কাকো সামৰা নাছিলো। বেছ সুখেৰেই আছিলোঁ। মোৰ ধাৰণা, আনৰ কথা নাভাবিলে সকলো সুখী।

ক'ব নোৱাৰাকৈয়ে মনত খুন্দা মাৰিলেহি মাখন মন্ত্রী হোৱা খবৰটোৱে। সহপাঠী এজন মন্ত্রী হৈছে, ভালৰে কথা। কত কথাত সেই পৰিচয় কামত আহিব কোনে জানে। বিশেষকৈ ভাল লাগিছিল এই ভাবি যে মোৰ চাকৰী সম্পৰ্কৰ সকলোৰে কথাটো গম পোৱাৰ লগে লগে মোক অলপ সৰহকৈ খাতিৰ কৰিব। সেইবাবে সুবিধা পালেই মই মাখনৰ স'তে থকা মোৰ তাহানিৰ সৌহাৰ্দ্দ্যৰ কথা উলিয়াও। দুই এটা মনে সজা সৰু-সুৰা ঘটনাও বিবৰো। পাকে প্রকাৰে এইদৰেও উন্মুকিয়াই থওঁ যে মাখন চলিহা এইখন নগৰলৈ ভ্রমণ কৰিবলৈ আহিলে হয়তো মোৰ ঘৰতে থাকিব।

সেইদৰে কৈছিলো যদিও কিছুদিনৰ পিছত আকৌ মনটো দমি গৈছিল। সিমান দিনে মাখনে মই দিয়া চিঠিখনৰ উত্তৰ এটা দিব

লাগিছিল। নিদিলে। হয়তো দিছিল, ডাকত হেৰাল। সেইটোও অসম্ভৱ নহয়।

পিছে সঁচাকৈয়ে বিপদ উপস্থিত হ'ল। মাখন চলিহাই কিবা কামত মই থকা নগৰলৈ ভ্ৰমণ কৰিবলৈ প্ৰগ্ৰেম কৰিলে অতি কম সময়ৰ ভিতৰতে। আমাৰ বিভাগৰ লগত সম্পৰ্ক নথকা বাবে তাৰ টুৰ প্ৰগ্ৰেম আমি পোৱা নাছিলো। লাজ লগাকৈ মাখন অহাৰ পোবাৰ খবৰটো পালো, যালৈ ভয় কৰিছিলো তেওঁৰ পৰাই। পুলিন বৰাই এদিন অফিচতে খবৰ দিলেহি—'চাৰ আপোনাৰ বন্ধু আহিছে নহয়। আজি পুৱাই পালেহি।'

প্ৰথমতে ধৰিব পৰা নাছিলো। এবাৰ মুখলৈ চাওঁতে বৰাই আকৌ কৈছিল—'চলিহা মিনিষ্টাৰ, চাৰ।'

তপৰাই বুধি সাজি সেইদিনালৈ মান ৰাখিছিলো—'আহি পালেহিযেই নেকি সি? ইমান সোনকালে পালেহিয়েইনে। ক'ত গম পালে আপুনি?'

বৰাই কিবা এটা কৈছিল। মোৰ কাণত নোসোমাল। মই তেতিয়া বুধি পাঙিছো মনে মনে। মোৰ তাত মাখন থাকিবলৈ অহা দূৰৰ কথা, অহা খবৰটোকে নাপালো। বৰাহতে কেনেবাকৈ সেইটো কথা উলিয়ায় বুলি থোৰতে কৈ থলো— সি বোলে অফিচিয়েলি আহিলে মানুহৰ ঘৰত থাকি নীতি ভাঙিব নোখোজে। চাৰ্কিট হাউচতে থাকিব।'

কৈফিয়ৎটো বৰাকহে দিলো। বৰা তেওঁৰ মাধ্যমেৰে অফিচৰ মানুহখিনিক। ঘৰত কওঁ কি বুলি? মাখনৰ ফালৰ পৰা অন্তত এটা যোগাযোগ হোৱাহেঁতেনো।

নহয়। এনে কামত নিজৰ প্ৰচেষ্টাহে আচল। মনতে ভাবিলো মাখনক এবাৰলৈ হ'লেও আবেলিৰ ফালে ঘৰলৈ মাতি নি চাহ একাপ খুৱাবই লাগিব। তেতিয়া তাৰ নিশ্চয় সময় থাকিব।

ভৰা মতেই কাকো একো কাৰণ নেদেখুৱাকৈ সোনকালে অফিচৰ পৰা ওলাই গ'লো। যাওতে বাটতে পোৱা মিঠাইৰ দোকান এখনৰ পৰা অলপ ভাল মিঠাই কিনি ললো। কোনে জানে, লগতে যাও বুলি সি ওলালে মিঠাই কিনিবলৈ সময়কে নাপাব পাৰো।

চাকিট হাউচত বহুত মানুহ। মাখনৰ বিভাগৰ মানুহেই সৰহ। আন মানুহো আছে অৱশ্যে। মোক চিনি পোৱা দুই এজনো আছে বাহিৰত। মন্ত্ৰীৰ ওচৰলৈ অহা কাম নথকা মো চাহেবো নথকা নহয় দুজন নে এজন।

মন্ত্ৰী ভিতৰত কিবা মিটিং এখনত ব্যস্ত আছে। এতিয়াই সোমাই গ'লে বৰ ভাল নহ'ব যেন লাগিল। ডি চি এচ পি সকলো আছে হেনো, তাতকৈ এটা কামকে কৰো। অলপ সময় বৈ কাগজ এটুকুৰাত নামটো লিখি ভদ্ৰতা কৰি বাহিৰত বহি থাকোতেই সি হয়তো ওলাই আহি—'ধেৎ, বাহিৰত আছহি কিয়?' বুলি নিজেই মাতি নিবহি। কথাটো আটাইবোৰ দেখাকৈ হ'লে বেছি ভাল হ ব।

কিছু সময় বৈ, শ্লিপ এখন লিখি পঠালো। নিওতেই অৱশ্যে পিয়নটোৱে কৈছিল—'চাহাব অলপ ব্যস্ত আছে—চাব।' মই পেটে পেটে হাঁহিলো। মন ত ক'লো বাৰু যোৱাছোন লৈ, মন্ত্ৰীয়ে পঢ়াৰ পিছত চাবা—, ফুটাই অৱশ্যে থোৰতে ক'লো—'দি থৈ আহাগৈছোন বাৰু।'

পৰ্চটোত কাঠৰ ৰেলিং দিয়া আছে, কাষে কাষে এলানি চকী। তাৰে এখনত বহি মন্ত্ৰীৰ কোঠাৰ দুৱাৰখনলৈ চাই থাকিলো। সেইদৰে থাকোতেই প্ৰায় পোন্ধৰ মিনিট মানৰ পিছত পিয়নটো দেখিলো মোৰ ফালেই আহিছে। মই থিয় হ'ব খোজোতেই সি মাত লগালে—'চাহাবে অলপ দেৰী হ'ব লাগিব বুলি কৈছে চাৰ ।'

মই "বাৰু" বুলি আকৌ চকীখনতে গাটো এৰি দিলো, তেতিয়াহে মোৰ আচল সমস্যাটো হাজিৰ হ'ল। গুছি যাওঁ বুলি অভিমান

কৰিলেও পিছত হয়তো মাথোন্‌ই ক'ব—'সেইবাৰ সময়ো ৰ'ব নোৱাৰিলিনে, মই বৰ ব্যস্ত আছিলো দেখিছে ।

আৰু গুছি গ'লেও আজি নহ'লেও কাইলৈতো কথা'টা ওলাই যাব—মই মন্ত্ৰীক দেখাকে কৰিব নোৱাৰিলো বুলি।

অগত্যা ৰ'লো। থাকিযেই যাওঁ'ছান অলপ সময়। কাম'টা তেনেকৈ নাযেই।

এশ এবুৰি কথা ভাবি বহি থাকোঁতে এঘণ্টামানেই হ'ল নেকি। ইতিমধ্যে বহুত মানুহ অহা যোৱা কৰা দেখিলো। মাজতে এজাপ মান চিঠি লৈ ডাকপিয়ন এজনক মন্ত্ৰীৰ কোঠালৈ সোমাই যোৱাও দেখিলো। এৰা মন্ত্ৰী হ'লে খা খবৰ পালে পালে পাই থকাৰ নিয়ম, আগেযে নেহৰু গান্ধী য'লৈকে গৈছিল ডাকঘৰ এটাকোটাও ছোনা লগে লগে গৈছিল। এতিয়া ডাকঘৰ নগলে ও ডাক অহা যোৱাত পলম নহয় মন্ত্ৰীসকলৰ।

মোৰ অৱস্থা বৰ কাহিল তেতিয়া। তলমূৰে ভাবি শাবি থিৰ কৰিলো—নবও আৰু। বাতিলৈ আকৌ এবাৰ আহিম। কিন্তু যাওঁ ত অকলে অকলে ওলাই যোৱা কোনোবা চিনাকী মানুহে দেখে বুলি বৰ লাজ লাগিছে। অৱশ্যে মোৰ কথা লৈ কানেও মূৰ ঘমাই বৈ থকা নাই তাত।

সেইদৰে ভাবি থাকোঁতেই মোৰ কাষতে থিয় হৈ মোক নাম কাটি মাত লগালেহি এজনে। মই জাপ মাৰি থিয় হ'ব খুজিছিলো। পিছে মন্ত্ৰী নহয়। খাকী সাজেৰে সেই ডাকপিয়ন'টো। মোক নাম কাটি মাতিছে। মই অবাক হৈ এবাৰ মতাৰ আগতে চাঁহি মাৰি সুধিছে—'চিনি পোৱা নাই নহয় ?'

মোৰ খং উঠিছিল, মুঠা নহয়। তথাপি মুখলৈ চালো এবাৰ মানুহটোৰ মুখত বয়সৰ দাগ বহিছে যদিও আমাতকৈ বয়সীয়া নহয়। চুলিবোৰ কেউকাষে পকিছে। মনত পেলাবলৈ চেষ্টা কৰোঁতে মোৰ মুখৰ পৰা ওলাই গ'ল ট-ট-ট '।

'হয় টঙ্ক পাঠক।'

'তুমি ইযাতে আছা নেকি? কি কৰিছা ইযাত ?' বুলি বৰ আগ্ৰহেৰে সুধিলো টঙ্কেশ্বৰক। তেওৰ গাৰ সাজটো দেখিও কি কৰিছা বুলি সোধাতো টঙ্কৰ কাণত বাজিছিল নিশ্চয। কিন্তু মই তেতিযা বৰ হেপাঁহেৰে এটা পলোৱা বাট বিচাৰি আছিলো।

'মই ইযাত থকা প্ৰায ছবছৰেই হ'লহি। তোমাক মই দেখো নহয মাজে মাজে। তোমাৰ অফিচলৈকো গৈছো কেতিযাবা ডাক লৈ—'

'মোক কাহানিও দেখা কৰা নাছিলা কিয?'

'জানোছা পিযন হোৱা বাবে চিনিকে নোপোৱা, সেই ভযতে কাহানিও আগবাঢি যোৱা নাছিলো।'

মই থিয হৈছিলোবেই। খোজ দিছো তেতিযা বাহিৰলৈ বুলি। মুখেৰে ক'লো—থৈ দিযাহে। চিনি নাপাম কিয? আৰু প্ৰথম বাৰতে চিনি নাপালেও নামটো ক'লেতো আৰু অচিনাকি হৈ নাথাকিলাহেঁতেন।'

'হওতে হয। তেওঁ বুলি ।'

'হ'ব দিযা, যাবা কেতিযাবা মোৰ ঘৰলৈ। চিনি পোৱানে মোৰ ঘৰটো?'

'পাওঁ, পাওঁ, যাম বাৰু কেতিযাবা।'

'মাখনক লগ পালানে? কিহৰ ইমান জৰুৰী ডাক থাকেহে মন্ত্ৰীবোৰৰ?'

টঙ্কেশ্বৰে একো নকলে সেই বিষযে। আকৌ এবাৰ নোসোধো বুলিও সুধিলো—'তোমাক চিনি পালেনে বাৰু সি?'

এইবাৰ টঙ্কই হাঁহি এটা মাৰি মনে মনে থাকিল। আমি দুয়ো আহি আহি মোৰ গাড়ীৰ ওচৰ পাইছিলোহি ইতিমধ্যে। সেইফালে ঘূৰি টঙ্কক মাত লগালো—'আহাঁ গাড়ীতে যাওঁগৈ। তুমি ডাক ঘৰলৈহে যাবা চাগৈ। নমাই থৈ যাম।'

'নাই, নালাগে দিয়া। মোৰ চাইকেলখন আছে। অকণমান বজাৰ সোমাই যাবগৈ লাগে।'

অলপ লঘু হ'ব খুজি সুধিলো—'এই দুপৰতোনো কি বজাৰখন কৰাহে—।'

'পাও যদি অকণ ভাল মাছ বিচাৰিব লাগে। মাখনে গধূলিকৈ মোৰ তাতে ভাতকেইটা খাও বুলিছে ।'

"অ'—" বুলি কওতে জোৰেৰে হাঁহি এটা মাৰিছিলো। দুৱাৰখন জপাওতে পিছে গোটেই গাডীখন কঁপি উঠিছিল মোৰ।

চোৰ

কথাটো প্ৰথমতে কাৰো চকুত পৰা নাছিল। এনেকুৱা ঘটনা ঘটিযেই থাকে। ল'ৰাবোৰো প্ৰায় একে বয়সৰে হয়। সাধাৰণতে মনেশ্বৰ চিপাহীয়ে কেইটামান চৰ মৰাৰ পিছত বা ল'ৰাৰ বয়স চাই হাতৰ বেটন ডালেৰে কেই কোবমান দি বাতিটো লকআপত থৈ দিয়া হয়। নাম-ধাম টুকি থোৱা হয়। চিঞৰত গগন নাফালিবলৈ কৈ দুই এটা ওপৰঞ্চি চৰ দিয়া হয়।

আজিৰ ল'ৰাটো বেলেগ। এওলোকৰ অভিজ্ঞতাৰ বিপৰীত। বয়স কম অকল সেয়ে নহয়। ল'ৰাটো শিয়ান বা পাকৈতো নহয়। অৰ্থাৎ নতুনকৈ লাইনত ধৰিছে।

হ'লেও মনেশ্বৰৰ প্ৰথম চৰতে মাৰিব লগা চিঞৰটো নামাৰি ল'ৰাটো কেৱল কোঁচ খাই পৰিল, মুখৰ মাত নোলাল কিন্তু দুই চকুৰে ধাৰাসাৰে চকুলো বাগৰিল। ভাবে-ভঙ্গীয়ে যেন আনটো চৰ মাৰিবলৈ ইখন গাল পাতিহে দিব।

তাকে দেখিযেই নেকি, বৰা ডাৰোগাৰ মনত কিবা এটা খেলালে। মনেশ্বৰক বাধা দি তেওঁ ল'ৰাটোক একাষৰীয়াকৈ মাতি নিলে। মাটিতে বহিবলৈ দি নিজে ওচৰৰে টুল এখনত বহি ললে। এখন্তেক ল ৰাটোৰ মুখখনলৈ চাই থাকি সুধিলে 'তোৰ নাম কি ?'

ল'ৰাটোৰ নাম ৰূপেশ্বৰ। বয়স বাৰ কি তেৰ। ঘৰ নগৰৰ পৰা তিনি মাইল দূৰৰ গাওঁ এখনত। বাপেক মাক আছে। কোবাৰ ধৰণলৈ চাই বৰা ডাৰোগাৰ কথাবোৰ বিশ্বাসযোগ্য যেনেই লাগিল। আগতে হেনো সি কাহানিও এনে কাম কৰা নাই।

ৰূপেশ্বৰে বাপেকৰ নামটো ক'লে। বিচাৰিলে ডাৰোগাক লৈ গৈ ঘৰখন দেখুৱাই দিবগৈ পাৰে। সেইখিনিতে পিছে সি বৈ গ'ল। পুলিচৰ লগত ঘূৰি গৈ বাপেকক কি বুলি ক'বগৈ সি ?

ঘৰত খেতি খোলা আছে। অৱস্থা সিমান বেয়া নহয় অন্তত চুৰ কৰি খাব নালাগে।

'তেনেহ'লে আহিছিলি কেলেই এইদৰে মৰিবলৈ ?'

লগে লগে ৰূপেশ্বৰে একো ক'ব পৰা নাছিল। তাৰ নিজৰে সন্দেহ হৈছিল সঁচা কথা ক'লে ডাৰোগাই কেতিয়াও বিশ্বাস নকৰে বুলি। মিছা কথা সাজিবলৈ তাৰ তেতিয়া বুদ্ধিও হেৰাল। এবাৰ ডাৰোগাৰ মুখলৈ অলপ সময় চাই থাকি সি কৈ দিলে—'আইতা মানে মাগনী আইতাৰ বাবে।'

ৰৰা ডাৰোগাৰ অপুলিচসুলভ কৌতূহল এটা হ'ল। মিছা কথা ক'লে আকৌ মনেশ্বৰ চিপাহীক সোধাই দিব বুলি ভাবুকি দি পেৰিবলৈ ধৰিলে। কিছু সময়ৰ পিছত, জেৰা শেষ হ'ল। যন লগাত তেওঁ নিজে টুলখনৰ পৰা উঠি মেজৰ সিপাৰৰ চকাখ ত বহিলগৈ। ৰূপেশ্বৰক টুলখন দেখুৱাই বহিবলৈ ক'লে। ৰবীনক মাতি একাপ চাহ আৰু এটা চিঙাৰা আনিবলৈ দিলে। দি ক'লে—'তোৰ কথা সঁচা মিছা মই নিজে চাই আহিবগৈ লাগিব। পিছে আজি আৰু নোৱাৰি। আজি ৰাতিটো থানাতে থাক। কাইলৈ পুৱাই যাম।'

ডাৰোগাৰ কথাত ওলাই পৰা কোমলতাই আনবোৰ চিপাহীক অবাক কৰিলে। ৰূপেশ্বৰৰ আকৌ চকু পানী ওলাল। তাৰ প্ৰথম চিন্তা হ'ল—ৰাতিটো এনেকৈ বাহিৰত থাকিলে মাক বাপেকে কি ভাবিব পাৰে ? আৰু মাগনী আইতা ? সেইজনী মৰা মৰা হৈ আছে, কোনোবা আহিব জানো কাষলৈ ? আৰু যদি ৰাতিটোৰ ভিতৰতে মৰি থাকে বুঢ়ীজনী !

ৰৰা ডাৰোগাৰ মনটো জোকাৰ খাই গ'ল। তেওঁৰ চাকৰীটো পুলিচৰ। কিন্তু অলপ কোমল মনটো। থানালৈ ধৰি আনিলেই

মানুহবোৰ খুনী, বদমাছ, চোৰ, ডকাইত হৈ যায় বুলি থকা সৰ্বসাধাৰণ বিশ্বাসটো তেওঁৰ নহয়। সেইবোৰো প্ৰথমতে মানুহ, এই ধাৰণাটো তেওঁৰ মনলৈ আহে। আৰু সেইবাবেই, বজাৰৰ দোকান এখনৰ পৰা অপৈণত হাতেৰে বিস্কুটৰ পেকেট এটা চুৰ কৰোতে ধৰা পৰি থানালৈ অহা ৰূপেশ্বৰৰ চেহেৰাটো দেখিয়েই তেও ধৰি লৈছিল ল'ৰাটো আচলতে চোৰ স্বভাৱৰ নহয়।

হ'লেও তাৰ মুখৰ পৰা সি বিস্কুট চুৰ কৰিবলৈ অহা কাৰণটো শুনি তেওঁ মনে মনে অবাক হৈছিল। সন্দেহো হৈছিল। যদি ল'ৰাটোৰ কথাবোৰ মিছা হয়, সি ধৰা ভাওটো সুন্দৰ হৈছে। তাৰ বিবৰণ উপন্যাসৰ দৰে হৈছে। যদি সেয়ে হয় তাৰ ভাগ্যত দুখ আছে।

আৰু যদি সি কোৱা কথাবোৰ সঁচা হয়, কথা বেলেগ।

ৰূপেশ্বৰহঁতৰ গাওঁৰ এমূৰে বুঢ়ী এজনী আছে। তেনেই অথৰ্ব। চকুৰেও নমনে। আপোন বুলিবলৈ কোনো নাই বুঢ়ীৰ। কোনোবাই মৰমৰ মাত এষাৰ দিবলৈকো বুঢ়ীৰ কাষেই নাচাপে কোনো।

মাগি খুজি খায় কিন্তু মুখখন লাওপাত-কচুপাত। আজি-কালি চাউল পাত নোখোজে। আছে যদি কৰ্কৰা পঁইতা কি আছে ভাতকে দিয়ক গৃহস্থই। চাউল সিজাবৰ বল নাই বুঢ়ীৰ। কিন্তু তাকে খোজোতে কি প্ৰতাপ বুঢ়ীৰ! যেন মহাৰাণীয়ে হুকুমহে দিব। এনেযেও বাটে পথে লগ পোৱা মানুহকো বুঢ়ীয়ে সুদায় নেৰে। গালি শপনি কিবা এটা ওলাবই মুখৰ পৰা। আকাশ দেখা জুপুৰীটোৰ এচুকত থৰ হৈ বহি থকা সময়তো, বাটেদি কোনোবা যোৱা গম পালেও বুঢ়ীয়ে সম্বোধন কৰে—'কোন ঐ সেইটো যমুণীত যোৱা ?'

ফলত কোনেও জানি বুজি বুঢ়ীক মাত নলগায় আৰু গাওঁৰ চেঙেলীয়া ল'ৰাবোৰে দূৰৰ পৰা জোকায়। জুপুৰীটোৰ আগেদি

গ'লেও সৰু মাটিৰ চপৰা এটা দলিয়াই থৈ যায়। দলি ভাগি ছোৱা ধুলি আৰু লগতে ওপৰৰ পৰা সৰি পৰা বুকলিৰ ঘৃগুলা গুছাবলৈ বুঢ়ীয়ে মুৰৰ চুলি কেইডাল ফাঁহ ফাঁহ কৰে আৰু মুখেৰে অকথ্য ভাষাৰে অনৰ্গল শাও দিয়ে ল'বাবোৰক।

এনেবোৰ অপকৰ্মত ভাগ লওঁতেই এদিন ৰূপেশ্বৰৰ চকুত বুঢ়ীৰ অসহায়, অকলশৰীয়া ৰূপটো পৰিল। কিবা বেথা লাগি সেইদিনাই ৰাতিলৈ, সি হাতত লোৱা পিঠাগুৰিৰ টোপোলা এটা লৈ বুঢ়ীৰ ঘৰলৈ গ'ল। বুঢ়ীয়ে সম্ভাষণ জনালে - কোন ঔ সেইটো যহণী ?'

ৰূপেশ্বৰৰ খ উঠি গ'ল। সিও খি খিঙাই উঠিল—'হেই এইজনী, মৰতী ! মনে মনে থাক।'

বুঢ়ী থমক খাই বৈ গৈছিল। ইমান ওচৰৰ পৰা, ইমান স্পষ্টকৈ, বুঢ়ীৰ কথাৰ মুৰতে কোনেও আজিলৈকে এনেকৈ দাবি দিয়া নাছিল। এখন্তেক নিতাল মাৰি থাকি ৰূপেশ্বৰে কৈছিল— 'পিঠাগুৰি এমুঠি আনিছো, খাব যদি খাই থ।

বুঢ়ীয়ে কেবা বাৰো চকুকেইটা পিৰিকিয়াই গম লব খুজিলে কথাটো সঁচা হ'ব পাৰে নে নোৱাৰে। কিন্তু ৰূপেশ্বৰৰ মুখৰ মাত্তত পৰিহাসৰ কোনো লক্ষণ নাছিল। বুঢ়ী সেও হৈ গ'ল। এইবাৰ অনুনয়েৰে ক'লে—'সেইফালে টেমা এটা আছে চাই দেছোন।

টেমা মানে, কিহবাৰ টিন এটাৰ মুখখন কটাই মুখখন শিল এটাৰে খুন্দি বুঢ়ীয়ে, একেটাবেই খোৱা পাত্ৰ, ৰন্ধা পাত্ৰ, পানীৰ পাত্ৰ হিচাবে ব্যৱহাৰ কৰে। ৰূপেশ্বৰ সেই চাৰিহাত দীঘল জুপুৰীটোৰ ভুল চুকলৈ গৈ নাকে মুখে হাত দি পিছ হুঁহকি আহিল। ভেকেটা-ভেকেট গোন্ধ। মুখেৰে ভোৰ ভোৰালে—'মৰতীয়ে ভিতৰতে মুতে।' বুঢ়ীয়ে একো প্ৰতিবাদ নকৰিলে। ইফালৰ চুকৰ পৰা টেমাটো বিচাৰি আনি তাতে হাতত অনা পিঠাগুৰিৰ টোপোলাটো খুলি দিলে। বুঢ়ীয়ে হাতৰ কাষতে থোৱা মাটিৰ

টেকেলীটোৰ পৰা পানী ঢালি ললে টেমাটোত। ৰূপেশ্বৰে চাই নাথাকি ওলাই আহিল।

কিশোৰ ৰূপেশ্বৰৰ সেইটো এটা অদ্ভুত অনুভূতি। মগনীয়া বুঢ়ীজনীৰ বাবেও সৰু ল'ৰা এটাৰ এই অনুকম্পা এটা নতুন অভিজ্ঞতা। ৰূপেশ্বৰে মাজে মাজে মাকক কৈ, পেলনী যাব লগা হোৱা কৰ্কৰা ভাত এমুঠি আনি বুঢ়ীক দি থৈ যায়হি। একোদিনা দিনৰ ভাগত সময় পালে জেং এডাল লৈ, গাত নলগাকৈ বুঢ়ীৰ প্ৰাসাদটো সাৰি থৈ যায়। বুঢ়ীৰ মুখৰ চোকাটো ৰূপেশ্বৰৰ আগত নাথাকে। ৰূপেশ্বৰে আনে শুনাকৈ আইতা বুলিলেও, মুখে মুখে "মৰত্তী" বুলিহে মাতে। তেনে এটা পৰিবেশতে বুঢ়ীয়ে এদিন ৰূপেশ্বৰক কুওঁ নকওকৈ কৈছিল—'অ' ৰূপে। মৰাৰ আগতে মোক বিচ কুট এটা খুৱাবি ঐ।'

"বিচ কুট।' ৰূপেশ্বৰ অবাক হৈ গৈছিল। আকৌ এবাৰ সুধি জানি ললে যে বুঢ়ীৰ, ভাল কাগজৰ টোপোলাত থকা বিস্কুট এটা খাবৰ মন। ৰূপেশ্বৰে ধৰি ললে বুঢ়ীৰ মৰিবৰ হ'ল, নহ'লে বলীয়া হ'ল। তেনেকুৱা বিস্কুট গাওখনত খায় কোন ঘৰত? কাৰবাৰ ঘৰত কেতিয়াবা দূৰণিবটীয়া আলহী বা জী জোঁবাই আহিলে আনে, কিন্তু সচৰাচৰ খায় কোনে? ৰূপেশ্বৰৰ বুঢ়ীৰ খকটো দেখি খং উঠি গ'ল। গ'লেও একো নকৈ গুছি আহিল।

পিছে কেইদিনমানৰ পিছত দেখিলে বুঢ়ীৰ মুখৰ গালি শপনি-বোৰ কমি গৈছে। বাটেদি যোৱা মানুহক সদায় কৰি অহা সম্বোধন কৰা দূৰত থাওক, ওচৰৰ মানুহ ঘৰলৈ গৈ পোতনি একণ বিচাৰি-বলৈকো নোযোৱা হ'ল। ছুই একে কোৱা কুই কৰিবলৈ ললে বোলে বুঢ়ীৰ যাবৰ হ'ল।

ৰূপেশ্বৰৰ মনত পৰিল বুঢ়ীৰ লোভটোৰ কথা। এদিন আবেলিতে বুঢ়ীয়ে বস্তাৰ বিছনাখনত পৰি মুখেৰে বিৰবিৰাই থকা দেখিলে। তাক দেখিও মাত নিদিলে। সেইদিনাই ৰূপেশ্বৰৰ বৰ

মন গ'ল, পাৰিলে তেতিয়াই গৈ টাউনৰ পৰা বিস্কুটৰ পেকেট এটা কিনি আনেগৈ।

কথাটো মুখ ফুটাই কাকো ক'ব নোৱাৰিলে কিন্তু। বুঢ়ীক খুৱাবৰ বাবে বিস্কুট কিনিবলৈ পইচা বিচাৰিলে গোটেই বৌজাল বৌজাল হ'ব। এনেয়ে বুঢ়ীক কোনেও দখিব নোৱাৰে। চাৰাবী আযাসত বিস্কুট খাবলৈ বিচৰা কথা শুনিলে, যাৰ মুখৰ পৰা শুনে তাকে ঘূৰাই ধৰিব পাৰে।

ৰূপেশ্বৰৰ নিজৰ হাতত পইচা চল্লিচটা আছিল। তাকে জেপত লৈ, কাকো নোকোৱাকৈ আবেলি পৰত ওলাই গ'ল টাউনলৈ। কিবা উকহে থাইছিল, বজাৰৰ দোকান কেইখনমানত হাত ঢুকি পোৱাতে সজাই থোৱা পেকেট কেইটামান দেখি বুধি হত হ'ল। এবাৰ সোধোতে, এজন দোকানীয়ে দাম এটকা বুলি ক'লে। সেয়ে বিমোৰত পেলাই তাক আওবাটে ঘূৰালে। ছেগ চাই এপাকত থাপ মাৰি বিস্কুটৰ পেকেট এটা আৰু ৰুটি এটা লৈ বেগ দি আতৰিবলৈ যাওঁতে ধৰা পৰিল। ধৰ ধৰ লাগিল। ছুটামানে দৌৰি আহি আগছি ধৰি শোধালে কেইটামান চৰ। ভাগ্য ওচৰতে চিপাহী এজন আছিল। কৰ্তব্যৰ সোণালী সুযোগ এটা যেন পাই, ৰূপেশ্বৰৰ হাতত খামুচি ধৰি— বল, ছালা, থানালৈ ।' বুলি থানা পোৱালেহি।

* * *

পুৱা আঠমান বজাত বৰা ডাৰোগাই জীপখন উলিয়াই লৈ ৰূপেশ্বৰক তুলি ললে। লগত সাৰথি লাল পিশাচ মনোক। মনেশ্বৰে নিজৰ উপস্থিতি দৰ্শাবলৈকে হুমিয়াই থ'লে—'চাবি অ' লৰা। কথা মিছা হ'লে তোৰ লাচটো ভাগদৈত পেলাই থৈ আহিম।'

আগতে ৰূপেশ্বৰহঁতৰ ঘৰখন পায়। দীঘল পচুলি। ৰূপেশ্বৰে গাড়ীৰ পৰাই দেখিলে মাকে আগফালে জেওৰাত তিয়নি মেলিছে।

এইফালে মন কৰা নাই। কিছুদূৰ গৈ, আম এজোপাৰ তলত থকা জৰাজীৰ্ণ জুপুৰীটো দেখুৱাই গাড়ী ৰাখিবলৈ কৈয়েই ৰূপেশ্বৰ জাপ মাৰি নামিব খুজিলে। মনেশ্বৰ চিপাহীয়ে থাপ মাৰি ধৰিলে— 'এই কুকুৰ,—পলাব খুজিছ।'

কেউজন এইবাৰ একেলগে নামিল। ৰূপেশ্বৰৰ হাত এটা চিপাহীৰ মুঠিত। বুঢীৰ জুপুৰীৰ কাষতে গাড়ী এখন ৰোৱা দেখি ইতিমধ্যে ল'ৰা ছোৱালী এজাক এইফালে দৌৰি আহিছে। এনেয়ে নাহেই। দুজন নে এজন ডাঙৰ মানুহো হাতৰ কাম এৰি এইফালে খোজ লৈছে।

জুপুৰীটোত সোমাই থিয় হ'বলৈ ইমান ঠাই নাই। পিছে সোমাব লগা নহ'লেই। দুৱাৰ মুখৰ পৰাই দেখিলে। কেউজন একেলগে। বুঢ়ী গ'ল। আৰু ওচৰ চাপি এইবাৰ মন কৰিলে, একলাখমান গুৰি পৰুৱাই ইতিমধ্যে বুঢ়ীৰ চকু দুটা খুলি খুলি লৈ গ'ল। লানিটো ছিগা নাই। বুঢ়ীৰ মুখখনো খোল খাই আছে। মাখি দুটা মানে নামিবলৈ সঠিক ঠাই বাছিব নোৱাৰি ওপৰতে উৰি ফুৰিছে।

মনো চিপাহীৰ মুঠি খোল খাই গ'ল। ৰূপেশ্বৰ জাপ মাৰি ভিতৰ সোমাই হাউলী বুঢ়ীলৈ চাই থিৰ কৰিব খুজিলে বুঢ়ী সঁচাকৈয়ে মৰিল।

বৰা ডাৰোগাৰ কাম বাঢ়িলহে। সোধ-পোছ কৰি, বুঢ়ীৰ পৰিচয় থাটা কৰি গাঁৱৰে দুজনমানক মানুহজনীৰ শটো কিবা এটা কৰাবলৈ দিহা দিলে। ল'ৰা-ছোৱালীবোৰৰ মাৰফতে খবৰ পাই ইতিমধ্যে বহুত মানুহ গোট খালেহি। ৰূপেশ্বৰৰ দেউতাকো। কোনেও পুলিচ, জীপ আৰু ৰূপেশ্বৰৰ সংযোগ কেনেদৰে হ'ল ধৰিব নোৱাৰিলে। কালিৰ পৰা ৰূপেশ্বৰ ক'ত আছিল সোধো সোধো বুলিও বাপেকে সুধিব নোৱাৰিলে। বৰা ডাৰোগাই নিজেই এইবাৰ এটা কাঁকি দিলে—'এই ৰূপেশ্বৰেহে আমাক খবৰটো দি, বৰ ভাল

কাম এটা কৰিলে।' কামটো কাম হয়, কিন্তু কি ভাল কোনেও বুজিব নোবাৰিলে।

ঘূৰি যাবলৈ ওলাওতে বৰা ডাৰোগা নিজে অবাক হৈ গ'ল। তেওঁ নিজৰ কাণখনকে বিশ্বাস কৰিবলৈ টান পালে। লগৰ দৈত্যাকায় চিপাহীজনৰ মুখত মৌ? তেওঁ দখোন ৰূপেশ্বৰৰ গাত ধৰি একাষৰীয়াকৈ মাতি আনি'ল। মদনেৰে তাৰ মুখলৈ চাই ক'লে—'টাউনলৈ গ'লে, ভাইটী তুমি, থানালৈ যাবাই, মোক মনা দ'ত বুলিলে সকলোবে দেখুৱাই দিব।'

ভাইটী? তুমি? আচৰিত।

বাৎসল্য

আনচাৰীয়ে দাটি ৰাখিছে। বহুত দিনৰ পৰা। তাকে নিচেই ছুটিকৈ কটায়। খুডাই নেপেলায়। দিনৰ কাম কৰি আজৰি হৈ জুহালৰ ওচৰত বহি বৰ আলফুলকৈ তাতে হাত বুলায়। ঘৈণীয়েক জাবেদাই মাত নমতাকৈ ওচৰতে দি থৈ যোৱা চাহৰ গিলাচটো মাজে মাজে লৈ এঢোকা ঢোকা খায়। কাষতে থকা বাটিত সৰু সৰু কৈ চিঙি দিয়া শুকান ৰুটিৰ টুকুৰা একোটা মুখত ভৰায় আৰু ঠিক সেই সময়তে পিছফালৰ পৰা আহি কান্ধৰ ওপৰেদি তাৰ ছুটি ছুটি দাঢ়িত মুখখন লগাই দিয়েহি কালুৱে।

কালুৱে কিবা এটা উমান পায় নেকি। আজি আনচাৰীৰ মনটো প্ৰসন্ন। কাৰণ গোটেই দিনটো বৰষুণ গ'ল, বাতিটোও এৰাৰ লক্ষণ নাই। গতিকে কাইলৈ দিনটোও ঠাণ্ডা থাকিব।

মনে মনে দিনটোৰ হিচাব কৰি ভাল লাগিছে আনচাৰীৰ। সেই ভাল লগা প্ৰসাৰিত হৈছে তাৰ হাতখনেদি কালুৰ গালৈ। কালুৰ পিঠিত হাত ফুৰাই মাজতে একোটুকুৰা ৰুটিও তাৰ মুখত সুমাই দিছে। পৰম তৃপ্তিৰে তাকে খাই এইবাৰ কালু আনচাৰীৰ পিছফালে থিয় হৈ আগ ঠেং দুটা আনচাৰীৰ পিঠিত দি থিয় হ'ল। কাণৰ কাষেদি মুখখন আনি আকৌ দাঢ়িত মুখ দিলেহি। সুৰসুৰণি লাগি আনচাৰীয়ে তাক এখন হাতেৰে সাবটি ধৰি মুখেৰে ডাবি এটা দি আনখন হাতেৰে লাহেকৈ চাপৰ এটা মাৰিলে। মাৰি বুকুৰ কাষতে হেঁচা মাৰি ধৰি মৰমতে কলে "ছালা বকৰীকা বাচ্ছা"।

অদ্ভুত মৰম এই অকণমানি ছাগলী পোৱালীটোলৈ আনচাৰীৰ। ক'লা চিকচিকিয়া। ওপজাৰ পৰাই আনচাৰীৰ হাতৰ পৰশটোত কিবা এটা অনুভূতি থকা যেন পাই পোৱালীটোৱেও আনচাৰী ঘৰত থকা সময়কণ অনবৰত ওচৰে পাজৰে থাকে। আগে আগে দেও দি ফুৰে। আনকি ঢুপৰীয়া যিকণ সময় টোপনী নোযোৱাকৈ বিছনাত পৰেহি কালু আহি বিছনাতে জপিয়াই থাকেহি। অকণো আমনি নাপায় আনচাৰীয়ে। জাবেদাই কেতিয়াবা সি বিছনাত হগা মুতা কৰিলে গালি পাৰে। আনচাৰীয়ে খে খেঙাই উঠে।

সেই সময়ত আনচাৰী বৰ মতা। জাবেদাজনা অভ্যস্ত হৈ গৈছে। আনচাৰীৰ তাইৰ প্ৰতি ব্যৱহাৰটো বৰ কটু। মুখেৰে ভাল মাত এটা দিযাৰ কথা মনত নপৰে। হ'লেও কোনো ধৰণৰ অবহেলা নকৰে। ঈদৰ দৰে পৰববোৰৰ উপৰিও কাপোৰ কানি কিনি দিওঁতে আনচাৰীৰ কাৰ্পণ্য নাই। মুখৰ মাতষাৰ কিন্তু ভীষণ কঠুৱা। অথচ অকণমান ছাগলী পোৱালীটোৰ বেলিকা মাতত মাখন সানি লয়।

ঘৰখনত সেই তিনিটাহে প্ৰাণী। গুলছন বোলা যিটো বন কৰা ল'ৰা আছে সি দোকান ঘৰতে শুই থাকে। বন কৰা ল'ৰা হ'লেও সি সম্পৰ্কীয় লৰা। জাবেদাৰ অৱশ্যে বহু দূৰ সম্পৰ্কৰ। আৰু কোনো নাই। এই নাইকীয়া কথাটো কোনেও আজিকালি মুখ ফুটাই আলোচনা নকৰে। কৰিবনো কিটো। আল্লাৰ মৰ্জিৰ ওপৰত মাত মতাৰ কাৰ হক আছে। সেই বিষয়ে আনচাৰীয়ে একো চিন্তাই নকৰে যেন লাগে। চিন্তা এতিয়া তাৰ কেৱল ব্যৱসায়তহে।

জিপ-জিপকৈ বৰষুণ দি থাকিলে তাৰ অসুবিধা হয় যদিওঁ। হলেও, তাৰ ভালো লাগে। ভাল লাগে কাৰণ এনেকুৱা বতৰত বিক্ৰী বেছি হয়। এনেকুৱা ঠাণ্ডা বতৰত মদৰ দোকানত বিক্ৰী বাঢ়ে। ফুলৰি-পাকোৰা বিক্ৰী বেছি হয়। তাৰ মা সও বিক্ৰী হয় সৰহ। আনকাল আগবেলা দুটা আৰু পিছবেলা তিনিটা

হালাল কৰিলে হয় যদি এনেকুৱা বতৰত ডবল হৈ যায়। যোগাৰ নাথাকিলে বৰষুণত তিতি হ'লেও গাৱঁলৈ যাব লাগে ছাগলী বিচাৰি। জনা ঠাই আছে। পোৱাত অসুবিধা নহয়।

সেইদৰে গাৱঁৰ পৰা ছাগলী আনিবলৈ গৈযে অলপ আগতে ঘূৰি আহি, মুখ হাত ধুই "বিসমিল্লাহ" বুলি জুইৰ কাষত বহি আনচাৰীযে চাহ এগিলাছ খাবলৈ লৈছে। গাত উঠিলহি কালু।

কালু তাৰ ঘৰতে উপজিছিল। গাভিনী ছাগলী এজনী কিনি আনি ছুদিন নে তিনিদিন ঘৰতে থব লগা হৈছিল। তেতিয়াই জগিছিল কালু। মাকজনী কাটি বেচিলে। পোৱালীটো উপৰুৱা লাভ বুলি পুহিবলৈ ললে। অলপ ডাঙৰ হলত কিবা মৰম এটা সোমাল তালৈ। মৰমটো বুজি পাযেই নেকি, পোৱালীটোৱেও গাতে উঠেহি।

বুকুত কালুক সাবটি ধৰি আনচাৰীযে চিন্তা কৰিছে পুৱা কেইটা কাটিব ছাগলী। এটা পাঠা আছে। খাচী ছুটা। মাইকী আছে ছুজনী।

কিন্তু এনেকৈ বৰষুণ পৰি থাকিলে আৰু এটা মস্কিল আছে। দোকান ঘৰটো সৰু। পিছফালে মুকলিতে বাঁহ এডালত আঁৰি লৈ ছাল গুচায়। বৰষুণ দি থাকিলে সেইটো কৰিব নোৱাৰি তাত। ঘৰতে গোটেইবোৰ কৰি একেবাৰে দোকানৰ ৰছীত আঁৰিব পৰা কৰি নিব লাগে।

তাকে কৰে সদায়। নিচেই পুৱাতে উঠিব লাগে। তিনি-আলিৰ মছজিদৰ আজান এইখিনিলৈ মুশুনি। পিছে ফজৰৰ আজানৰ সময়কণ ঠিক বুজে আনচাৰীয়ে। তাতকৈও ভালকৈ বুজে জাবেদাই।

দা-কটাৰী হাতত লোৱাৰ আগতে এগিলাছ ফিকা চাহ পালে ভাল পায় আনচাৰীযে। তাৰ ব্যৱস্থা কৰিবলৈ লোৱাৰ আগতে ছালিৰ তলত জলাবলৈ লেম এটা জলাই দিয়ে জাবেদাই।

থকা ঘৰটোৰ পিছফালে ছালি এখন আছে। তাতে এফালে ছাগলীবোৰ বন্ধা থাকে। এফালে কটাৰ ব্যৱস্থা। ওপৰৰ পৰা কেইদালমান বছীৰ পৰা সৰু সৰু লোহাৰ হাকোটা ওলোমাই থোৱা আছে। তলত এফালে এটা বহল মুখৰ মাটিৰ কলহত নিমখ, দা ধৰোৱা, ক্ষয় যোৱা শিল এছটা। কাঠৰ মূঢ়া এডাখৰ আৰু দা-কটাৰীবোৰ থবলৈ কাঠৰ তক্তা এখন।

দোকমোকালিতে কাম আৰম্ভ কৰিব লাগে বাবে লেম এটা লাগেই। তেহে অফিচ কাছাৰী থকা বাবু'ৰ পোৱাকৈ দোকান খুলিব পৰা হয়। দেওবাৰে হ'লে কথা বেলেগ।

জাবেদাই দিয়া চাহ গিলাছ খাই বছীত ওলোমাই থোৱা লেতেৰা লুঙীখন পিন্ধি ললে আনচাৰীয়ে। লেমটো লৈ পিছফালে ছালিখনৰ তললৈ গ'ল। বান্ধি থোৱা ছাগলীবোৰৰ মাজৰ পৰা প্ৰথমতে মাইকী এজনী খুলি আনিলে। গ্ৰাহক বেছি হোৱাৰ সম্ভাৱনা থাকিলে আৰু বতৰ চেঁচা হ'লে পাঠা বুলি মাইকী ছাগলী চলাই দিয়াটো সহজ হয়।

"বিচ মিল্লাহ" বুলি পিছ ঠেং দুটা গছকি ধৰি খুব যেন হৈ থকা আগ জোঙা সৰু কটাৰীখনেৰে মাত্ৰ এটা ৰেপ দি ছাগলীজনীৰ ডিঙিটো তলফালে ছিঙি পেলালে। একেবাৰে ছালখনহে ডিঙিটো লাগি থাকিল। অভ্যস্ত হাতেৰে মৰা ৰেপটোৰ বাবে ছাগলীজনীয়ে এবাৰ গোঁট কৈ শব্দ এটাহে কৰিলে। আনচাৰীয়ে মূৰটো ছিঙি নেপেলোৱাকৈয়ে সেইজনী এফলীয়া কৰি থলে। ছটফটনীটো মাৰ যাবলৈ অলপ সময় লাগিব। পিছত আনিলে খাচী এটা। সেইটোৰো পিছ ঠেং দুটা গচক মাৰি ধৰি মুখেৰে "বিচ মিল্লাহ" বুলি ক'বলৈ লৈছিলাহে। পিছফালৰ পৰা ভৰিটোৰ কলাফুলত কিবা এটাই সুৰ-সুৰাই দিলেহি। আনচাৰীয়ে উচাপ খোৱাৰ দৰে থাই বৈ গ'ল। উভটি চাই দেখে কালু।

কিবা এটা হৈ গ'ল আনচাৰীৰ। হাত দুইখনত আগতে কটা

ছাগলীজনীৰ তেজ লাগি আছিল অলপ। কটাৰীখনো আছে হাতত। সেইদৰেই কালুক নোচোও বুলি এখন্তেক বৈ কালুলৈ চালে এবাৰ। চাই বৈ গ ল।

কালুৱে অবাক হৈ ধৰফৰাই থকা ছাগলীজনীলৈ চাই আছে। নাকেৰে কিবা নতুন গোন্ধ এটা ল'ব খোজা যেন লাগিল। আনচাৰীৰ ভৰিৰ তলত থকা খাচীটোৱে এবাৰ বেবালে। কালুৰ সেইফালে ভ্ৰূক্ষেপ নাই। সি মোহগ্ৰস্ত হোবাৰ দৰে ডিঙি মেলি এফালে চাই আছে।

আনচাৰীয়ে চাই আছে কালুলৈ। হঠাৎ এবাৰ চিঞৰ মাৰি দিলে—'এই হাৰাম জাদী।

জাবেদা আজৰি হৈ বাহিৰলৈ গৈছিল। আনচাৰীৰ চিঞৰত থকা খংটো বেলেগ যেন লাগিল তাইৰ। উধাতু খাই ওচৰলৈ আহিল। থৰ হৈ থিয় হৈ থকা আনচাৰীক দেখি একো বুজিব নোৱাৰি জাবেদাও বোবা হৈ থিয় হৈ থাকিল।

'দেখা নাই হাৰাম জাদী, কালুক।' আনচাৰীয়ে এটা অদ্ভুত সুৰত গেঙেৰী মাৰি উঠিল।

দেখিছে। সদায় দেখি অহিছে জাবেদাই কালুক। সিটো সেইদৰেই ফুৰে সদায়, আনচাৰীৰ গাত গা লগাই। সদায় আনচাৰীয়ে এইখন ছালিৰ তলত ছাগলী নাকাটে বাবে আজি চাগৈ অজলা ছাগলী পোৱালীটোও অবাক হৈছে। সেইবুলি আনচাৰীয়ে এনেকুৱা কৰিছে কেলেই জাবেদাৰ বুদ্ধিয়ে চুকি পোৱা নাই।

ভৰিৰ তলৰ ছাগলীটো এৰি, তেজেৰে ৰঙা হাতত কটাৰীখন লৈ এইবাৰ আনচাৰীয়ে অকঁৰাৰ দৰে থিয় হৈ থকা জাবেদালৈ চোঁচা লৈ আহিল। মুখেৰে ক'লে—"লৈ যা এই মৰতী, কালুক—" কৈ শেষ কৰাৰ আগতে জাবেদাই পোৱালীটো থাপ মাৰি ধৰি কোলালৈ তুলি ললে। আনচাৰীয়ে যেন বাধাহে পালে এটা। চিঞৰ মাৰি দিলে—'সি ভয় নাখাব নেকি।'

ফলিত বিদ্যা

মিলিটেৰী অফিচটো বোলে একেবাৰে উঠিযেই গ'ল। তাৰ পিছত যোবা দুমাহ ঘৰটো খালি হৈ পৰি আছিল। এতিয়া বোলে আন কোনোবা এটা অফিচে খা খবৰ কৰি আছে। লোবা নাই। ঘৰুৱাকৈ থাকিবলৈ ভাৰা ল'বলৈ কোনো নাহে ইমান ডাঙৰ ঘৰটো। কোনোবা ডাঙৰ অফিচে নল'লে এইদৰে পৰিযেই থাকিব।

ঘৰটো খালি হৈ থাকিলে ৺বেলিৰাম দাসৰ পৰিয়ালৰ যথেষ্ট কষ্ট হয়। ঘৰটোৰ ভাৰাখিনিয়েই তেওঁলোকৰ সম্বল। উপকাৰ যদি হৈছে, একমাত্ৰ জয়ন্তৰ। জয়ন্তই বৰ ভাল ঠাই একণ আবিষ্কাৰ কৰি ব্যৱহাৰ কৰি আছে অচলতে প্ৰয়োজনৰ খাতিৰতে বিচাৰি ফুৰোঁতে এই বিৰাট তিনিমহলীয়া ঘৰটোৰ ছালখন পালেহি।

মেট্ৰিক পৰীক্ষা হৈ যোবাৰ পিছত সময়বোৰ পাযায় দুপুৰায় হৈ থাকোতেই লগৰ ল'ৰা এটাই বৰ সাবাদ লগা কিতাপ এখ। দিছিল। প্ৰযোজনটো সেইখিনিতে। কিতাপখন লুকাই পঢ়িব লগা। ঘৰত কোনোবাই দেখিলে সুদাই নাৰে। লুকাই কিতাপ পঢ়িবলৈ ঠাই বিচাৰি ফুৰোঁতে এই ঘৰটোৰ ওপৰ পালেহি এদিন। ওপৰলৈ উঠা খটখটি বাহিৰে বাহিৰে, সেইটো এটা সুবিধা। ঘৰৰ পৰাও দূৰ নহয়। আৰু, ছুপৰীয়া ৰ'দ এৰাই বহিবলৈ পানীৰ টেঙ্কটোৰ কাষতে ছাঁ পৰা বৰ সুচল ঠাই একণ আছে।

তাতে বহি উশাহ নসলাবাকৈ পঢ়িবৰ মন যোৱা কিতাপখন পঢ়ি থাকোতেই জয়ন্তই ছুটামান চুৰটো খাই পেলালে। তেনেকৈ

খন্তেকিযা অভ্যাস এটা কৰি কৰি পঢ়াৰ চখটো বাঢ়ি গ'ল জয়ন্তৰ। কেবাখনো ডিটেক্‌টিভ উপন্যাসো পঢ়ি পেলালে। প্ৰথমখনৰ দৰে ৰসাল নহয় যদিও, এই উপন্যাসবোৰহে বেছি ৰোমাঞ্চকৰ যেন লাগিল জয়ন্তৰ। উৎকণ্ঠা আৰু আগ্ৰহ দুয়োটা তীব্ৰ হৈ উঠে। পিছৰ ঘটনাটো কি হয় জানিবলৈ হোৱা আগ্ৰহত কেতিযাবা কপাল ঘামি উঠে।

এদিন আৰু এখন নতুন কিতাপ হাতত লৈ জয়ন্ত বহিলগৈ তাত। হাতত দূৰৰ দোকান এখনৰ পৰা কিনা চুৰটৰ পেকেট এটা আৰু জুইছলা এটাও। কাগজেৰে বন্ধা। চুৰট এটা উলিযাই জলাই ল'লে। কিতাপখন মেলি, এপাত পঢ়িয়েই গম পালে সেইখন এখন সাংঘাতিক কিতাপ। প্ৰথম পাতৰ পৰাই উত্তেজনা।

এজন প্ৰাইভেট ডিটেক্‌টিভে দুৰ্দ্দান্ত হত্যাকাৰী এজনক ধৰা পেলাবলৈ চেষ্টা কৰি পদে পদে বিফল হৈছে। একোবাৰ প্ৰায় ধৰো ধৰো হ'লেও শেষ মুহূৰ্ত্তত চেষ্টা মিছা প্ৰমাণিত হৈছে। চতুৰ হত্যাকাৰীযে সফলতাৰে ডিটেক্‌টিভৰ সকলো প্ৰচেষ্টা বিফল কৰি পেলাইছে। দুয়ো পক্ষৰ চাতুৰ্যৰ টনা-আজোৰাৰেই কিতাপখনৰ বহুত পাত ভৰি আছে। ইমান ভাল লাগিছে যে আধামান পঢ়ালৈকে জয়ন্তই প্ৰথমে খোৱা চুৰটটোৰ পিছত আৰু এটা জলাবলৈকে পাহৰি আছে।

এবাৰ এঙামুৰি এটা দি চুৰট এটা জলাবলৈ উলিযাই লওঁতেই কাণত পৰিল, তলৰ মুকলি চোতালখনত ইতিমধ্যে চুবুৰীৰ ল'ৰাবোৰৰ ক্ৰিকেট খেল আৰম্ভ হৈছেই। পোৱা কাঠিটো পেলাবলৈ লওঁতে আকৌ কাণত পৰিল তলৰ ল'ৰাজাকে হৈ-চৈ কৰি কোনোবা এটাক আঁতৰি যাবলৈ কৈছে।

ডিঙি মেলি চালে গোটেই চোতালখন দেখা যায়। ওচৰৰে ৰমাইতৰ ঘৰৰ পাঁচ নে ছবছৰীয়া টুটুল আহিছে ডাঙৰবোৰৰ লগত খেলিবলৈ। তাকো সমানে খেলিবলৈ লাগে। বল লাগি দুখ

পাব বুলি কোনেও তাক চোতাললৈ ওলাবলৈ দিয়া নাই। এবাৰ সি চোতালৰ মাজ পালেগৈ। তেতিয়াই বাকীবোৰে চিঞৰ বাখৰ কৰি তাক আঁতৰাই দিছিল। জয়ন্তৰ টুটুলক দেখি হাঁহি উঠি গৈছিল। ইমান ৰ'দতনো বাৰু এই ল'ৰাজাক খেলিবলৈ আহিব লাগেনে!

জয়ন্তৰ হাঁমি এটা আহিল। আকৌ কিতাপখনত চকু দিলে। এইবাৰ ডিটেকটিভে নতুন চেষ্টা চলাইছে। বেবাখনো নগৰৰ পুলিচৰ লগত সহযোগ স্থাপন কৰি, দুখনমান হোটেলৰ ওপৰত বিশেষভাবে চকু দিয়াইছে। তেওঁৰ ধাৰণা হত্যাকাৰীয়ে ছদ্মনাম লৈ কোনোবা এখনত আলহী হৈ আছে। এখন হোটেলত থকা এজন মানুহৰ চলন ফুৰণত অলপ সন্দেহ হৈছেই। পিছে তেওঁৰ পিছ লৈ তদন্ত কৰিব পৰা হোৱা নাই বিৰাট চহকী, প্ৰতিপত্তিশীল লোকৰ দৰে আছে মানুহজন। তথাপি কেউফালে সতৰ্ক দৃষ্টি ৰখা হৈছে।

জয়ন্তৰ অলপ সহায় কৰি দিবৰ মন গ'ল। ডিটেকটিভজনে এতিয়ালৈকে একো বুধি নোপোৱাত জয়ন্ত নিজেই অলপ হতাশ হৈ পৰিছে। জয়ন্তই যেন নিজেই গৈ ছদ্মবেশ ধৰি সেই মানুহজনৰ লগুৱা হৈ দুদিনমান থাকিবগৈ। তেনেকৈ থাকি তেওঁৰ আলপৈছান ধৰাৰ চলেৰে তেওঁৰে বিষয়ে জানিবলগীয়াখিনি জানি লৈ, এই ডিটেক্টিভজনক সকলোবোৰ সম্ভেদ দি এটা জঘন্য আৰু চাঞ্চল্যকৰ হত্যাকাণ্ডৰ আঁত আৰু অপৰাধীক বিচাৰি উলিওৱাত সহায় কৰি দিব।

পাৰি। একো টান কাম নহয়। পিছৰ পাতবোৰত নিশ্চয় তেনে ধৰণৰে কাৰ্যকলাপৰ কথা লিখা আছে। জয়ন্ত বৈ গ'ল। নিজৰ সম্ভাব্য প্ৰতিভাৰ কথা ভাবি পুলকিত হৈ পৰিল। তেতিয়াই তাৰ মনলৈ এটা সিদ্ধান্ত সোমাল। সিও এজন প্ৰাইভেট ডিটেক্টিভেই হ'ব। হ'বই। ইয়াতকৈ সহজ অথচ ৰোমাঞ্চকৰ

কাম আৰু কি হ'ব পাৰে ? জয়ন্তই দেখুৱাই দিব ডিটেকটিভ কাক বোলে। কেনেকৈ অতি জটিল অনুসন্ধানো আঁৰ নথকাকৈ কৰি দেশক চমক খুৱাই দিব পাৰি।

খুৱাব নেকি তেনেকুৱা এটা চমক ? জয়ন্তৰ মূৰত হঠাৎ এটা বুধি খেলালে। লগে লগে উঠি তললৈ নামি গ'ল। খেলিবলৈ নাপাই টুটুল আমন-জিমনকৈ সেই ঘৰটোৰে বাৰাণ্ডাৰ খুটা এটাৰ কাষত থিয় হৈ আছে। আন এটা খুটাৰ আঁৰ লৈ জয়ন্তই তাক মাতিলে আনে গম নোপোৱাকৈ। ঠাৰে-চিয়াৰে তাক ইঙ্গিত দিলে জয়ন্তৰ পিছে পিছে ওপৰলৈ উঠি আহিবলৈ। কিবা এটা আছে ওপৰত। টুটুলেও একো নকৰি থকাতকৈ জয়ন্তই সেইদৰে মতা দেখি ৰহস্যময় কিবা এটা দেখাৰ আশাত ওপৰলৈ যোৱাটোকে ভাল পালে।

জয়ন্তই বহি কিতাপ পঢ়া ঠাইলৈ ছুয়ো আহি পোৱাৰ পিছত টুটুলক বুজোৱা হ'ল, সিহঁতে এতিয়া এটা নতুন খেলা খেলিব। টুটুল সেইখিনিতে গধুলিলৈকে লুকাই থাকিব আৰু ঘৰত যেতিয়া সি হেৰাল বুলি ভাবিব জয়ন্তই তাক তাৰ্ক বিচাৰি দেখুৱাই দিবহি। টুটুলে ভয় কৰিব নেকি আক' ? কেউফালে চালে এবাৰ টুটুলে। আবেলিয়ে হোৱা নাই এখোন। নাই, সি ভয় নাখায়।

জয়ন্তই কিবা এটা ভাবি টুটুলক আকৌ নামি গৈ ৰুটি এটা কিনি আনিবলৈ জেপৰ পৰা উলিয়াই অলপ পইচা দিলে। লজেন্সো আনিব ছুটা। টুটুলে সচৰাচৰ নোপোৱা দায়িত্ব এটা পাই বৰ ভাল পালে। তাকো বস্তুটো লুকাই আনিবলৈ কোৱা বাবে এটা উত্তেজনাও বোধ কৰিছে সি। চুপ চুপকৈ তললৈ নামি গ'ল টুটুল।

জয়ন্তই ইতিমধ্যে ঠিক কৰি পেলালে সি কি কৰিব। পানীৰ টেঙ্কটোৰ ওপৰলৈ উঠি ঢাকোনখন খুলি চালে। নাই, পানী মাত্ৰ একুট মানহে আছে। যোৱা ছুমাহে তালৈ পানী তোলাই হোৱা নাই। বঢ়িয়া হ'ব।

টুটুল উঠি আহিল। সন্তর্পণে জয়ন্তই শিকাই দিয়া মতেই। দুয়ো বহি কথা পাতিলে কিছু সময়। কটিটো ভাঙি অলপ অলপ খালে দুয়ো। বাকীখিনি থৈ দিলে টুটুললৈ। ভোক লাগিলে খাব পিছত। জয়ন্তই চুৰট এটা জ্বলাই টুটুলক সুধিলে, মাৰিব নেকি হোপা এটা? নাবিলে তাকো দিব এটা লাগিলে। টুটুলে লাজ কৰিলে। পিছত জয়ন্তই বুজাই দিলে টুটুল কে নকৈ লুকাই থাকিব লাগিব। বেছি সময়তো নহয়। গধূলি হ'লেই খবৰ ওলাবই। টুটুল মান্তি হ'ল। বৰ ভাল লাগিছে তাৰ খেলাটো।

ধৰি মেলি জয়ন্তই টুটুলক সুমাই দিলে টিঙটোৰ ভিতৰলৈ। টুটুলৰ পেণ্ট নিতিতে সেইকণ পানীত। ঢাকনিখন দি জয়ন্ত নামি আহিল। দুৱাৰমান টেঙ্কৰ বেৰত টুকিয়াই সি সেইখিনি ও থকাৰ সংকেত দিলে টুটুলক। টুটুলে ভিতৰৰ পৰা কিবা এটা কৈছিল জয়ন্তই ভালকৈ ধৰিব নোৱাৰিলে।

অলপ আন্ধাৰ যেন হওঁতে জয়ন্ত নামি গ'ল তললৈ। এজন অভিজ্ঞ আৰু অভ্যস্ত ডিটেকটিভৰ দৰে ব্যৱহাৰ কৰিবলৈ কি কি উপাদানৰ দৰকাৰ চিন্তা কৰিলে। তেনে হ'বলৈ আনফালে অপৰাধীজনো একেদৰেই অভ্যস্ত হ'ব লাগিব। জয়ন্তই দুয়োটা ৰূপতে থাকি অভিনয় কৰিব লাগিব।

টুটুল হেৰোৱা কাণ্ডটো ৰহস্যঘন কৰিবলৈ হ'লে তাক কোনোবাই ধৰি নিয়া স্বৰূপ এটা দিব পাৰিলেহে আচল ডিটেকটিভৰ কাম ওলাব। গতিকে আৰু এটা কাম কৰিব লাগিব।

ঘৰলৈ গৈ মনে মনে পঢ়া মজুত বাওঁ হাতেৰে এখন চিঠি লিখিলে টুটুলৰ দেউতাকে বুজাকৈ। 'টুটুল আমাৰ হাতত বন্দী। পাঁচশ টকা দিলে ঘূৰাই পাব।' জয়ন্তই পাঁচশ টকাকে টুটুলৰ দেউতাকৰ সামৰ্থ্য অনুযায়ী যথেষ্ট যেন পালে। তাৰপিছতে টকাখিনি কেনেকৈ দিব লাগিব, পিছৰ চোকাত নিৰ্দেশ দিয়া যাব। চিঠিখন লিখি এতিয়া দিয়াৰ উপায় চিন্তা কৰিব ল'গা হ'ল। একো টান

নহয়। সেইফালেদি খোজ কাঢ়ি গৈ থাকোতে পতুলী মুখতে পেলাই থৈ গ'লেই হয়।

কৰিলেও তাকে জয়ন্তই। বাকী সময়কণ মানুহঘৰৰ ৰেহৰূপ চাই থাকিলে কেনেবাকৈ কোনোবাই সন্দেহ কৰে বুলি জয়ন্ত চিনেমা চাবলৈ গুছি গ'ল। প্ৰখৰ বুধিযক অপৰাধীবোৰে তেনেকুৱা একোটা কামকে কৰে।

চিনেমা চাই ঘূৰি আহিযেই বঢ়া ভাত পাই, খাই বিছনাত উঠিল গৈ জয়ন্ত। টুটুলৰ কথা মনতে নপৰিল।

পিছদিনা পুৱা শুই উঠিযে গম পালে চুবুৰীত হুলস্থুল এটা লাগিছে। টুটুল নাই বোলে ঘৰত আগ দিনাৰ পৰাই। প্ৰথমতে উচাপ খাই উঠিছিল জয়ন্ত। পিছ মুহূৰ্ত্ততে সন্ত্ৰস্ত হ'ল। গোটেইবোৰ কথা মনত পৰিল। অঁ। এতিযাহে তাৰ কাম। সি ওলাই গৈ টুটুল হেৰোৱা ঘটনাৰ তদন্ত কৰি সহায় কৰিব গৈ।

দুৱাৰমুখলৈ গৈযে দেখে এজন পুলিচ অফিচাৰ। তাকে বিচাৰি সিহঁতৰ ঘৰলৈ আহিছে। অঁ আহিছে তো। আহিছেতো এতিযা জয়ন্তৰ সহায় বিচাৰি। জয়ন্তৰ বুকুখন ডাঠ হৈ গ'ল। নিজেই এখোজ আগবাঢ়ি গৈ, আনে একো কোৱাৰ আগতে, পুলিচ অফিচাৰজনক সুধিলেগৈ—'আপোনালোকে কি ধৰণে আৰম্ভ কৰিছে বাৰু অনুসন্ধানটো?' অফিচাৰজনে থতমত খালে এটা মুহূৰ্ত্তৰ বাবে। মনে মনে কিবা এটা ভাবি তেওঁ ঠিক কৰি পেলালে কথা এটা। অসহায হোৱাৰ দৰে ক'লে—'জানো বুজিছানে, একো ধৰিবই পৰা নাই। কালি আবেলি বোলে টুটুলে সোখন দোকানৰ পৰা কটি এটা আৰু লজেন্স দুটামান কিনি লৈ বেলিৰাম দাসৰ ঘৰৰ ফালে গৈছিল। তাৰ পিছত আৰু কোনেও তাক দেখা নাই।' অফিচাৰজনে হঠাতে তেনেকৈ জয়ন্তক কথা কোৱা দেখি লগতে অহা টুটুলৰ দদায়েকজন অতীষ্ঠ হৈ গ'ল। অফিচাৰে

তেওঁক বাধা এটা দি একাষৰীযাকৈ মাতি নি কিবা এটা ক'লে। মানুহজন অলপ শান্ত হ'ল।

জয়ন্তই অভিজ্ঞ ডিটেকটিভ এজনৰ দৰেই চিন্তা কৰিলে অলপ। তাৰ পিছত গহীনভাবে সুধিলে—'ঘৰটো খালি হৈ পৰি আছে বহুত দিন। ভালকৈ চোৱা হৈছেনে বাৰু?' 'নাই চোৱা, অকণমান আহিবা নেকি তুমিও আমাৰ লগতে?' অফিচাৰজনে যেন কাৰোবাক কৰিছে। "ব'লক বাৰু।" বুলি জয়ন্ত আগ বাঢ়িল।

জয়ন্তই ক'ব নোৱাৰিলে অতি উৎকণ্ঠাৰে পিছে পিছে আহিব খোজা তাৰ দেউতাকক অফিচাৰজনে কেনেকৈ বাধা দি নিবৃত্ত কৰিলে। টুটুলৰ দদাযেকজনৰ খোজবোৰ অস্থিৰ। হ'বই। জয়ন্তই ধৰি লৈছে নিশ্চয় চিঠিখনৰ বাবেই। পাঁচশ টকা বেচেৰাহঁতে দিয়ে ক'ব পৰা বাৰু। এতিয়া অবশ্যে তাৰ আৰু দৰকাৰ নাই। তাৰ বুদ্ধিৰে টুটুলক সি উলিয়াই দিব অলপ পিছতে। টুটুলৰ দদাযেক কিয় গোটেই ঘৰখনেই উৎফুল্লিত হৈ উঠিব। কিন্তু অপহৰণকাৰী? অপহৰণকাৰী কোন? কাক ধৰা যাব সেই অপৰাধৰ বাবে? এখন্তেকৰ বাবে জয়ন্তৰ বুধি হেৰাল। বাৰু দেখা যাব সময়ত।

জয়ন্তই পুলিচ অফিচাৰজনক সুধি গ'ল বহুত প্ৰশ্ন। ধৈৰ্য ধৰি সিজনেও এটা এটাকৈ উত্তৰ দি গৈছে। কেউজন উঠি একেলগে ঘৰৰ ছাল পালেগৈ। অফিচাৰজনৰ লগত অহা দুজন পালি পুলিচ, টুটুলৰ দদাযেক আৰু এজন চুবুৰীয়া ভদ্ৰলোকৰ বাহিৰে আনবোৰ উৎসুক, উৎকণ্ঠিত লোকক তলতে থৈ অহা হ'ল। জয়ন্ত আৰু অফিচাৰজনৰ বাহিৰে কিন্তু কাৰো মুখত এষাৰো মাত নাই।

মুকলি ছাল। ছাত। একাষে এচুকত পানীৰ টেঙ্কটো। কেনিও বিশেষকৈ চাব লগা একো নাই। তথাপি জয়ন্তই আন এমূৰে লৈ গ'ল মানুহ কেইজনক টুটুলৰ দদাযেকৰ অসহ্য হৈছে।

চকু মুখ ৰঙা পৰি আছে। জয়ন্তই চকু দিয়া নাই সেইফালে। তাৰ হাতত এখন মেগ্‌নিফায়িং গ্লাছ থাকিব লাগিছিল সেই সময়ত। নহ'লেও চলি গৈছে। সেইদৰে দহ মিনিটমান ইফালে-সিফালে চাই টেক্সটোৰ ফালে গ'ল দলটো। টেক্সটোৰ কাষত কেইটামান চুৰটৰ টুকুৰা আৰু পোৰা জুইছলা কাঠি। টুকুৰা এটা হাতত তুলি কিবা এটা চালে জয়ন্তই। তাকে বুটলি লওঁতে সৰুকৈ ছুটা ঢকা মাৰিলে টেক্সটোৰ বেৰত। টুটুলে জানক তাক এতিয়াই উদ্ধাৰ কৰা হ'ব। পুলিচ অফিচাৰজনে অসীম ধৈৰ্য ধৰি চাই গ'ল জয়ন্তৰ কামবোৰ। মাজতে এবাৰ প্ৰশ সাও কৰিলে তাৰ প্ৰশ্নৰ বুদ্ধিমত্তাত।

এবাৰ কিবা এটা সন্দেহ পোৱাৰ দৰে কৰি জাপ মাৰি টেক্সটোৰ ওপৰত উঠিল জয়ন্ত। লাহেকৈ ঢাকোনখন খুলি তললৈ চালে। চায়েই চিঞৰ মাৰি দিলে—'মা।'

সেই এফুট পানীত তললৈ মু কৰি টুটুল ওপণ্ডি আছে।

অফিচাৰজনে হাতত ধৰি জয়ন্তক নমাই আনিলে। মুখেৰে ক'লে 'আমি সকলো কথা জানিছিলো জয়ন্ত। তুমি ইয়াত বাজে কিতাপ পঢ়িবলৈ আহা, চুৰট খোৱাহি ।'

আৰু ক'বলৈ পোৱাৰ আগতে থকথককৈ কঁপা হাতেৰে নিজৰ মুখখন ঢাকি কাওবাওকৈ জয়ন্তই কৈ উঠিল—'ম-ম-মই ।'